# অন্বেষণ

একাদশ বছৰ ■ একাদশ সংখ্যা ■ ডিচেম্বৰ, ২০২৪



ফুলগুৰিৰ ধেৱা

ইলেকট্ৰ'নিক আৱৰ্জনা



ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচন প্ৰক্ৰিয়া



ফ্লেমিংগ' চৰাই


এল ফ্ৰাংক বাউম


ৰবাৰ্ট ব্ৰাউন


সবৰমতী আশ্ৰম


বাৰেচহৰীয়া ভাওনাৰ খলা


ব্ৰহ্ম সৰোবৰ, কুৰুক্ষেত্ৰ


উভচৰ বিমান

# অন্বেষণ

**একাদশ বছৰ, একাদশ সংখ্যা, ডিচেম্বৰ, ২০২৪ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিৰ্বাচন প্ৰক্ৰিয়া**
■ অভিজিত শৰ্মা বৰুৱা

৪ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

৭ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী

৮ **আশা**
■ আদিত্য কাশ্যপ

৯ **নদী-কথা**
■ অহিৰণ অন্তৰীপ

১০ **গুৱাহাটী, গৌহাটী ইত্যাদি**
■ ভাৰ্গবীনন্দা গোস্বামী

১১ **চন্দ্ৰত পানীৰ সন্ধান**
■ নম্ৰতা কাশ্যপ

১২ **Sorry 2050...**
■ Maira Bordoloi

১২ **কণমানি চৰাই**
■ উজ্জীৱন তালুকদাৰ

১৩ **জীয়া শিল**
■ বাস্তৱ দাস

১৪ **Sushruta : The Father of Surgery**
■ Swargam Talukdar

১৫ **কুমাৰটুলি**
■ জুৰি গোস্বামী

১৬ **‘নেহৰু’ উপাধি বিভ্ৰাট**
■ ৰঘুনাথ কুমাৰ

১৮ **ভাৰতৰ প্ৰথমটো কৃষক বিদ্ৰোহ—ফুলগুৰিৰ ধেৱা**
■ নৱনীতা কলিতা

২০ **সবৰমতী নদী আৰু সবৰমতী আশ্ৰম**
■ চন্দনা মেধি চৌধুৰী

২২ **কুইজ**
■ দীপাংকৰ কৌশিক

২৩ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

২৯ **চুড'কু**

৩০ **Stories from World Classics**
■ Neha Bora

৩১ **Did You Know**
■ Gopen Barman

৩২ **খৃষ্টমাছ**
■ অপৰ্ণা দেৱী

৩৩ **ফ্লেমিংগ' চৰাই**
■ হিমাশ্ৰী ডেকা

৩৪ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

৩৫ **টোপনি**
■ নিভা ৰাণী ৰায়

৩৭ **ব্ৰাউনীয় গতি**
■ উদয়া ফুকন

৩৯ **‘ইলেকট্ৰ'নিক আৱৰ্জনা—এক বৰ্ধিত গোলকীয় প্ৰত্যাহ্বান**
■ সুজিৎ কুমাৰ নেওগ

**সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ড° লিপিমণি দত্ত, ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)
**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা
**ছবি** : কন্দৰ্প শৰ্মা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আৰ্হি পাঠ** : কুলধৰ কলিতা
**মূল্য** : পঁচিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিৰ্বাচন প্ৰক্ৰিয়া

**অভিজিত শৰ্মা বৰুৱা**

## ভাৰতৰ ৰাষ্ট্ৰপতি নিৰ্বাচন প্ৰক্ৰিয়া :

ভাৰতত ৰাষ্ট্ৰপতি নিৰ্বাচন পৰোক্ষ পদ্ধতিত হয়। অৰ্থাৎ ভাৰতীয় জনসাধাৰণ বা ভোটাৰসকলে প্ৰত্যক্ষভাৱে ৰাষ্ট্ৰপতি নিৰ্বাচন নকৰে। 'ইলেক্ট'ৰেল কলেজ' (electoral collage) পদ্ধতিৰ জৰিয়তে ভাৰতৰ ৰাষ্ট্ৰপতি নিৰ্বাচন কৰা হয়। এই ইলেক্ট'ৰেল কলেজত আছে ভাৰতৰ উচ্চ সদন আৰু নিম্ন সদনৰ (ৰাজ্যসভা আৰু লোকসভা) সাংসদ (এমপি) আৰু ভাৰতৰ অংগ ৰাজ্যসমূহৰ বিধায়কসকল (এমএলএ)। ৰাষ্ট্ৰপতি পদৰ বাবে কোনো ৰাজনৈতিক দলৰ মনোনীত প্ৰাৰ্থীৰ বাহিৰে আন লোকেও মনোনয়ন দাখিল কৰিব পাৰে। পাছে তাৰ বাবে ৫০ জন প্ৰস্তাৱক আৰু ৫০ জন সমৰ্থক লাগিব। এই প্ৰস্তাৱক আৰু সমৰ্থকসকল আকৌ 'ইলেক্ট'ৰ' (সাংসদ বা বিধায়ক) হ'ব লাগিব। ১৯৭৪ চনৰ পৰা এই নিয়ম প্ৰবৰ্তন কৰা হয়। ইয়াৰ মূল কাৰণ আছিল যে বিজয়ী হোৱাৰ সামান্যতম সম্ভাৱনাও নথকা বহুতো লোকে কেৱল প্ৰচাৰৰ আশাত ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছিল।

এজন ইলেক্ট'ৰে (elector) একাধিক প্ৰাৰ্থীৰ নাম প্ৰস্তাৱ বা সমৰ্থন কৰিব নোৱাৰে। ৰাষ্ট্ৰপতি নিৰ্বাচন প্ৰক্ৰিয়াত এজন সাংসদ বা এজন বিধায়কৰ ভোটৰ পৰিমাণ এটা বুলি গণ্য কৰা নহয়। লোকসভা আৰু ৰাজ্যসভাৰ একোজন সাংসদৰ ভোটৰ মূল্য ৭০৮ হিচাপে নিৰ্ধাৰণ কৰা হৈছে। আনহাতে বিভিন্ন ৰাজ্যৰ প্ৰতিজন বিধায়কৰ ভোটৰ মূল্য কিন্তু সমান নহয়। ৰাজ্যখনৰ মুঠ জনসংখ্যা আৰু বিধানসভাৰ সদস্যসংখ্যাৰ ওপৰত ভিত্তি কৰি (গণনা কৰি) বিধায়কৰ ভোটৰ মূল্য নিৰ্ধাৰণ কৰা হয়। সেই হিচাপমতে উত্তৰ প্ৰদেশৰ প্ৰতিজন বিধায়কৰ ভোটৰ মূল্য সৰ্বোচ্চ ২০৮, মহাৰাষ্ট্ৰৰ বিধায়কৰ ভোটৰ মূল্য ১৭৫ আৰু অসমৰ এজন বিধায়কৰ ভোটৰ মূল্য ১১৬। আনহাতে অৰুণাচল প্ৰদেশৰ এজন বিধায়কৰ ভোটৰ মূল্য মাত্ৰ ৮।

কেন্দ্ৰত আৰু সকলো ৰাজ্যত ৰাষ্ট্ৰপতি নিৰ্বাচনী প্ৰক্ৰিয়া সমাপ্ত হোৱাৰ পাছত প্ৰাৰ্থীসকলৰ সপক্ষে ভোট-মূল্য হিচাপ কৰা হয় আৰু যিজন প্ৰাৰ্থীয়ে ৫০ শতাংশতকৈ এটা হ'লেও বেছি ভোট লাভ কৰে, তেৱেঁই ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হয়।

## আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচন

কিছুদিনৰ আগতে আমেৰিকা যুক্তৰাষ্ট্ৰত ৰাষ্ট্ৰপতি নিৰ্বাচন হৈ গ'ল আৰু সেই নিৰ্বাচনত ড'নাল্ড ট্ৰাম্প ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হ'ল। ২০২৫ চনৰ জানুৱাৰী মাহত তেওঁ শপত গ্ৰহণ কৰিব। ভাৰতীয়সকলৰ বাবে এই নিৰ্বাচন এই বাবেই বিশেষ আকৰ্ষণীয় আছিল যে ভাৰতীয় বংশোদ্ভৱ কমলা হেৰিছে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছিল। পাছে তেওঁ নিৰ্বাচনত পৰাজিত হ'ল।

আমেৰিকা যুক্তৰাষ্ট্ৰ ৰাষ্ট্ৰপতি-প্ৰধান দেশ। অৰ্থাৎ এই দেশত ৰাষ্ট্ৰপতিয়েই মূল শাসনভাৰ চম্ভালে আৰু দেশ শাসনত তেওঁৰ মত, আদৰ্শ, চিন্তা আদিৰ গুৰুত্বপূৰ্ণ ভূমিকা থাকে। আমাৰ ভাৰত হ'ল প্ৰধানমন্ত্ৰী-প্ৰধান দেশ। অৰ্থাৎ এই দেশত ৰাষ্ট্ৰপতিৰ ভূমিকা গুৰুত্বপূৰ্ণ হ'লেও প্ৰধানমন্ত্ৰীয়েই হ'ল প্ৰশাসনৰ মুৰব্বী। আমেৰিকা যুক্তৰাষ্ট্ৰ হ'ল বিশ্বৰ অন্যতম শক্তিধৰ দেশ আৰু ৰাজনৈতিক, সামৰিক—সকলো দিশতে যথেষ্ট প্ৰভাৱশালী ৰাষ্ট্ৰ। সেইবাবে আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ওপৰত সমগ্ৰ বিশ্বৰে দৃষ্টি নিবদ্ধ হৈ থাকে আৰু এই নিৰ্বাচনৰ ফলাফলে বিশ্বত যথেষ্ট প্ৰভাৱ পেলায়।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচন প্ৰক্ৰিয়া আমাৰ দেশৰ বা আন বহুতো দেশৰ দৰে নহয়। এই দেশৰ নিৰ্বাচনী প্ৰক্ৰিয়া যথেষ্ট বেলেগ।

আমেৰিকা যুক্তৰাষ্ট্ৰ মূলতঃ দ্বিদলীয় গণতন্ত্ৰ। তাত আমাৰ দৰে এগালমান ৰাজনৈতিক দল নাথাকে। সেই দেশৰ মূল ৰাজনৈতিক দল মাত্ৰ দুটা—ৰিপাব্লিকান আৰু

ডেম'ক্ৰেটিক। সাম্প্ৰতিক নিৰ্বাচনত ড'নাল্ড ট্ৰাম্প ৰিপাব্লিকান দলৰ প্ৰাৰ্থী আছিল আৰু কমলা হেৰিছ আছিল ডেম'ক্ৰেটিক দলৰ। নিৰ্বাচনৰ প্ৰায় এবছৰৰ আগতেই তেওঁলোকে নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰে। তেওঁলোকে প্ৰচাৰৰ বাবে সৰু সৰু গোট গঠন কৰি লয় আৰু এই গোটসমূহে নিজৰ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ কৰা, পুঁজি যোগাৰ কৰা আদি কাম আৰম্ভ কৰি দিয়ে। তদুপৰি টেলিভিছনৰ অনুষ্ঠানত দুয়ো প্ৰাৰ্থীয়ে নিজা আদৰ্শ প্ৰকাশ কৰে, প্ৰয়োজন হ'লে বিতৰ্কত অংশ লয় আৰু নিজৰ মত সাব্যস্ত কৰিবলৈ চেষ্টা কৰে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচন নিৰ্দিষ্ট বছৰৰ নৱেম্বৰ মাহত হ'লেও সেই বছৰৰ ফেব্ৰুৱাৰী মাহমানৰ পৰা মূল ভোটিং প্ৰক্ৰিয়া 'প্ৰাইমেৰী' (primary) আৰু 'কাউকাছ' (caucus) আৰম্ভ হয়। এই দুয়োটা প্ৰক্ৰিয়া প্ৰায় একে হ'লেও কাউকাছত দলৰ সদস্যসকলে (কেতিয়াবা আন লোকেও) আলোচনা আৰু ভোটৰ এক প্ৰক্ৰিয়াৰ যোগেদি আৰু প্ৰাইমেৰীত দলৰ সদস্যসকলে গোপন ভোটৰ দ্বাৰা নিজৰ দলৰ ষ্টেট (প্ৰদেশ) প্ৰতিনিধি নিৰ্বাচন কৰে।

দ্বিতীয় পৰ্য্যায়ত প্ৰতিটো দলে এক ৰাষ্ট্ৰীয় সন্মিলন পাতে আৰু আৰু তাত প্ৰাইমেৰী আৰু কাউকাছৰ জৰিয়তে নিৰ্বাচিত হোৱা ষ্টেট প্ৰতিনিধিয়ে ৰাষ্ট্ৰপতি পদৰ বাবে উপযুক্ত প্ৰাৰ্থীজনৰ নাম চূড়ান্ত কৰে। এই সন্মিলনৰ শেষত প্ৰাৰ্থীজনৰ নাম ঘোষণা কৰা হয়। ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীজনে উপৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীজনৰ নাম প্ৰস্তাৱ কৰে আৰু তাৰ পাছত সমৰ্থকসকলকে ধৰি তেওঁলোকে দেশৰ চুকে-কোণে প্ৰচাৰত নামি যায়।

তৃতীয় পৰ্য্যায়ত প্ৰতিখন ষ্টেটৰ ভোটাৰসকলে এজন ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী আৰু এজন উপৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীক ভোট দিয়ে। এই নিৰ্বাচন সাধাৰণতে নৱেম্বৰ মাহত অনুষ্ঠিত হয়। যেতিয়া লোকসকলে ভোট দিয়ে, তেতিয়া তেওঁলোকে প্ৰাৰ্থীজনৰ সমৰ্থনত প্ৰকৃততে 'ইলেক্ট'ৰ' (Elector) নামৰ লোকসমষ্টিৰ সপক্ষেহে ভোট দিয়ে। মাইনে আৰু নেব্ৰাস্কা ষ্টেটৰ বাহিৰে আমেৰিকা যুক্তৰাষ্ট্ৰৰ আন প্ৰদেশত যদিহে কোনো ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীয়ে এখন ষ্টেটৰ লোকসকলৰ অধিকাংশ ভোট লাভ কৰে, তেওঁ সেই ষ্টেটৰ সকলো ইলেক্ট'ৰেল ভোট লাভ কৰে। এই ক্ষেত্ৰত 'যি জিকে, সি সকলো পায়' নীতি গ্ৰহণ কৰা হয়।

চতুৰ্থ পৰ্য্যায়টো হ'ল আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পৰ্য্যায়। এই পৰ্য্যায়ত এক 'ইলেক্ট'ৰেল কলেজে' (Electoral College) ৰাষ্ট্ৰপতিজনক নিৰ্বাচন কৰে। ইলেক্ট'ৰেল কলেজ হ'ল এক প্ৰক্ৰিয়া, যাৰ জৰিয়তে প্ৰতিখন ষ্টেটৰ প্ৰতিনিধিসকলে তেওঁলোকৰ ষ্টেটখনৰ জনসংখ্যাৰ সমানুপাতিক হিচাপে ভোট দিয়ে। আমেৰিকা যুক্তৰাষ্ট্ৰত সকলো ষ্টেটৰ পৰা মুঠ ৫৩৮ জন প্ৰতিনিধিয়ে ভোট দিব পাৰে। প্ৰতিজন ইলেক্ট'ৰৰ ভোটমূল্য এক। যিজন প্ৰাৰ্থীয়ে সংখ্যাগৰিষ্ঠতাৰ 'মেজিক নম্বৰ' ২৬৯তকৈ বেছি, অৰ্থাৎ ন্যূনতম ২৭০টা ভোট পায়, তেৱেঁই ৰাষ্ট্ৰপতি নিৰ্বাচিত হয়।

আমেৰিকা যুক্তৰাষ্ট্ৰত 'ইলেক্ট'ৰেল কলেজ'ৰ দ্বাৰা কৰা নিৰ্বাচনেই ৰাষ্ট্ৰপতি নিৰ্বাচনৰ মূল আৰু চূড়ান্ত প্ৰক্ৰিয়া। ইলেক্ট'ৰেল কলেজে যাকে নিৰ্বাচন কৰিব, তেৱেঁই ৰাষ্ট্ৰপতি নিৰ্বাচিত হ'ব। কোনো প্ৰাৰ্থীয়ে যদি ইলেক্ট'ৰেল কলেজত সংখ্যাগৰিষ্ঠতা নাপায়, কিন্তু সাধাৰণ ভোটাৰৰ অধিকসংখ্যক ইলেক্ট'ৰেল ভোট লাভ কৰে (যাক 'জনপ্ৰিয় ভোট' বুলিও কোৱা হয়), তেওঁ ৰাষ্ট্ৰপতি নিৰ্বাচিত নহ'ব। সাধাৰণতে এনে নহয় যদিও, পূৰ্বৰ একাধিক ৰাষ্ট্ৰপতি নিৰ্বাচনত এনে হোৱাৰ নজিৰ আছে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটন ডিচি তথা পঞ্চাছখন ষ্টেটৰ পঞ্জীয়নভুক্ত আমেৰিকান নাগৰিকসকলে ইলেক্ট'ৰেল কলেজৰ সদস্যসকলক নিৰ্বাচন কৰিবলৈ ভোট দান কৰে। ৰাষ্ট্ৰপতি পদৰ এজন প্ৰাৰ্থীয়েও যদি সংখ্যাগৰিষ্ঠতা নাপায়, অৰ্থাৎ ফলাফল 'টাই' হয়, তেন্তে 'হাউছ অব ৰিপ্ৰেজেণ্টেটিভে' (নিম্নসদন) ৰাষ্ট্ৰপতি নিৰ্বাচিত কৰে। উপৰাষ্ট্ৰপতিৰ ক্ষেত্ৰতো যদিহে কোনো এজনেও সংখ্যাগৰিষ্ঠতা নাপায়, তেন্তে আমেৰিকা যুক্তৰাষ্ট্ৰৰ উচ্চ সদন 'ছিনেটে' (উচ্চ সদন) উপৰাষ্ট্ৰপতি নিৰ্বাচন কৰে। ❖

## ভাৰতৰ কৃত্ৰিম উপগ্ৰহ জিছেট-২০ৰ সফল উৎক্ষেপণ



যোৱা ১৮ নৱেম্বৰ তাৰিখে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফ্ল'ৰিডাৰ কেপ কেনাভেৰেল মহাকাশ কেন্দ্ৰৰ পৰা ভাৰতীয় কৃত্ৰিম উপগ্ৰহ জিছেট-২০ সফলভাৱে উৎক্ষেপণ কৰা হয়। ৪,৭০০ কিল'গ্ৰাম ওজনৰ সম্পূৰ্ণ বাণিজ্যিক কৃত্ৰিম উপগ্ৰহটোৰ সৈতে ইতিমধ্যে ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই সম্পৰ্ক স্থাপন কৰিবলৈ সক্ষম হৈছে। এই কৃত্ৰিম উপগ্ৰহটোৰ জৰিয়তে ভাৰতৰ অতি দুৰ্গম এলেকাত ব্ৰ'ডবেণ্ড ইণ্টাৰনেট সংযোগ সম্ভৱ কৰি তোলাৰ লগতে দেশৰ সকলো উৰন্ত বিমানৰ সৈতে মোবাইল ফোনৰ যোগাযোগ সম্ভৱ কৰি তুলিব। উপগ্ৰহটোত সংযোজিত ৩২টা ইউজাৰ বিম বা সংকেত প্ৰেৰকৰ ভিতৰত ৮টা প্ৰেৰক উত্তৰ-পূৰ্বাঞ্চলৰ বাবে বিশেষভাৱে সংযোজিত কৰা হৈছে।

### ডেনমাৰ্কৰ ভিক্ট'ৰিয়া কেজি মিছ ইউনিভাৰ্ছ, ২০২৪



যোৱা ১৬ নৱেম্বৰত মেক্সিকোত অনুষ্ঠিত ৭৩ সংখ্যক মিছ ইউনিভাৰ্ছ, ২০২৪ সৌন্দৰ্য্য প্ৰতিযোগিতাত ডেনমাৰ্কৰ ভিক্ট'ৰিয়া কেজি থেইলভিগই চেম্পিয়নৰ খিতাপ লাভ কৰিবলৈ সক্ষম হয়। ২০ বছৰীয়া ভিক্ট'ৰিয়া হৈছে এই সন্মান লাভ কৰা ডেনমাৰ্কৰ প্ৰথম মহিলা। ১২৫ খন দেশে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাত নাইজেৰিয়াৰ ছিদ্দিমা অডেটেছিনাই প্ৰথম ৰানাৰ-আপ আৰু মেক্সিকোৰ মাৰিয়া ফৰ্নাডাই দ্বিতীয় ৰানাৰ-আপৰ খিতাপ লাভ কৰে। উল্লেখযোগ্য যে এই বৰ্ষৰ মিছ ইউনিভাৰ্ছ প্ৰতিযোগিতাৰ চূড়ান্ত ৰাউণ্ডত ভাৰতৰ ৰিয়া সিংঘাই অংশগ্ৰহণ কৰিছিল যদিও শীৰ্ষ স্থান লাভ কৰাত ব্যৰ্থ হয়। চূড়ান্ত বিজয়ী ভিক্ট'ৰিয়া কেজিয়ে হীৰাৰ মুকুট আৰু অন্যান্য উপহাৰৰ লগতে প্ৰায় ২ কোটি মাৰ্কিন ডলাৰৰ অৰ্থ পুৰস্কাৰ লাভ কৰে।

### প্ৰধানমন্ত্ৰী মোডীৰ ত্ৰিদেশীয় বিদেশ ভ্ৰমণ, জি-২০ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ




যোৱা ১৭ নৱেম্বৰৰ পৰা পাঁচদিনীয়া ভ্ৰমণসূচী লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী নাইজেৰিয়াৰ ৰাজধানী আবুজাত উপস্থিত হয়। ৰাজধানী আবুজাৰ ষ্টেট হাউছত অনুষ্ঠিত চৰকাৰী অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোডীক নাইজেৰিয়াৰ ৰাষ্ট্ৰপতি বোলা আহমেদ তিনুবুৱে দেশখনৰ দ্বিতীয় সৰ্বোচ্চ ৰাষ্ট্ৰীয় সন্মান 'গ্ৰাণ্ড কমাণ্ডাৰ অৱ দা অৰ্ডাৰ অৱ নাইজাৰ' প্ৰদান কৰে। বিশ্বত ঐক্য-শান্তিৰ বাবে ভাৰতে আগ বঢ়োৱা অৱদানৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীক এই বঁটাৰ বাবে মনোনীত কৰা বুলি ৰাষ্ট্ৰপতি তিনুবুৱে ঘোষণা কৰে।

১৯ নৱেম্বৰত প্ৰধানমন্ত্ৰী মোডীয়ে ব্ৰাজিলৰ ৰাজধানীত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলনত ভাষণ প্ৰদান কৰি দুখীয়া দেশবোৰৰ জ্বলন্ত সমস্যাবোৰত প্ৰাথমিক গুৰুত্ব দিলেহে জি-২০ৰ উদ্দেশ্য সফল হ'ব বুলি দাবী কৰে। শীৰ্ষ সন্মিলনৰ অৱসৰৰ মাজতে মোডী ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইজ ছিলভাৰৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয় আৰু শক্তি, জৈৱ ইন্ধন, প্ৰতিৰক্ষা, কৃষি আদি বিষয়ক সহমতৰ চুক্তিত স্বাক্ষৰ কৰে।

২০ নৱেম্বৰত প্ৰধানমন্ত্ৰী মোডী গুৱেনাৰ ৰাজধানী জৰ্জ টাউনত উপস্থিত হয় আৰু কেৰিবিয়ান দেশসমূহৰ ৰাষ্ট্ৰপ্ৰধানসকলৰ অংশগ্ৰহণেৰে অনুষ্ঠিত 'দ্বিতীয় ভাৰত-কেৰিকম' (India-CARICOM) শীৰ্ষ

সন্মিলনত অংশগ্ৰহণ কৰে। ২১ নৱেম্বৰত মোডীক গুৱেনাৰ সৰ্বোচ্চ নাগৰিক সন্মান ‘অৰ্ডাৰ অৱ এক্সিলেন্স’ প্ৰদান কৰে ৰাষ্ট্ৰপতি মঃ ইৰফান আলীয়ে। দুয়োখন দেশৰ মাজত থকা ঐতিহাসিক সম্বন্ধ আৰু সুদৃঢ় হ’ব বুলি দুয়োজন নেতাই আশা প্ৰকাশ কৰে। তদুপৰি ভাৰত-কেৰিকম শীৰ্ষ সন্মিলনৰ মাজতে ডমিনিকাৰ ৰাষ্ট্ৰপতি ছিলভানি বাৰ্টনে প্ৰধানমন্ত্ৰী মোডীক দেশখনৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় সন্মান ‘ডমিনিকা এৱাৰ্ড অৱ অনাৰ’ প্ৰদান কৰে।

## বৰেণ্য শিল্পী, পৰিচালক কুলদা কুমাৰ ভট্টাচাৰ্য্যৰ দেহাৱসান



ৰাজ্যখনৰ চলচ্চিত্ৰ আৰু মঞ্চ জগতৰ বৰেণ্য অভিনেতা, পৰিচালক, সফল আবৃত্তিকাৰ কুলদা কুমাৰ ভট্টাচাৰ্য্যৰ যোৱা ১ নৱেম্বৰ তাৰিখে ৯১ বছৰ বয়সত দেহাৱসান ঘটে। ১৯৩৩ চনৰ ১৮ আগষ্টত গুৱাহাটীৰ পাণবজাৰত জন্মগ্ৰহণ কৰা কুলদা কুমাৰ ভট্টাচাৰ্য্যই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লৈ ইংলণ্ড আৰু জাৰ্মানীত ৬ বছৰীয়া অভিনয় আৰু টেলিভিছন বিষয়ত শিক্ষা গ্ৰহণ কৰি ১৯৭১ চনত কৰ্মজীৱন আৰম্ভ কৰে। অসমীয়া, ইংৰাজী, হিন্দী আৰু বাংলা ভাষাত বিশেষ দক্ষতা থকা বিশিষ্ট শিল্পীগৰাকীয়ে অল ইণ্ডিয়া ৰেডিঅ’ৰ কাৰ্য্যবাহী প্ৰযোজক (নাটক) হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি বিভিন্ন ভাষাৰ নাটক সম্প্ৰচাৰ কৰি তথা অভিনয় কৰি জনপ্ৰিয়তা অৰ্জন কৰে। এগৰাকী সফল আবৃত্তিকাৰ হিচাপেও সুখ্যাতি অৰ্জন কৰা অভিনেতা ভট্টাচাৰ্য্য ড° ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠাপক সঞ্চালক আছিল। ৰাষ্ট্ৰীয় চলচ্চিত্ৰ প্ৰতিযোগিতা আৰু ইণ্ডিয়ান পেনোৰামাৰ বাবে দুবাৰকৈ জুৰিৰ সদস্যৰূপে নিৰ্বাচিত ভট্টাচাৰ্য্যই অভিনয় কৰা কেইখনমান অতি জনপ্ৰিয় নাটক হৈছে— নতুন ইহুদি, মশাল, ৰক্ত কৰবী, আহাৰ, শ্ৰীনিবাৰণ ভট্টাচাৰ্য্য আদি। অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰত তেওঁ পৰিচালনা কৰা কেইখনমান উল্লেখযোগ্য নাটক হৈছে— মাটিৰ গাড়ী, সৰাগুৰি চাপৰি, পৰশুৰাম, বাঘজাল, অথেল’ আদি। তেওঁৰ অভিনীত উল্লেখযোগ্য চলচ্চিত্ৰ কেইখনমান হৈছে—শকুন্তলা, লটিঘটি, চিকমিক বিজুলী, প্ৰভাতী পখীৰ গান, ৰামধেনু, দিকচৌ বনত পলাশ, মাজৰাতি কেতেকী, ভিলেজ ৰকষ্টাৰ, হাতী বন্ধু আদি। কেইবাখনো টিভি ধাৰাবাহিক পৰিচালনা কৰা শিল্পীগৰাকীয়ে ৩৫ খন তথ্যচিত্ৰ আৰু চুটি ছবিও নিৰ্মাণ কৰিছিল।

দক্ষ অভিনেতা তথা পৰিচালকগৰাকীয়ে কৰ্মসাধনাৰ স্বীকৃতি স্বৰূপে চৰকাৰী-বেচৰকাৰী অসংখ্য বঁটা তথা সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁ তৰুণ দুৱৰা মেম’ৰিয়েল অল ইণ্ডিয়া বঁটা, জীৱন ৰাম মুংখি দেৱী বঁটা, অপ্সৰা বঁটা, প্ৰাগ চিনে জীৱনজোৰা সাধনা বঁটা আদিৰ উপৰি ২০২৩ চনত ‘হাতীবন্ধু’ চলচ্চিত্ৰখনৰ ধাৰা বিৱৰণীৰ বাবে শ্ৰেষ্ঠ ধাৰাভাষ্যকাৰৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰিছিল। ২০১৮ বৰ্ষত তেওঁক অসম জাতীয় বিদ্যালয় ফেল’শ্বিপ প্ৰদান কৰা হয়। এনে এগৰাকী বৰেণ্য অভিনেতা, পৰিচালক, আবৃত্তিকাৰ, মানৱতাবাদী অসমপ্ৰেমীৰ মৃত্যু ৰাজ্যখনৰ বাবে বৃহৎ ক্ষতি বুলি বিবেচিত হৈছে।

## ইংৰাজ ঔপন্যাসিক ছামান্থা হাৰ্ভেলৈ ২০২৪ বৰ্ষৰ বুকাৰ বঁটা




ইংৰাজ ঔপন্যাসিক ছামান্থা হাৰ্ভেই তেওঁৰ জনপ্ৰিয় উপন্যাস ‘দা অৰবিটেল’ৰ (The Orbital) বাবে ২০২৪ বৰ্ষৰ সন্মানীয় ‘বুকাৰ বঁটা’ লাভ কৰিবলৈ সক্ষম হৈছে। মহাকাশচাৰী কেইগৰাকীমানে মহাকাশৰ কক্ষপথত লাভ কৰা এদিনৰ অভিজ্ঞতাক লৈ ৰচনা কৰা কল্পকাহিনী ‘দা অৰবিটেল’ হৈছে ছামান্থাৰ সপ্তমখন উপন্যাস। বিপুল জনপ্ৰিয়তা অৰ্জন কৰা ছামান্থাৰ কেইখনমান উল্লেখযোগ্য উপন্যাস হৈছে—দা ৱাইণ্ডাৰনেছ, ডীয়েৰ থিফ, দা ৱেষ্টাৰ্ন ৱাইল্ড আদি। আমেৰিকা যুক্তৰাষ্ট্ৰ, ৰাছিয়া, ইটালী, ইংলণ্ড আৰু

জাপানৰ ৬ গৰাকী মহাকাশচাৰীয়ে ২৪ ঘণ্টা সময়ৰ ভিতৰত ১৬টা সূৰ্য্যোদয়-সূৰ্য্যাস্ত প্ৰত্যক্ষ কৰাৰ অনুপম অভিজ্ঞতাক লৈ ছামান্থাই বঁটাপ্ৰাপ্ত গ্ৰন্থ 'দা অৰবিটেল' ৰচনা কৰিছিল। এই পুৰস্কাৰত আছে ট্ৰফীৰ লগতে ৫০ হাজাৰ বৃটিছ পাউণ্ড (প্ৰায় ৫৩ লাখ টকা)।

## আমেৰিকা যুক্তৰাষ্ট্ৰৰ নতুন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প



যোৱা ৬ নৱেম্বৰ তাৰিখে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ঘোষিত ফলাফল অনুসৰি প্ৰাক্তন ৰাষ্ট্ৰপতি তথা ৰিপ্লাবিকান দলৰ প্ৰাৰ্থী ড'নাল্ড ট্ৰাম্প দ্বিতীয়বাৰৰ বাবে দেশখনৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হয়। মুঠ ৫৩৮টা ইলেক্ট'ৰেল ভোটৰ ভিতৰত বিজয়ী ট্ৰাম্পে ৩১২টা লাভ কৰাৰ বিপৰীতে তেওঁৰ প্ৰতিদ্বন্দ্বী ডেম'ক্ৰেট দলৰ প্ৰাৰ্থী কমলা হেৰিছে (উপ-ৰাষ্ট্ৰপতি) ২২৬টা ভোটহে লাভ কৰিবলৈ সক্ষম হয়। শেহতীয়া ৰাষ্ট্ৰপতি নিৰ্বাচনত (২০২০) তেওঁ পৰাজিত হৈছিল জ' বাইডেনৰ হাতত। ৫ নৱেম্বৰত অনুষ্ঠিত দেশখনৰ ৬০ সংখ্যক ৰাষ্ট্ৰপতি নিৰ্বাচনত ১৫ কোটি ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰে। ট্ৰাম্পে অহা বৰ্ষৰ ২০ জানুৱাৰীত আনুষ্ঠানিকভাৱে শপত গ্ৰহণ কৰিব।

## গুৱাহাটী পাণ্ডুঘাটত উভচৰ বিমানৰ (ছি প্লেন) পৰীক্ষামূলক অৱতৰণ



যোৱা ১৫ নৱেম্বৰ তাৰিখে অসমত প্ৰথমবাৰৰ বাবে উভচৰ বিমান অৰ্থাৎ ছি প্লেনৰ (sea plan) পৰীক্ষামূলক অৱতৰণ সফলভাৱে সম্পন্ন কৰা হয়। দেশৰ যাতায়াত, পৰ্য্যটন ক্ষেত্ৰৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ বিশেষ পদক্ষেপ হিচাপে 'মেছাৰ্ছ দা হেভিলেণ্ড কানাডা'ৰ উদ্যোগত আৰু অসামৰিক বিমান পৰিবহনৰ সহযোগত ৰাজ্যখনৰ পৰ্য্যটন ক্ষেত্ৰত নতুন সংযোজন এই যানখনৰ পৰীক্ষামূলক অৱতৰণ কৰোৱা হয়। বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা উৰা মাৰি বিমানখনে সফলতাৰে ব্ৰহ্মপুত্ৰ নদীত অৱতৰণ কৰিবলৈ সক্ষম হয়। অহা ছমাহৰ ভিতৰত কাজিৰঙা, মাজুলী, পবিতৰা আদি পৰ্য্যটনস্থলীত এই সেৱা জনসাধাৰণৰ বাবে মুকলি কৰা হ'ব বুলি অসম চৰকাৰে ঘোষণা কৰে। উল্লেখযোগ্য যে এনেকুৱা এখন উভচৰ উৰাজাহাজৰ বজাৰ দৰ প্ৰায় ৯ কোটি টকা আৰু গতি প্ৰতি ঘণ্টাত ১৩৫ কিল'মিটাৰ। অকল দিনতহে সেৱা আগ বঢ়োৱাৰ অনুমতি থকা এনে এখন উভচৰ বিমানে এবাৰত ২০ৰ পৰা ৩০ জন যাত্ৰী কঢ়িয়াই নিব পাৰে।

## মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণা

মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ ফলাফল যোৱা ২৩ নৱেম্বৰ তাৰিখে আনুষ্ঠানিকভাৱে ঘোষণা কৰা হয়। ঘোষিত ফলাফল অনুসৰি ২৮৮ জনীয়া মহাৰাষ্ট্ৰ বিধানসভাত শাসকীয় ৰাষ্ট্ৰীয় গণতান্ত্ৰিক গোটবন্ধনে (National Democratic Alliance) অভিলেখসংখ্যক ২৩৬ খন আসন দখল কৰিবলৈ সক্ষম হয়। আনহাতে ৮১ জনীয়া ঝাৰখণ্ড বিধানসভাৰ নিৰ্বাচনত শাসকীয় ইণ্ডিয়া মৰ্চা গোটে ৫৬ খন আসন দখল কৰি একেৰাহে দ্বিতীয়টো কাৰ্য্যকালৰ বাবে শাসন ক্ষমতা দখল কৰিবলৈ সমৰ্থ হয়। শাসনাধিষ্ঠ মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে চতুৰ্থবাৰৰ বাবে ২৮ নৱেম্বৰ তাৰিখে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

তদুপৰি অসমৰ পাঁচটা বিধানসভা সমষ্টিত অনুষ্ঠিত উপনিৰ্বাচনত (বঙাইগাঁও, বিহালী, চিদলী, ধলাই আৰু চামগুৰি) শাসকীয় এনডিএৰ ক্ৰমে দীপ্তিময়ী চৌধুৰী, দিগন্ত ঘাটোৱাৰ, নিৰ্মল ব্ৰহ্ম, নিহাৰ ৰঞ্জন দাস আৰু দিপ্লুৰঞ্জন শৰ্মা বিজয়ী হয়।

**■ সংগ্ৰহ : কুশল গোস্বামী**

## খবৰৰ লেছেৰি বোটলা

**(২১ অক্টʼবৰ, ২০২৪ ৰ পৰা ২০ নৱেম্বৰ, ২০২৪লৈ)**

২৫ **অক্টʼবৰ :** ভাৰতে বিশ্ব প্ৰকৃতি সংৰক্ষণ সূচকাংকত ১৭৬ সংখ্যক স্থান লাভ কৰে।

- থাইলেণ্ডত অনুষ্ঠিত এছিয়ান যোগ চেম্পিয়নশ্বিপত মৰিগাঁৱৰ জাহ্নবী গোস্বামীয়ে স্বৰ্ণ পদক লাভ কৰে।

২৬ **অক্টʼবৰ :** ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই প্ৰথমবাৰৰ বাবে ইলেকট্ৰিক কৃত্ৰিম উপগ্ৰহ উৎক্ষেপণ কৰিব বুলি অধ্যক্ষ এছ সোমনাথে ঘোষণা কৰে।

২৭ **অক্টʼবৰ :** আলবানিয়াত অনুষ্ঠিত অনূৰ্দ্ধ-২৩ বিশ্ব মল্লযুঁজ চেম্পিয়নশ্বিপত ভাৰতৰ চিৰাগ চিক্কাৰাই ৫৭ কেজি শাখাত স্বৰ্ণ পদক লাভ কৰে।

২৮ **অক্টʼবৰ :** ২০২৫ চনত লোকপিয়ল আৰম্ভ হʼব বুলি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে।

২৯ **অক্টʼবৰ :** স্পেইনৰ মিডফিল্ডাৰ ৰড্ৰিয়ে বিশ্বৰ শ্ৰেষ্ঠ ফুটবলাৰৰ 'বেলন ডিʼআৰ' বঁটা লাভ কৰে।

৩০ **অক্টʼবৰ :** ইংলণ্ডৰ ৰজা চাৰ্লছ-তৃতীয়ই ভাৰত ভ্ৰমণ কৰি বেংগালুৰুৰ ৰেলনেছ চেণ্টাৰৰ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰে।

১ **নৱেম্বৰ :** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ উপদেষ্টা পৰিষদৰ অধ্যক্ষ অৰ্থনীতিবিদ ড° বিবেক দেৱৰায়ৰ ৬৯ বছৰ বয়সত মৃত্যু হয়।

২ **নৱেম্বৰ :** অনূৰ্দ্ধ-১৯ বিশ্ব বক্সিং প্ৰতিযোগিতাত ভাৰতৰ কৃষা বাৰ্মাই মহিলাৰ ৭৫ কেজি শাখাত স্বৰ্ণ পদক লাভ কৰে।

৩ **নৱেম্বৰ :** ভাৰতে প্ৰথমবাৰৰ বাবে টেষ্ট ক্ৰিকেট খেলত নিউজিলেণ্ডৰ হাতত ৩-০ ব্যৱধানত পৰাজিত হয়।

৪ **নৱেম্বৰ :** উত্তৰ কোৰিয়াৰ 'হ্চং-১৯' মিছাইল বিশ্বৰ আটাইতকৈ শক্তিশালী আৰু বৃহৎ বুলি মিছাইল বিশেষজ্ঞসকলে ঘোষণা কৰে।

৯ **নৱেম্বৰ :** আগতীয়া জাননী অবিহনে চৰকাৰে কোনো অভিযুক্ত লোকৰ বাসস্থান ভাঙিব নোৱাৰিব বুলি উচ্চতম ন্যায়ালয়ে ৰায় প্ৰদান কৰে।

১০ **নৱেম্বৰ :** বিমান সেৱাৰ ভিষ্টাৰা এয়াৰলাইনছ টাটা গ্ৰুপৰ 'এয়াৰ ইণ্ডিয়া'ৰ লগত চামিল হয়।

১১ **নৱেম্বৰ :** দেশৰ ৫১ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে সঞ্জীৱ খান্নাই শপত গ্ৰহণ কৰে।

১৪ **নৱেম্বৰ :** জনপ্ৰিয় আলোচনী 'বিস্ময়'ৰ প্ৰকাশক আৰু সম্পাদক শশী ফুকনৰ ৭৮ বছৰ বয়সত দেহাৱসান ঘটে।

- হাইড্ৰʼকাৰ্বন সম্পৃক্ত মাটি প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে 'বায়ʼৰিমিডিয়েছন' নামৰ ন-প্ৰযুক্তি আৱিষ্কাৰৰ বাবে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° হেমেন শৰ্মাসহ পাঁচজনীয়া বিজ্ঞানীৰ দললৈ ভাৰতীয় পেটেণ্ট প্ৰদান কৰা হয়।

১৫ **নৱেম্বৰ :** দেশৰ ৰাজধানী নতুন দিল্লীত অনুষ্ঠিত প্ৰথম বড়োলেণ্ড মহোৎসৱ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে উদ্বোধন কৰে।

১৬ **নৱেম্বৰ :** যোৱা অক্টʼবৰ মাহত ৩৯.২ বিলিয়ন মাৰ্কিন ডলাৰৰ ৰপ্তানি বাণিজ্যৰে ভাৰতে অভিলেখ সৃষ্টি কৰে।

১৭ **নৱেম্বৰ :** পশ্চিমবংগ চুটি ছবি মহোৎসৱত ইন্দ্ৰ বৰাৰ দ্বাৰা পৰিচালিত 'মায়াজালে' শ্ৰেষ্ঠ চুটি ছবিৰ সন্মান লাভ কৰে।

১৮ **নৱেম্বৰ :** বায়ুৰ মান সূচকাংক ৫০০ হোৱা বাবে ৰাজ্যিক চৰকাৰে দিল্লীত কৃত্ৰিম বৰষুণৰ প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰে।

১৯ **নৱেম্বৰ :** ভাৰতে জলবায়ু পৰিবৰ্তনৰ বিৰুদ্ধে কৰা সংগ্ৰামত বিশ্বৰ ভিতৰত দশম স্থান অধিকাৰ কৰে।

- সংগীত আৰু সাংস্কৃতিক অৱদানৰ বাবে আৰ্জেণ্টিনাৰ ডেনিয়েল বেৰেনবইম আৰু পেলেষ্টাইনী শান্তি বাৰ্তাবাহক আলী আবু আবাদক যুটীয়াভাৱে ২০২৩ বৰ্ষৰ ইন্দিৰা গান্ধী পুৰস্কাৰ প্ৰদান কৰা হয়।
- কৰিমগঞ্জ জিলাৰ নতুন নাম শ্ৰীভূমি জিলা হʼব বুলি অসম চৰকাৰে ঘোষণা কৰে।

২০ **নৱেম্বৰ :** ২২টা গ্ৰেণ্ডশ্লাম খিতাপৰ অধিকাৰী স্পেইনৰ ৩৮ বছৰীয়া টেনিছ মহাতাৰকা ৰাফেল নাডালে ২৩ বছৰীয়া বৰ্ণাঢ্য কেৰিয়াৰ সামৰি অৱসৰ ঘোষণা কৰে। ❖

■ **সংগ্ৰহ : কুশল গোস্বামী**

# আশা

■ আদিত্য কাশ্যপ
দশম শ্ৰেণী



আজি নীলাক্ষিৰ মনটো উৎফুল্লিত হৈ আছে। কাৰণ তাই কাইলৈ মোমায়েকহঁতৰ ঘৰলৈ অৰ্থাৎ শিৱসাগৰলৈ যাব। তাই দেউতাকক কেইবাটাও প্ৰশ্ন সুধিছে, বিৰামহীনভাবে। "দেউতা আমি কাইলৈ কেই বজাত যাম? আমি কিহেৰে যামনো? মই কাইলৈ ভণ্টিৰ লগত খেলিমনে?"

দেউতাকে ক'লে, "আজি ৰাতিলৈ ক'ম দিয়া।"

তেনেতে মাকে দেউতাকক ক'লে, "অলপ সোনকালে আহিবা... বস্তু ভৰাবলৈ আছে।"

"চেষ্টা কৰিম বাৰু।" এইবুলি কৈ তেওঁ অফিচলৈ গ'লগৈ।

শৰ্মাৰ অফিচটো ঘৰৰ পৰা বৰ বেছি দূৰত নহয়। প্ৰায় আধা কিল'মিটাৰমান দূৰতে তেওঁৰ অফিচটো। সেয়েহে তেওঁ কোনো বাহনেৰে অহা-যোৱা কৰিব নালাগে। অফিচত সোমায়েই তেওঁ কাম কৰাত লাগিল। কাৰণ তেওঁ আজি সোনকালে ঘৰলৈ যাব লাগিব। ইফালে নীলাক্ষিৰ আজি পঢ়াত অলপো মন বহা নাই। বহিবনো কেনেকৈ? প্ৰায় ডেৰ বছৰৰ মূৰত গাঁৱলৈ যাব তাই। তাই মাককো প্ৰশ্ন সুধি সুধি আমনি কৰি আছে। মাকে বিৰক্ত হৈ ক'লে, "গধূলি দেউতাৰাই ক'ব যোৱা। মোক শান্তিত থাকিবলৈ দিয়া।"

মাকে ইফালে ভাবি আছে, বতৰটো ইমান ঠিক নহয়। বৰষুণ দি থাকিলে পৰাহিলৈ যাব লাগিব। কথাটো দেউতাককো ক'ব লাগিব।

আবেলি প্ৰায় ৫ বাজিছে। বতৰটো গোমা হৈয়ে আছে। কিজানি ধুমুহা-বৰষুণ দিব। গতিকে মাকে দেউতাকক ফোন কৰিলে, "অ' শুনিছা... হেল্ল'... অ' অলপ সোনকালে আহা। বতৰটো ভাল নহয়। ধুমুহা আহিব কিজানি।"

"গৈ আছোঁ, অলপ কাম আছে ৰ'বা," দেউতাকে ক'লে।

সন্ধিয়া ৬ বাজিছে। প্ৰচণ্ড ধুমুহা বলিছে। মাকে আকৌ এবাৰ দেউতাকক ফোন কৰিলে। কিন্তু এইবাৰ কোনো উত্তৰ নাহিল। আকৌ এবাৰ ফোন কৰিলে। নাই... উঠোৱা নাই। কিজানি আহিয়েই আছে...।

বহু দেৰি হ'ল। নাই... একো খবৰ-খাতি নাই। মাকৰ ভয় লাগিল। আকৌ ফোন কৰিলে...। ধৰা নাই। নীলাক্ষিয়ে মাকক সুধিলে, "মা... কি হ'ল?"

"নাই হোৱা একো।"

"দেউতা কেতিয়া আহিব?"

"আহিব ৰ'বা...।"

তেনেতে তেওঁলোকৰ ঘৰৰ ওচৰৰে দুজন ল'ৰা উধাতু খাই তেওঁলোকৰ ওচৰলৈ আহিল। "বাইদেউ...বাইদেউ... বিজুলীৰ তাঁৰ ছিঙিছে... দাদা ৰাস্তাৰ কাষত অচেতন হৈ পৰি আছে... হাস্পতাল... হাস্পতাললৈ লৈ গৈছে।" মাকৰ বুকুখন চিৰিংকৈ উঠিল। ততাতৈয়াকৈ তেওঁ হাস্পতাললৈ গ'ল।

"মা, আমি ক'লৈ গৈ আছোঁ?" মাকে একো কোৱা নাই। "মা, কি হ'ল?" মাকে কান্দি আছে।

হাস্পতাললৈ গৈয়ে তেওঁ ডাক্তৰক লগ ধৰিলে। ডাক্তৰে সুধিলে—"আপুনিয়েই মিছেছ শৰ্মা নেকি?"

"হয়।"

আমি তেওঁক বৰ্তমান ইমাৰজেন্সি কোঠাত ৰাখিছোঁ। তেওঁৰ অৱস্থা খুব জটিল।"

"ভাল হোৱাৰ আশা আছেনে?"

"আমি চেষ্টা কৰি আছোঁ।"

কিছু সময় পাছত ডাক্তৰজন ওলাই আহিল... নিৰাশভাৱে। "তেওঁ ঠিকে আছেনে?" ডাক্তৰজন মৌন হৈ ৰ'ল...।

"মা, আমি গাঁৱলৈ কেতিয়া যাম?" নীলাক্ষিয়ে মাকক সুধিলে।

"আমি আৰু গাঁৱলৈ যাব নোৱাৰিম..., তোমাৰ আশা, আশায়েই হৈ থাকিব।" কওঁ-নকওঁকৈ মাকে নীলাক্ষিক ক'লে। তাইৰ চকুযুৰি চলচলীয়া হৈ পৰিল। সময় ইমান নিষ্ঠুৰ কিয়নো ! ❖

# নদী-কথা

■ **অহিৰণ অন্তৰীপ**
সপ্তম শ্ৰেণী

প্ৰায় ১২৫খন নদী বুকুত সাবটি অসম এখন নদীমাতৃক ৰাজ্য। এই নদীসমূহ শক্তি, খোৱাপানী বা ব্যৱহাৰযোগ্য পানী, জলসিঞ্চন আৰু জীৱিকাৰ উৎস হিচাপে মূলতঃ ব্যৱহৃত হৈ আহিছে। কিন্তু বৰ্তমান সময়ত পৃথিৱীজোৰা প্ৰদুষণে নদী বা পানীৰ উৎসসমূহৰ ওপৰত বিস্তৰ প্ৰভাৱ পেলাইছে। প্ৰদূষিত হৈছে অসমৰ নদ-নদীসমূহো। এক সমীক্ষা অনুসৰি আমাৰ দেশৰ ৩৫১ খন প্ৰদূষিত নদী বা পানীৰ উৎসৰ ভিতৰত অসমত আছে ৪৪খন প্ৰদূষিত নদী বা পানীৰ উৎস। দেশৰ অন্যতম প্ৰদূষিত নদীসমূহৰ ভিতৰত কলং আৰু ভৰলুও আছে। অসমৰ জাতীয় জীৱনৰ অন্যতম অংশস্বৰূপ ব্ৰহ্মপুত্ৰৰ পানীভাগো খোৱাপানীৰ বিশুদ্ধতাৰ মানৰ ক্ষেত্ৰত চতুৰ্থ স্তৰত অৰ্থাৎ 'গ্ৰেড-ফ'ৰ'ত ধৰা যায়।

ভৰলু, ডিগবৈ, বেকী, বগীনদী, ধনশিৰি, জীয়াভৰলী, জাঁজী, পুঠিমাৰী আদি নদীৰ লগতে বৰশলা, শিলসাঁকো, দিপলাই, দৰাবিল আদি জলাশয়সমূহো ভয়াবহ প্ৰদূষণৰ কবলত পৰিছে।

ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহ প্ৰদূষিত হোৱাৰ প্ৰধান কাৰণ হৈছে মানুহে এই নদীসমূহ আৱৰ্জনাৰ থলী হিচাপে ব্যৱহাৰ কৰাটো। গোটা আৱৰ্জনা, লেতেৰা পানী, প্লাষ্টিকৰ সামগ্ৰী, উদ্যোগসমূহৰ পৰা ওলোৱা আৱৰ্জনা আদিবোৰ মিলি অসমৰ নদীসমূহক ভয়াবহভাৱে প্ৰদূষিত কৰি পেলাইছে। প্লাষ্টিকৰ আৱৰ্জনাই নদীসমূহৰ পানীৰ সোঁতক বাধা দি বৈ যাবলৈ বাধ্য কৰে। ফলত সেই পানী কম সময়ৰ ভিতৰতে প্ৰদূষিত হৈ যায়। তদুপৰি শক্তিখণ্ডত পানীৰ অত্যধিক ব্যৱহাৰৰ ফলতো নদীসমূহ শুকাই যায়। অত্যধিক বালি বা কয়লা খননেও নদীসমূহত প্ৰদূষণৰ মাত্ৰা বৃদ্ধি কৰাত অৰিহণা যোগায়।

অবিজ্ঞানসন্মতভাৱে বালি খনন কৰাৰ ফলত আৰু ঔদ্যোগিক আৱৰ্জনাৰ বাবে কলচী নদীৰ পৰা শিহু একেবাৰেই নোহোৱা হৈ পৰাটো বৰ দুখৰ কথা।

অসমৰ নদীসমূহ ধৰ্ম, সংস্কৃতি, আৰ্থ-সামাজিক ব্যৱস্থাৰ লগত সংপৃক্ত হৈ আছে। গতিকে এই নদীসমূহ প্ৰদূষণমুক্ত কৰি ৰখাটো আমাৰ দায়িত্ব। ইয়াৰ বাবে আমি নদীক কেৱল অৰ্থনৈতিক লাভালাভৰ বাবেই ব্যৱহাৰ নকৰি জৈৱ-বৈচিত্ৰ্যৰ কেন্দ্ৰস্থল হিচাপে বা জীৱন-জীৱিকাৰ উৎস হিচাপে গ্ৰহণ কৰা উচিত। নদীক আমাৰ সম্পদ হিচাপে গণ্য কৰিলেহে নদীবোৰ বাচি থাকিব। যিবোৰ ধৰ্মীয় পৰম্পৰাই নদীৰ পানী প্ৰদূষিত কৰে, তেনেবোৰ পৰম্পৰা আমি এৰাই চলা উচিত। নদীৰ বুকুত খনন কাৰ্য্য বিজ্ঞানসন্মতভাৱে কৰা উচিত। প্লাষ্টিকৰ আৱৰ্জনাবোৰ নদীৰ বুকুলৈ পেলাই দি নদীৰ গতিক বাধাপ্ৰাপ্ত কৰাটো একেবাৰেই অনুচিত। চৰকাৰেও বহনক্ষম উন্নয়নৰ লক্ষ্য আগত ৰাখি নদীসমূহ পৰিষ্কাৰকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰাটো বৰ্তমান সময়ত অতিকে প্ৰয়োজনীয় কথা।

পৃথিৱীজোৰা জল সংকটৰ গৰাহৰ পৰা মুক্তি পাবৰ বাবে নদ-নদীসমূহ পৰিষ্কাৰ আৰু সুৰক্ষিত কৰি ৰখাটো আমাৰ সকলোৰে দায়িত্ব আৰু কৰ্তব্য। আহক আমি নদীসমূহ ৰক্ষা কৰোঁ। প্ৰদূষণৰ কবলৰ পৰা উদ্ধাৰ কৰোঁ। এনেকৈ হওক আমাৰ নদী-পূজন আৰু বহনক্ষম উন্নয়ন। ❖

# গুৱাহাটী, গৌহাটী ইত্যাদি

■ ভাৰ্গবীনন্দা গোস্বামী
ষষ্ঠ শ্ৰেণী



অসমৰ এখন গুৰুত্বপূৰ্ণ চহৰ গুৱাহাটী। এই নামটোৰ উৎপত্তি সম্পৰ্কে বিভিন্ন লোকৰ বিভিন্ন মত আছে। প্ৰাচীন কালত গুৱাহাটীক প্ৰাগজ্যোতিপুৰ নামেৰে জনা গৈছিল। এই ঠাইখনৰ নাম গুৱাহাটী কেনেকৈ, কেতিয়াৰ পৰা হ'ল সেই কথা সঠিককৈ কোৱা টান। গুণাভিৰাম বৰুৱাৰ দ্বাৰা সম্পাদিত 'আসাম বন্ধু' কাকতত ১৮০৮ শকৰ আঘোণ মাহত প্ৰকাশিত এটি লেখাত উল্লেখ কৰা মতে—গুহ অৰ্থাৎ কাৰ্তিকে এই ঠাইত এখন বজাৰ বা হট্ট নিৰ্মাণ কৰিছিল। সেই কাৰণতে এই নগৰৰ নাম গুৱাহাটী হয়। আনহাতে গুৱাহাটী নামটো অসমীয়া ভাষাৰ দুটা শব্দ 'গুৱা' (অৰ্থ—তামোল) আৰু 'হাট'ৰ (অৰ্থ—বজাৰ) পৰা উদ্ভৱ হৈছে বুলিও কিছু লোকে মত পোষণ কৰে। আন এক তথ্য অনুসৰি এই নগৰৰ কেউফালে পাহাৰে আগুৰি থকাৰ কাৰণে ইয়াক গুহা যেন দেখি। এই গুহা নামৰ পৰাই গুৱাহাটী হৈছে বুলিও ধাৰণা কৰা হয়।

বৃটিছ ঔপনিৱেশিক কালত এই নামটো গৌহাটী বুলি কোৱা হৈছিল। ইংৰাজসকলে যিয়েই যেনে ধৰণে উচ্চাৰণ কৰিছিল, তেনে ধৰণেই ইংৰাজীত গুৱাহাটী বানান লিখিছিল। হাণ্টাৰ আৰু বুৰঞ্জীবিদ গেইট চাহাবে গুৱাহাটীক গৌহাটী (Gauhati), কেপ্টেইন ওৱেলছ, ৰবিনছন আৰু মিলছে গৌহাট্টী (Gowhatti), হেমিল্টনে গোহাটী (Gohati) আৰু মেকছে গোহাট্টী (Gohatti) বুলি লিখিছিল। বিংশ শতিকাৰ পিছৰ ফালে গুৱাহাটীৰ ইংৰাজী বানান চৰকাৰীভাৱে Guwahati কৰা হয়। তাৰ আগলৈকে হাণ্টাৰ আৰু বুৰঞ্জীবিদ গেইটে লিখা Gauhati বানানেই প্ৰচলিত হৈ আছিল। আনকি কিছু ক্ষেত্ৰত অসমীয়াতো গৌহাটী বুলিহে লিখা হৈছিল।

এই নগৰৰ নাম প্ৰাগজ্যোতিষপুৰৰ পৰা গুৱাহাটী কেতিয়া হ'ল, সেই বিষয়ে সঠিককৈ ক'ব পৰা নাযায়। কিন্তু ১৭ শতিকামানৰ পৰা এই নামৰ প্ৰচলন হৈছিল বুলি বুৰঞ্জীবিদে ধাৰণা কৰে। মিন্হাজৰ 'তবকাত ই নাচিৰী' নামৰ কিতাপখনত এই নগৰৰ নাম গুৱাহাটী বুলি প্ৰথমবাৰৰ বাবে উল্লেখ কৰা হৈছিল। আহোমৰ দিনৰে পৰা এই নামটোৰ প্ৰচলন আছিল যদিও ইংৰাজ অহাৰ আগলৈকে গুৱাহাটী নামটো মোগলেহে বেছিকৈ ব্যৱহাৰ কৰা দেখা গৈছিল।

বৰ্তমানৰ গুৱাহাটী চহৰ উত্তৰ-পূব ভাৰতৰ এক প্ৰধান বাণিজ্যিক আৰু শৈক্ষিক কেন্দ্ৰ। ইয়াত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ দৰে বিশ্বস্তৰৰ শিক্ষানুষ্ঠানৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয়ৰ দৰে গুৰুত্বপূৰ্ণ শিক্ষানুষ্ঠান আছে। উত্তৰ-পূব ভাৰতৰ অন্য স্থানসমূহলৈ যাবৰ বাবে গুৱাহাটীয়ে প্ৰধান বিকল্প। সেয়েহে ইয়াক উত্তৰ-পূব ভাৰতৰ প্ৰবেশদ্বাৰ বুলিও কোৱা হয়। গুৱাহাটীৰ পৰ্য্যটনস্থলীসমূহেও বিশ্বৰ বিভিন্ন ঠাইৰ পৰ্য্যটকক আকৰ্ষণ কৰি আহিছে। কামাখ্যা দেৱালয়, উমানন্দ মন্দিৰ, নৱগ্ৰহ মন্দিৰ, শুক্ৰেশ্বৰ মন্দিৰ, বশিষ্ঠাশ্ৰম, দৌল গোবিন্দ মন্দিৰ, উগ্ৰতাৰা দেৱালয় আদি গুৱাহাটীৰ অন্যতম প্ৰধান উল্লেখনীয় পৰ্য্যটন ক্ষেত্ৰ। ❖

# চন্দ্ৰত পানীৰ সন্ধান

■ নম্ৰতা কাশ্যপ
সপ্তম শ্ৰেণী



সময়ৰ গতিৰ লগে লগে মানুহে মহাকাশৰ বিভিন্ন ৰহস্য উদ্‌ঘাটন কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। বিজ্ঞানীসকলে মহাকাশ তথা জ্যোতিষ্কবোৰৰ বিষয়ে জানিবলৈ নিৰন্তৰ গৱেষণা চলাই আছে। এই ক্ষেত্ৰত আমাৰ ভাৰতবৰ্ষও বহু আগ বাঢ়িছে। ভাৰতবৰ্ষৰ মহাকাশ অভিযানৰ ইতিহাসৰ এক উল্লেখযোগ্য দিন হৈছে ২২ অক্টʼবৰ, ২০০৮ চন। সেই দিনটোতে প্ৰথমখন মহাকাশযান চন্দ্ৰলৈ পঠিওৱা হৈছিল। ইয়াৰ নাম আছিল চন্দ্ৰযান-১ (Chandrayan-1)। এই মহাকাশযানখনৰ দ্বাৰা ভাৰতৰ মহাকাশ গৱেষণা সংস্থা ইছৰʼৱে (ISRO) এনেকুৱা গুৰুত্বপূৰ্ণ উদ্‌ঘাটন কৰিছিল, যিয়ে সমগ্ৰ বিশ্বতেই এক আলোড়নৰ সৃষ্টি কৰিছিল। প্ৰত্যেক ভাৰতীয়ৰ বাবে ই আছিল এক অতি গৌৰৱৰ মুহূৰ্ত। এই অভিযানৰ যোগেদি ভাৰতে গোটেই বিশ্বক আচৰিত কৰি তুলিছিল। চন্দ্ৰৰ মাটিত অৱতৰণ কৰাৰ ক্ষেত্ৰত ভাৰতবৰ্ষই চতুৰ্থ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছিল। বিশ্বৰ সকলো মানুহেই যেতিয়া অবাক হৈ ভাবিবলৈ ধৰিছিল যে কেনেদৰে ভাৰতে প্ৰথম চেষ্টাতে চন্দ্ৰত অৱতৰণ কৰিবলৈ সক্ষম হʼল, তেনে সময়তে চন্দ্ৰযানে এনেকুৱা এক তথ্য উদ্‌ঘাটন কৰিলে যিটোৱে মানুহক ভাবিবলৈ বাধ্য কৰাইছিল যে ‘নাছা’ (NASA) আদিৰ দৰে বিখ্যাত মহাকাশ গৱেষণা সংস্থাতকৈ ভাৰতৰ ইছৰʼও কোনোগুণেই কম নহয়। এই চন্দ্ৰযানৰ উদ্দেশ্য আছিল যিমানদূৰ সম্ভৱ চন্দ্ৰৰ বিষয়ে বৈজ্ঞানিক তথ্য সংগ্ৰহ কৰি পৃথিৱীলৈ পঠিওৱা।

২০০৮ চনৰ ১৪ নৱেম্বৰত চন্দ্ৰযানৰ লগত পঠিওৱা এটা যন্ত্ৰৰ সহায়ত চন্দ্ৰৰ পৃষ্ঠভাগত অৱস্থিত খনিজ পদাৰ্থৰ অনুসন্ধান কৰা হৈছিল। এই অনুসন্ধানৰ তথ্য বিশ্লেষণ কৰি পাছত চন্দ্ৰৰ দুই মেৰুত পানীৰ এক ভাণ্ডাৰ থকা বুলি জানিব পৰা গৈছিল। ইছৰʼৰ এই দাবীক নাছাই প্ৰথম অৱস্থাত নস্যাৎ কৰিছিল। কিন্তু ২০০৯ চনত নাছাই ‘লুনাৰ ৰেকʼনৈইছেন্‌ছ’ (Lunar reconnaisance) নামেৰে এখন মহাকাশযান পঠিয়াই চন্দ্ৰৰ পৃষ্ঠত পানীৰ অনুসন্ধান কৰে, তেতিয়া নাছায়ো চন্দ্ৰত পানীৰ অস্তিত্বৰ উমান পায়।

২০১৩ চনত ‘নাছা’ই ৰবট ব্যৱহাৰ কৰি আন এটা চন্দ্ৰ অভিযান আৰম্ভ কৰিছিল। তেওঁলোকে এই অভিযানত ধৰা পেলাইছিল যে চন্দ্ৰপৃষ্ঠৰ তলত ৩ৰ পৰা ১০ ফুট গভীৰতাত পানীৰ অস্তিত্ব আছে। কিন্তু চন্দ্ৰত পোৱা এই পানীৰ পৰিমাণ পৃথিৱীৰ তুলনাত কম। লগতে এই পানী আন প্ৰাণী আৰু মানুহৰ বাবে বিষাক্ত তথা ক্ষতিকাৰক। এক তথ্য অনুসৰি জানিব পৰা গৈছে যে এবাৰ এগৰাকী বিজ্ঞানীয়ে চন্দ্ৰৰ পৰা অনা মাটি আৰু পানীৰ বিষয়ে গৱেষণা কৰি আছিল। তেনে অৱস্থাত সেই মাটি বিজ্ঞানীগৰাকীৰ দেহত প্ৰৱেশ কৰিছিল। লগে লগে তেওঁৰ দেহত সেই মাটিৰ বিষক্ৰিয়া হʼবলৈ ধৰিছিল। তেওঁৰ ছালত খজুৱতি হʼবলৈ ধৰিছিল, ছাল জ্বলা-পোৰা কৰিবলৈ ধৰিছিল। গতিকে কʼব পাৰি যে চন্দ্ৰৰ পানী আৰু মাটি পৃথিৱীৰ জীৱৰ বাবে অনিষ্টকৰ। তথাপি চন্দ্ৰত পানীৰ সন্ধান পোৱা কথাটো মানুহৰ বাবে এক তাৎপৰ্য্যপূৰ্ণ ঘটনা। ❖

# Sorry 2050...

## ■ Maira Bordoloi
Class V

We're killing the earth
And that's really 'fun'
No one believes us
Because we are young!
Our forests are turning
to ashes in a second
Global warming is an
expensive little hoax
For the last time
That's not a joke!!
Our factories are working
and emitting
The ozone is crumbling
and we won't stop putting
chemicals in what we're
trying to breathe!!
Our future is stolen,
and we are the thieves...
Sea levels are rising
and the icebergs are melting
The coral reefs are dying
and no one is helping!
Do you realize, to keep the
oceans alive started
back in 1985...
Year 2050 I don't think
we are going to
survive!!
If you end up hearing
this story
I just want to say
I am sorry... ❖




# কণমানি চৰাই

## ■ উজ্জ্বীৱন তালুকদাৰ
ষষ্ঠ শ্ৰেণী

শুনা অ' চৰাই
কণমানি চৰাই
উৰি উৰি যোৱা ক'লৈ
সদায় সদায়।
ঘৰচিৰিকা, ভাটৌ, মইনা
সকলোৰে একেই কৰা
ভুৰুংকৈ গুচি গ'লে
মই হে পৰোঁ
কিমান যে অকলশৰীয়া।
খেৰ-কুটা আনি আনি
কিমান যে কষ্ট কৰি
সাজি লোৱা ঘৰ এখনি,
কণী পাৰি পোৱালি জগাই
টোপ খুৱাই ডাঙৰ কৰা
নিজৰ নিজৰ সতি-সন্ততিক।
চাই লওঁ থৰ লাগি
প্ৰকৃতিৰ এই সৃষ্টি।
বতাহ-বৰষুণ আহিলে
ভগৱানক চিন্তো, নিৰন্তৰে
তোমালোকক যেন কুশলে ৰাখে।
তোমালোকৰ স'তে
শান্তিত থাকিব খোজোঁ
ভাই-ভনীৰ দৰে। ❖

# জীয়া শিল

■ **বাস্তৱ দাস**
সপ্তম শ্ৰেণী




সন্ধ্যা লাগি ভাগিছে। আইচিইউৰ ওচৰৰ ৱেইটিং এৰিয়াত বহি আছে সৃজন। তাৰ দৃষ্টিৰ সীমা আইচিইউৰ আইনাৰ মাজেৰে দেখা পোৱা বিছনাখন আৰু ষ্টেণ্ডত ওলমি ৰোৱা ছেলাইনৰ আধা শেষ হোৱা বটলটো। বিছনাত সেয়া ২৬ বছৰীয়া সম্পৰ্ক এটাই যুঁজি আছে ইপাৰ-সিপাৰৰ মাজত। নিমিষ পেলালেই যেন শেষ হৈ যাব পাৰে ইপাৰ-সিপাৰৰ মাজৰ ক্ষীণ ৰেখাডাল।

বহু সময় একেটা ভাঁজতে বহি থাকি ডিঙিটোত তীব্ৰ বিষ এটা উঠি আহিছে তাৰ। ডিঙিটো সামান্য পোনাই লৈ পিছফালৰ বেৰত মূৰটো পেলাই দিলে সি। মাকলৈ মনত পৰিল তাৰ, দুপৰীয়াৰ ভাতকেইটা মানুহজনীয়ে খালে নে নাই বা ! অজানিতে লংপেণ্টৰ পকেটলৈ হাত গ'ল তাৰ। ছেঃ, চাহ একাপৰ বৰ প্ৰয়োজন আছিল। হিচাপবোৰ খেলি-মেলি হৈ গৈছে ডাক্তৰৰ শেষ কথাখিনিৰ পৰা। চকু দুটা মুদি দিয়াৰ লগে লগে এফালৰ পৰা ঘটনাবোৰ তাৰ মগজুত ফ্লেচ্ছ বেকৰ দৰে পাকঘূৰণি খাবলৈ ধৰিলে। ঘৰত আলঝেইমাৰত ভোগা মাক, আনহাতে সংসাৰৰ দায়িত্বই জুৰুলা কৰা দুৰ্বল পিতাক আইচিইউৰ বিছনাত। সাঁচতীয়া পইচা প্ৰায় শেষ, ঘৰুৱা টিউচ্ছন কৰি পোৱা মাহৰ মূৰৰ পইচাখিনিৰে মাকৰ চিকিৎসাই সম্পূৰ্ণকৈ কৰিব নোৱৰা সি আকৌ পিতাকক সুস্থ কৰি তুলিব কিদৰে?

ডাক্তৰে কৈ গৈছে আইচিইউৰ খৰচ দিনৰ হিচাপত বাঢ়ে। অক্সিজেন দি থাকিলে পিতাকে আৰু কিছুদিনৰ জীৱন হয়তো বেছিকৈ জীয়াব; কিন্তু অক্সিজেনৰ খৰচ আছে। জীৱনৰ বিনিময়ত অক্সিজেনৰ খৰচ থাকিবই। সি বুজি পায়। বিজ্ঞানৰ মেধাৱী, জিজ্ঞাসু ছাত্ৰ আছিল সৃজন। ওচৰৰ নামঘৰৰ পৰা দবাৰ শব্দ ভাহি আহিছে। সৃজনৰ ওঁঠৰ ফাঁকেৰে বেঁকা হাঁহি এটা ওলাই আহিল। ঈশ্বৰৰ অস্তিত্বত একেবাৰে বিশ্বাস নকৰে সি আজিকালি। ৰোগ, শোক, কষ্ট, চেষ্টা, ব্যৰ্থতা, হতাশা সকলো মধ্যবিত্তৰ আৰু ভগৱান ধনী মানুহৰ, সি ভাবে। ডাক্তৰৰ কথাখিনি ঘূৰি ঘূৰি তাৰ মনলৈ আহি থাকিল, পিতাকৰ জীৱন নে পিতাকৰ বিদায় !

অপৰাধবোধত ভুগিব খোজে সি। কেনেকৈ বিদায় দিব পাৰিব ছাঁ হৈ থকা পিতাকক। তাৰ মন যায় পাৰিলে নিজৰ উশাহ ধাৰলৈ দি পিতাকক ওভতাই আনিব। নোৱাৰে ! ব্যৰ্থ ! বাকী থকা সাঁচতীয়া টকাখিনিৰে কিনি ল'ব নেকি পিতাকৰ আৰু কিছুদিনৰ জীৱন? ছেগা-চোৰোকাকৈ মাকৰ মুখখন মনলৈ আহি থাকিল তাৰ। সি লাহে লাহে কথাবোৰ ভাবিব নোৱৰা হৈ আহে। সৰুতে শুনা চম্পাৱতীৰ অজগৰডালে যেন গিলি আহিছে ক্ৰমশঃ, সি লৰচৰ কৰিব পৰা নাই।

টিংকৈ অহা ম'বাইলৰ ন'টিফিকেছনৰ শব্দত পুনৰ দিঠকলৈ উভতিল সৃজন। ছাত্ৰ নিশান্তই এটা প্ৰশ্ন সুধিছে—

'Two roads diverged in a wood, and I'
'I took the one less' travelled by',
'And that has made all the difference.'


—ছাৰ ইয়াত কবিয়ে আনে নোযোৱা বাটটোহে কিয় ল'লে? ব্যতিক্ৰমী বাটবোৰ কষ্টকৰ হয় নেকি?

হঠাৎ যেন বহু কথাৰ উত্তৰ পাই গ'ল সৃজনে। মনৰ ধুমুহাবোৰ সামৰি সি বহাৰ পৰা উঠি খোজ ল'লে হাস্পতালৰ দীঘল কৰিড'ৰৰ বাটটোৰেদি। এইবাৰ তাৰ উভতি চাবৰ মন নগ'ল আইনাখনৰ মাজেৰে।

বিছনাৰ ওপৰৰ ষ্টেণ্ডডালত তেতিয়া ছেলাইন শেষ হ'বলৈ বৰ কম সময়ৰ বাট বাকী আছিল। সৃজনৰ সন্মুখত অকলে খোজ দিবলৈ বহুত দীঘল বাট এটা পৰি আছিল... ! ❖

# Sushruta : The Father of Surgery

■ **Swargam Talukdar**
Class IX



"The art of surgery is a divine science, which saves lives and alleviates suffering."

Sushruta, a renowned Indian physician and surgeon, lived around 600 BCE. He was born in Varanasi, India. He studied Ayurveda, the ancient Indian system of medicine and quickly excelled in surgery. At that time, a knowledgeable person was called a sadhu or maharshi. Like that Sushruta was also a maharshi. He took medicine lessons from Raja Kashi Devodas and he became a veda. Being a 'veda' he treated the injured people in the wars and looking at the people in that war time inspired him to do surgery. With that he could perform surgery on broken limbs of soldiers. Also at that time, the king used to cut off the noses of criminals for any major crime. That's why he invented rhinoplasty surgery, Sushruta has described surgery under eight heads : Chedya, Lekhya, Vedhya, Esya, Ahrya, Vsraya and Sixya. Sushruta described over 100 instruments, including forcep, scalpels and needles, many of which are still used in modified forms.

He pioneered procedures like– cataract surgery, ophthalmic, laparotomy, amputations, skin grafting etc. Not only that he also taught his students about the surgeries, human bodies etc. He wrote in his Sushruta Samhita' that he performed reconstructive nose surgery using skin flaps from the forehead.

His teachings were translated into various languages. His work was also studied and built upon by Arab and European surgeons during the middle ages. Dr. Hessler translated 'Sushruta Samhita' in Latin and Max Muller in German. In 1907, at Calcutta Kaviraj Kunja Lal translated 'Sushruta Samhita' in English. The 'Los Angeles Country Museum of Art', US, there is a script of 'Sushruta Samhita' still kept in that institution. Because of Sushruta the ancient India around 600 BCE is known as the golden age of surgery. Also, the American surgeon Dr. Allen Whipple said that–

"All in all, Sushruta must be considered the greatest surgeon of pre-medieval period." Sushruta means well heard, or good reputation. He proved his name with his work.

Sushruta's pioneering contributions to surgery have left an indelible mark on Indian medical history and he earned the title of the "Father of Surgery." ❖

# কুমাৰটুলি

■ জুৰি গোস্বামী



আমাৰ দেশ ভাৰতবৰ্ষ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতি, ৰীতি-নীতি-পৰম্পৰাৰে সমৃদ্ধ এখন ধৰ্ম নিৰপেক্ষ দেশ। হিন্দু, ইছলাম, শিখ, বৌদ্ধ আদি বিভিন্ন ধৰ্মাৱলম্বী লোকৰ বসতিস্থল ভাৰতবৰ্ষত জাতি-ধৰ্ম-বৰ্ণ-স্থান বিশেষে বিভিন্ন উৎসৱ পালন কৰা হয়। বিশেষকৈ হিন্দু ধৰ্মাৱলম্বী সৰহসংখ্যক লোকে বিভিন্ন দেৱ-দেৱীৰ সাকাৰ ৰূপ এটা কল্পনা কৰি সেইমতে ধাতু বা মৃণ্ময় মূৰ্তি প্ৰতিষ্ঠা কৰি সেই মূৰ্তিৰ সন্মুখত ধূপ-ধূনা জ্বলাই বিভিন্ন পদ্ধতিৰে পূজা-অৰ্চনা কৰাৰো পৰম্পৰা চলি আহিছে। আমাৰ নিকটৱৰ্তী ৰাজ্য পশ্চিমবংগত এই পৰম্পৰা বহুলভাৱে সমাদৃত। তাত বাৰটা মাহত তেৰটা পূজা হয় বুলি এটা প্ৰবাদেই আছে। দুৰ্গা পূজা, লক্ষ্মী পূজা, শ্যামা পূজা, গণেশ পূজাকে আদি কৰি বিভিন্ন পূজা- পাতল জাক-জমকতাৰে অনুষ্ঠিত কৰা দেখা যায়। মৃণ্ময় মূৰ্তিক পূজা কৰা পৰম্পৰাও তাত অন্য ঠাইতকৈ বেছি। বিশেষকৈ দুৰ্গা পূজাৰ সময়ত সমগ্ৰ পশ্চিমবংগ লোকে লোকাৰণ্য হৈ উঠা পৰিলক্ষিত হয়। অলিয়ে-গলিয়ে আনকি বহু মানুহৰ ঘৰে ঘৰেও পৰম্পৰাগতভাৱে সুদৃশ্য মৃণ্ময় মূৰ্তিৰ সন্মুখত দুৰ্গা পূজা কৰা দেখা যায়। তেনে এক পৰম্পৰাৰ আঁত ধৰি পশ্চিমবংগৰ কলকাতা চহৰৰ উত্তৰ অংশত অৱস্থিত এটা অঞ্চল ‘কুমাৰটুলি’য়ে এক স্বকীয় পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। পূৰ্বৰ পৰাই এই অঞ্চলত বসবাস কৰা লোকসকলৰ মৃৎ শিল্পৰ দক্ষতা সৰ্বজনবিদিত। কুমাৰটুলি নামটোতে তাৰ অৰ্থ নিহিত হৈ আছে। কুমাৰ মানে মাটিৰ কাম কৰা মানুহ। পৰম্পৰাগতভাৱে মৃণ্ময় মূৰ্তি তৈয়াৰ কৰি জীৱিকা নিৰ্বাহ কৰা পৰিয়ালৰ সংখ্যা এই এলেকাত পাঁচশৰো অধিক বুলি জানিব পৰা যায়। তেওঁলোকে প্ৰস্তুত কৰা মূৰ্তি কলকাতা চহৰৰ নব্বৈ শতাংশ পূজাতে ব্যৱহাৰ কৰাৰ উপৰি ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তলৈ সৰবৰাহ হয়। আনকি অন্য বিভিন্ন ৰাষ্ট্ৰ, যেনে—আমেৰিকা, ইউৰোপ, আফ্ৰিকা আদিত বাস কৰা হিন্দু সম্প্ৰদায়ৰ বিভিন্ন ব্যক্তি তথা অনুষ্ঠান আদিলৈও ৰপ্তানি হয় কুমাৰটুলিত প্ৰস্তুত কৰা মূৰ্তি। সৰু আকাৰৰ পৰা বৃহৎ আকাৰলৈ প্ৰস্তুত কৰা সাজ-সজ্জা, আ-অলংকাৰেৰে ভৰপূৰ এই চালে-চকুৰোৱা উজ্জ্বল মূৰ্তিসমূহৰ সকলো কাম অৰ্থাৎ জুমুঠি তৈয়াৰ কৰাৰ পৰা আৰম্ভ কৰি তাত ব্যৱহৃত মাটি সংগ্ৰহ কৰা, ৰং কৰা, বস্ত্ৰ, অলংকাৰ তৈয়াৰ কৰা আদিও কাম শিল্পীসকলে কোনো আধুনিক সৰঞ্জাম ব্যৱহাৰ নকৰাকৈ নিজ হাতেৰে কৰে। সেয়ে কুমাৰটুলি গাঁওখনে এক স্বকীয় বৈশিষ্ট্য বহন কৰিছে। মূৰ্তি নিৰ্মাণৰ পৰম্পৰা আজিৰ নহয়। ১৬০৬ চনতে বংগদেশত দুৰ্গা পূজা আৰম্ভ হৈছিল। তেতিয়া বৰ্তমানৰ কুমাৰটুলিত তেওঁলোকৰ বাসস্থান নাছিল। ১৭৫৭ চনৰ পলাশী যুদ্ধত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিজয়ৰ পাছত ফৰ্ট উইলিয়াম দুৰ্গ নিৰ্মাণৰ বাবে কলিকতাৰ সেই স্থানৰ অধিবাসীসকলক বিভিন্ন স্থানলৈ স্থানান্তৰিত কৰাৰ সিদ্ধান্ত লোৱা হয়। সেই মৰ্মে পেছাভিত্তিক বিভিন্ন বৃত্তিৰ মানুহবোৰক একো একোটা এলেকাত সংস্থাপিত কৰা হৈছিল। তাৰ পৰিপ্ৰেক্ষিতত চুৰিপাৰা (সুৰা বিক্ৰেতাৰ স্থান), কালাটোল্লা (তেল ব্যৱসায়), চট্টাৰপাৰা (কাঠমিস্ত্ৰিৰ কাম কৰাসকল), আহিৰটোলা (গৰুৰ গাখীৰ আদিৰ লগত জড়িত) আৰু কুমাৰটুলি (মৃৎ শিল্পৰ লগত

জড়িত) আদি অঞ্চল গঠন হয়। লাহে লাহে উত্তৰ কলকাতাৰ বিভিন্ন মৃৎ শিল্পী নোহোৱা হ'ল বা কমি আহিল। কিন্তু কুমাৰটুলিৰ মৃৎ শিল্পৰ লগত জড়িতসকলে এই পৰম্পৰা ধৰি ৰাখিবলৈ সক্ষম হ'ল। তেওঁলোকে ধনী সম্প্ৰদায়ৰ পূজা-পাতলৰ বাবে দেৱ-দেৱীৰ প্ৰতিমা নিৰ্মাণ কৰা আৰম্ভ কৰিলে। আনহাতে সাৰ্বজনীনভাৱে অনুষ্ঠিত কৰা পূজাৰ বাবেও কুমাৰটুলিৰ পৰাই সকলোৱে প্ৰতিমা সংগ্ৰহ কৰিছিল। কালক্ৰমত ১৯৫০ চনমানৰ পৰা কুমাৰটুলিৰ ভাস্কৰ্য্য আৰু মূৰ্তি নিৰ্মাণৰ ব্যৱসায়ৰ নতুন যাত্ৰা আৰম্ভ হয়। স্বকীয়ভাৱে কুমাৰটুলিৰ শিল্পীসকলে প্ৰস্তুত কৰা মূৰ্তিৰ চাহিদা ইমানেই বৃদ্ধি হ'ল যে বৰ্তমানে ই পৰ্য্যটন ক্ষেত্ৰৰ দাবী কৰিব পৰা হৈছে।

বৰ্তমানৰ পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে কুমাৰটুলিৰ মৃৎ শিল্পক অধিক উন্নীতকৰণৰ বাবে বিশেষ পৰিকল্পনা কৰিছে। সম্পূৰ্ণ হস্তনিৰ্মিত মৃণ্ময় মূৰ্তিসমূহৰ লগত জড়িত শিল্পীসকলে যাতে কম সময়ৰ ভিতৰত অধিক মুনাফা লাভ কৰি অধিক উন্নতমানৰ মূৰ্তি তৈয়াৰ কৰি স্বচ্ছল জীৱন নিৰ্বাহ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি ড্ৰিল মেচিন, স্প্ৰে মেচিন, এয়াৰ কম্প্ৰেছৰ আদি আধুনিক সৰঞ্জাম যোগান ধৰা হৈছে। কিন্তু এচাম শিল্পীয়ে যন্ত্ৰৰ ব্যৱহাৰে তেওঁলোকৰ স্বকীয়তা নষ্ট কৰিব বুলি আৰু হাতে-গঢ়া প্ৰতিমাৰ নিজস্ব শৈলী চিৰকালৰ বাবে হেৰাই যাব বুলি আশংকা কৰিছে। কিন্তু ব্যাৱসায়িক দৃষ্টিকোণৰ পৰা এনে আঁচনিয়ে তেওঁলোকৰ শিল্পকৰ্মক অধিক নিখুঁতভাৱে আগুৱাই নিয়াত যথেষ্ট সহায় কৰিব। বৰ্তমান সময়ত দুৰ্গা পূজাৰ আগৰ পৰাই কুমাৰটুলি গাঁও চাবলৈ বিভিন্ন ঠাইৰ পৰা মানুহৰ সমাগম হয়। কুমাৰটুলিৰ কুমাৰ চুবুৰীৰ উপৰি দুৰ্গা পূজাৰ নান্দনিকভাৱে সজোৱা পেণ্ডেলবোৰেও পৰ্য্যটকক আকৰ্ষণ কৰে। বংশানুক্ৰমিকভাৱে চলি অহা মৃৎ শিল্পক কেন্দ্ৰ কৰি গঢ়ি উঠা কুমাৰটুলি বিশ্ব পৰ্য্যটন ক্ষেত্ৰ হিচাপে স্বীকৃতি পোৱাৰ সম্ভাৱনা নিশ্চয় আছে। ❖

# 'নেহৰু' উপাধি বিভ্ৰাট

**■ ৰঘুনাথ কুমাৰ**

স্বাধীন ভাৰতৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ নাম আৰু তেওঁৰ পূৰ্বপুৰুষসকলৰ ইতিহাসক লৈ বিভিন্ন সময়ত বিভিন্ন মাধ্যমত বিতৰ্ক হোৱা দেখিবলৈ পোৱা যায়। কোনোৱে তেওঁৰ পূৰ্বপুৰুষ মোগল বুলি কয়, আকৌ কোনোৱে নেহৰু উপাধিটো অযুক্তিকৰ বুলি কয়। তেওঁলোকৰ মতে নেহৰু উপাধি ভাৰতৰ কোনো ৰাজ্যতে উপলব্ধ নহয়। আকৌ যদিহে নেহৰু কাশ্মীৰী পণ্ডিত আছিল তেতিয়াহ'লে তেওঁলোকৰ গোত্ৰৰ নাম কি আছিল? ইত্যাদি প্ৰশ্ন সময়ে সময়ে উত্থাপিত হৈ আহিছে।

এই আটাইবোৰ প্ৰশ্নৰ উত্তৰ বা সমিধান বিচাৰি গ'লে গম পোৱা যায় যে বিভিন্ন মাধ্যমত উত্থাপিত এই প্ৰশ্নবোৰৰ কোনো বাস্তৱ ভিত্তি নাই। এইবোৰ সম্পূৰ্ণ সন্দেহৰ ভিত্তিত মনেসজা কথাহে মাত্ৰ।

কিয়নো নেহৰুৱেই স্পষ্টভাৱে তেওঁৰ আত্মজীৱনীত তেওঁৰ ওপৰত উত্থাপিত এই আৰোপসমূহ খণ্ডন কৰিছে। তেওঁ আত্মজীৱনীৰ প্ৰথম পৃষ্ঠাতেই এই কথা স্পষ্ট কৰি দিছে। তেওঁ আত্মজীৱনীখন ১৯৩৪ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা ১৯৩৫ৰ সময়ছোৱাত কাৰাগাৰৰ ভিতৰত লিখিছিল। তেওঁ কৈছে যে তেওঁলোক প্ৰকৃততে কাশ্মীৰী লোক। তেওঁৰ পূৰ্বপুৰুষ ১৮ শতিকাৰ আৰম্ভণিতে ধন আৰু যশ লাভৰ বাবে কাশ্মীৰৰ পাৰ্বত্য অঞ্চলৰ পৰা সাৰুৱা সমভূমি অঞ্চললৈ নামি আহিছিল। ১৮ শতিকাৰ আৰম্ভণিতে মোগল সাম্ৰাজ্য লাহে লাহে পতনৰ দিশে অগ্ৰসৰ হৈছিল। সেই সময়ত মোগলৰ বাদশ্বাহ আছিল 'ফৰুখচিয়াৰ'।

নেহৰুৰ যিগৰাকী পূৰ্বপুৰুষ প্ৰথমেই ভৈয়ামলৈ নামি আহিছিল তেওঁৰ নাম আছিল ৰাজকৌল।



আত্মজীৱনীখনৰ মতে ফৰুখচিয়াৰ যেতিয়া কাশ্মীৰলৈ গৈছিল তেতিয়া তেওঁৰ সাক্ষাৎ ৰাজকৌলৰ লগত হৈছিল আৰু মোগল বাদশ্বাহ 'ফৰুখচিয়াৰ'ৰ আমন্ত্ৰণক্ৰমে ৰাজকৌল কাশ্মীৰৰ পৰা দিল্লীলৈ গুচি আহিছিল। দিল্লীলৈ অহাৰ পাছত ৰাজকৌলৰ পৰিয়ালটোক কিছু সা-সম্পত্তি, মাটি-বাৰী আৰু এটি ঘৰ দি সংস্থাপন কৰা হয়। নেহৰুৱে আত্মজীৱনীত লিখিছে যে ৰাজকৌলৰ পৰিয়ালটোক যিটো ঘৰত থাকিবলৈ দিছিল সেই ঘৰটো চহৰৰ জল মাৰ্গ (হিন্দীত 'নহৰ') এটাৰ দাঁতিত আছিল। সেয়েহে তেওঁলোকৰ পূৰ্বপুৰুষৰ প্ৰদত্ত উপাধি কৌলৰ লগতে নেহৰু উপাধিটো সংযোগ হ'ল। যিটো পাছলৈ গৈ 'কৌল নেহৰু' হ'ল আৰু শেষৰ ফালে কৌল উপাধিটোও নোহোৱা হোৱাত কেৱল নেহৰু উপাধিটো থাকি গ'ল।

জৱাহৰলাল নেহৰুৰ মতে এইখিনি সময়তে তেওঁলোকৰ পূৰ্বপুৰুষৰ পৰিয়ালটো ছেদেলি-ভেদেলি হৈ পৰিল। অৰ্থাৎ ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ পাছত তেওঁলোক ছিন্ন-ভিন্ন হৈ পৰিল। সকলোবোৰ হেৰুৱাই সৰ্বস্বান্ত হৈ তেওঁলোক আগ্ৰাত গৈ থাকিবলৈ ল'লে। আগ্ৰাতেই তেওঁৰ দেউতাক মতিলাল নেহৰুৰ জন্ম হৈছিল। মতিলাল নেহৰুৰ দুজন ডাঙৰ ভায়েক আছিল। এগৰাকীৰ নাম বংশীধৰ। তেওঁক জৱাহৰলালে ডাঙৰ খুড়া বুলি মাতিছিল। তেওঁ বৃটিছ চৰকাৰৰ ন্যায় বিভাগত চাকৰি কৰিছিল। অন্যগৰাকী খুৰাক আছিল নন্দলাল নেহৰু।

জৱাহৰলাল নেহৰুৰ খুৰাক নন্দলাল নেহৰুৱে প্ৰথমতে আগ্ৰাত ওকালতি কৰিবলৈ আৰম্ভ কৰে যদিও তাৰ হাইক'ৰ্টখন এলাহাবাদলৈ স্থানান্তৰিত হোৱাত তেওঁলোকো গৈ এলাহাবাদত থাকিবলগীয়া হয়। আকৌ কাণপুৰ আৰু এলাহাবাদ কলেজৰ পৰা গ'ল্ড মেডেল (স্বৰ্ণ পদক) সহিতে উত্তীৰ্ণ হৈ মতিলাল নেহৰুৱেও কাণপুৰৰ জিলা আদালতত ওকালতি আৰম্ভ কৰিবলৈ ধৰে। প্ৰায় তিনি বছৰ কাণপুৰত ওকালতি কৰাৰ পাছত তেওঁ এলাহাবাদ হাইক'ৰ্টত ওকালতি আৰম্ভ কৰে। এই সময়তে ককায়েক নন্দলালৰ মৃত্যু হোৱাত তেওঁৰ সকলো কেছ মতিলাল নেহৰুৰ হাতলৈ আহে। জৱাহৰলাল নেহৰুৰ জন্মও ১৮৮৯ চনৰ ১৪ নৱেম্বৰত এলাহাবাদ নগৰতেই হয়। এনেবোৰ কথাৰে নেহৰুৱে তেওঁৰ আত্মজীৱনীৰ জৰিয়তে তেওঁলোকৰ বংশ আৰু পূৰ্বপুৰুষ সম্পৰ্কে নিজৰ বক্তব্য দাঙি ধৰিছে। ❖

## কুইজৰ উত্তৰসমূহ

১। লালকিল্লা ২। ৰঞ্জী ট্ৰফীৰ ইতিহাসত ৬০০০ ৰান আৰু ৪০০ উইকেট দখল কৰা প্ৰথম খেলুৱৈ হোৱাৰ কৃতিত্ব ৩। চাৰ্লি চেপলিন ৪। কেমব্ৰিজ বিশ্ববিদ্যালয়ৰপৰা ৰেংলাৰ হোৱা প্ৰথমগৰাকী অসমীয়া ৫। স্কুল। school. ৬। কাৱেৰী ৭। এই দুখন সাহিত্য সভাত সভাপতি পদত অধিষ্ঠিত হৈছিল মহিলা সাহিত্যিক। নলিনীবালা দেৱী আৰু ড° নিৰ্মলপ্ৰভা বৰদলৈ ৮। টিংকল ৯। সাহিত্যৰ ন'বেল বঁটা। তেওঁৰ নাম হান কাং ১০। প্ৰণৱজ্যোতি নাথ ১১। প্ৰথম ভাৰতীয় মহাকাশ পৰ্যটকৰূপে ১২। হৰভজন সিং। টেষ্ট ক্ৰিকেটত হেটট্ৰিক ১৩। শব্দ। (words) ১৪। লুই ব্ৰেইলৰ জন্মদিন উপলক্ষে ১৫। গণতন্ত্ৰ মণ্ডপ ১৬। নৃত্যাচাৰ্য যতীন গোস্বামীৰ ১৭। ভাৰ্গিছ কুৰিয়েন ❖

# ভাৰতৰ প্ৰথমটো কৃষক বিদ্ৰোহ—ফুলগুৰিৰ ধেৱা

■ নৱনীতা কলিতা



১৮৫৭ চনৰ চিপাহী বিদ্ৰোহে ভাৰতীয় জনতাৰ মনত ৰোপণ কৰি যোৱা জাতীয়তাবাদ তথা সংগ্ৰামৰ বীজটিত দুই পাত মেলিছিল ফুলগুৰি ধেৱাৰ বিখ্যাত কৃষক বিদ্ৰোহৰ মাজেৰে। বগা বিদেশীয়ে কৰা শোষণ-নিষ্পেষণ যিমানেই বাঢ়ি গৈছিল, সিমানেই বাঢ়ি গৈছিল দেশৰ জনতাৰ মনত গণ-বিদ্ৰোহ, গণ-আন্দোলন আৰু গণ-বিপ্লৱৰ চেতনা। ৰাইজে হাতে-কামে পৰিচয় দিছিল নিজৰ সংগ্ৰামী মনৰ। এই ক্ষেত্ৰত পিছ পৰি থকা নাছিল আমাৰ দেশৰ কৃষক তথা শ্ৰমজীৱী সাধাৰণ লোকসকলো। বগা বিদেশীৰ শোষণৰ উচিত উত্তৰ স্বৰূপে অসমত আৰম্ভ হৈছিল ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ প্ৰথমটো কৃষক বিদ্ৰোহৰ। এই জংগী কৃষক বিদ্ৰোহ হৈছিল নগাঁও জিলাৰ কলং নৈৰ পাৰৰ ফুলগুৰি নামৰ ঠাইখনত। নগাঁওবাসীৰ লগতে সমগ্ৰ দেশবাসীৰ মানসপটৰ পৰা হেৰাই যাব নোৱৰা এই বিদ্ৰোহ হৈছিল ১৮৬১ চনৰ ১৮ অক্টʼবৰ তাৰিখে। এই দিনটোতে কেইবাগৰাকী নিৰীহ কৃষকৰ বুকুৰ কেঁচা তেজেৰে ৰাঙলী হৈ পৰিছিল নগাঁৱৰ ফুলগুৰি নামৰ ঠাইখন। বিদ্ৰোহৰ নাম দিয়া হৈছিল 'ফুলগুৰি ধেৱা'।

'ধেৱা' বা 'ধাৱা' বা 'তাৱা' শব্দটো হৈছে এটা তিৱা শব্দ। এই শব্দটোৰ অসমীয়া অৰ্থ হ'ল বিদ্ৰোহ, ৰণ বা যুদ্ধ। ইংৰাজ আৰু চিপাহীবোৰে বিদ্ৰোহক ধাৱা বুলি অভিহিত কৰিছিল আৰু সেই ধাৱা শব্দটোৰ অপভ্ৰংশ ৰূপত প্ৰচলিত হৈছিল 'ধেৱা' শব্দটো।

ফুলগুৰি বিদ্ৰোহ আছিল প্ৰতিপত্তিহীন আৰু আভিজাত্যহীন লালুং বা তিৱাসকলৰ মুখিয়াল বা পোৱালি ৰজাসকলৰ নেতৃত্বত সমাজৰ অৱহেলিত শ্ৰেণীটোৱে কৰা প্ৰতিবাদ। ঔপনিৱেশিক বৃটিছ ৰাজশাসনে আৰোপ কৰা বৰ্ধিত কৰ-কাটলৰ তীব্ৰ বিৰোধিতা কৰি জনজাতীয় কৃষকসকলে সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰতে পোনপ্ৰথমবাৰৰ বাবে অত্যাচাৰী ইংৰাজৰ অন্যায়-উৎপীড়নৰ বিৰুদ্ধে থিয় দিছিল।

সেই সময়ত অসমৰ প্ৰায়সংখ্যক লোকৰে প্ৰধান জীৱিকা আছিল কৃষি। ব্ৰহ্মপুত্ৰৰ পাৰৰ কপিলী উপত্যকাৰ ফুলগুৰি নামৰ ঠাইখনৰ ভূমিত তিৱাসকলে কানি খেতি কৰিছিল। উপত্যকাৰ সাৰুৱা মাটিত এই খেতি লহপহকৈ বাঢ়ি আহিবলৈ ধৰিছিল। বৃটিছ ঔপনিৱেশিক শক্তিৰ শেনচকু এই খেতি তথা অসমৰ বনজ সম্পদসমূহত পৰিছিল। তদুপৰি ১৮৫৭ চনৰ বিদ্ৰোহৰ পাছত বৃটিছ চৰকাৰৰ ধনৰ কিছু অভাৱ হোৱাত ইংৰাজসকলে জনতাৰ ওপৰত বিভিন্ন কৰ আৰোপ কৰি শোষণ কৰা আৰম্ভ কৰিলে। অসমত ১৮৫০ চনত জেমছ উইলছনৰ উপদেশ মতে আয়কৰ আইন বলবৎ কৰা হ'ল। আকৌ ১৮৫৮ চনত গোচৰ আদিৰ সংখ্যা কম কৰাৰ অজুহাতত আদালতৰ নিষেধাজ্ঞা উলংঘন কৰি নগাঁৱত ষ্টাম্প ডিউটি আৰম্ভ কৰা হ'ল। ইয়াৰ উপৰি ভূমিৰ খাজনা, কাঠ, বাঁহ, খেল, নাঙল আদিৰ ওপৰতো কৰ আৰোপ কৰাত কৃষকসকলৰ কৰ-কাটলৰ হেঁচাত মূৰ দাঙিব নোৱৰা অৱস্থা হ'ল। তাতে আকৌ ভূতৰ ওপৰত দানহ পৰাদি ইমানদিনে মুকলিমূৰীয়াকৈ কানি খেতি কৰি জীৱন নিৰ্বাহ কৰা কৃষকসকললৈও হঠাৎ ১৮৬১ চনত কানি খেতি বন্ধ কৰাৰ আদেশ আহি পৰিল। অতি চাতুৰিৰে ইংৰাজ চৰকাৰে অসমৰ সমগ্ৰ কানি ব্যৱসায় একচেটিয়াভাৱে চৰকাৰী আওতালৈ আনিবলৈ এই ব্যৱস্থা লয়। লগতে সেই সময়তেই তামোল-পাণৰ ওপৰতো কৰ বহুৱাব বুলি খবৰ ওলোৱাত কৃষকসকলে হিতাহিত

জ্ঞান হেৰুৱাই পেলায়। অৰ্থনৈতিকভাৱে জুৰুলা এই জনজাতীয় লোকসকলৰ যেতিয়া জীৱিকাৰ সকলো পথেই বন্ধ কৰি দিয়া হ'ল তেতিয়া কৃষকসকলে একগোট হৈ এই অন্যায়ৰ বিৰুদ্ধে মাত মাতিবলৈ মনস্থ কৰিলে।

যদিওবা বিভিন্ন কাৰকে জনজাতীয় লোকসকলক উত্তেজিত কৰি তুলিছিল তথাপি তেওঁলোক হঠাতে বিদ্ৰোহী হৈ উঠা নাছিল। মধ্য অসমৰ কৃষকসকলে তিৱাসকলৰ পোৱালি ৰজাসকলৰ লগত প্ৰথমতে সমস্যাবোৰৰ নিদান বিচাৰি শান্তিপূৰ্ণভাৱে আলোচনা কৰি ৰাইজ মেল পাতিছিল। এই মেলত কৰৰ বোজা লাঘৱ কৰাৰ বাবে সকলোৱে একগোট হৈ সদৰত গোচৰ দিয়াৰ সিদ্ধান্ত ল'লে। কথা মতেই কাম। প্ৰায় এহাজাৰমান কৃষক লগ হৈ ফুলগুৰিত ১৮৬১ চনৰ ১৭ ছেপ্টেম্বৰ তাৰিখে তেতিয়াৰ জিলাধিপতি লেফটেনেণ্ট হাৰ্বাৰ্ট স্কন্স (Lt. Herbert Sconce) চাহাবৰ ওচৰত কৰ লাঘৱৰ বাবে আৰ্জি প্ৰদান কৰিবলৈ যায়। কিন্তু মইমতীয়া, অহংকাৰী স্কন্স চাহাবে ৰাইজৰ কোনো কথা নুশুনিলে আৰু গোচৰকাৰীসকলৰ গুৰি ধৰোঁতাকেইজনক বন্দী কৰিহে থ'লে।

এই ঘটনাৰ পাছত ৰাইজৰ ধৈৰ্য্যৰ বান্ধ ছিঙি যায় আৰু মানুহবোৰ বিদ্ৰোহী হৈ উঠে। ইয়াৰ পাছত সঘনাই ৰাইজ মেল বহে আৰু অৱশেষত টোপাৰকুছিৰ ৰজাৰ উদ্যোগত অনুষ্ঠিত ৰাইজ মেলত পাঁচো ৰজাৰ সিদ্ধান্তমৰ্মে বিদ্ৰোহ ঘোষণা কৰা হয়।

বিদ্ৰোহৰ বাবে প্ৰস্তুত হোৱাৰ পাছতো শান্তিপূৰ্ণভাৱে আলোচনাৰ মাধ্যমেৰে সমস্যাবোৰৰ সমাধান পোৱাৰ উদ্দেশ্যেৰে ১৮৬১ চনৰ ৯ অক্টৰৰ তাৰিখে পুনৰ জিলা উপায়ুক্তক স্মাৰক পত্ৰ প্ৰদান কৰা হয়। কিন্তু উপায়ুক্তৰ আঁকোৰগোঁজ আৰু উৎপীড়নমূলক স্বভাৱৰ বাবে জনসাধাৰণে চৰকাৰী কৰ্তৃপক্ষৰ ওপৰত আস্থা হেৰুৱাই পেলায়। ইয়াৰ পাছত সমগ্ৰ জিলাখনৰ কৃষকসকল একগোট হৈ ১৫ অক্টৰৰ পৰা পাঁচ দিনীয়াকৈ ৰাইজ মেল পাতি চৰকাৰী নীতিৰ প্ৰতিবাদ কৰে। ৰাইজমেল ভংগ কৰাৰ উদ্দেশ্যে ১৮ অক্টৰৰ দিনা উপায়ুক্ত স্কন্সে নতুনকৈ যোগদান কৰা এছিছটেণ্ট কমিছনাৰ লেফটেনেণ্ট জেবি ছিংগাৰক (Lt. JB Singer) সশস্ত্ৰ আৰক্ষী বাহিনীসহ ফুলগুৰিলৈ প্ৰেৰণ কৰে।

মেলত সমবেত হোৱা গঞা কৃষকে মূৰত পাগুৰি মাৰি হাতত লাঠী লৈ অহাত নতুনকৈ কাৰ্য্যত যোগদান কৰা আৰু অসমৰ মানুহৰ সামাজিক জীৱনৰ আও-ভাও নোপোৱা ছিংগাৰে লাঠীৰে সৈতে কৃষক ৰাইজে আক্ৰমণ কৰিবলৈ অহা বুলি ভাবে। ছিংগাৰে নিজৰ সেনাবাহিনীক জোৰকৈ লাঠীবোৰ কাঢ়ি আনিবলৈ নিৰ্দেশ দিয়ে, ফলত উত্তেজিত কৃষক আৰু চিপাহীৰ মাজত সংঘৰ্ষ আৰম্ভ হয়। কৃষকৰ ৰোষত ছিংগাৰৰ ঘটনাস্থলীতে মৃত্যু হয়। উত্তেজিত কৃষক ৰাইজে ছিংগাৰৰ মৃতদেহটো কলং নৈত উটুৱাই দিয়ে। লগে লগে বিদ্ৰোহৰ অগনি সমগ্ৰ অঞ্চলতে বিয়পি পৰে আৰু স্কন্স চাহাবে পঠিওৱা আন এক সেনাবাহিনীকো কৃষক ৰাইজে ফুলগুৰিৰ পৰা খেদি পঠিয়ায়।

অৱশেষত পৰিস্থিতি অত্যন্ত বেয়া হোৱাত কমিছনাৰ হেনৰী হপকিন্সৰ তৎপৰতাত তেজপুৰ, যোৰহাট আৰু গুৱাহাটীৰ পৰাও সেনাৰ আমদানি কৰা হ'ল। চোৰাংচোৱাৰ পৰা পোৱা সূত্ৰ অনুসৰি ২২ অক্টৰৰ দিনা বিদ্ৰোহীসকলৰ এক গোপন মেলত স্কন্স চাহাবে বিদ্ৰোহীসকলক আগুৰি ধৰে আৰু নিৰ্বিচাৰে গুলী চালনা কৰে। এই ঘটনাত প্ৰায় ৩৯ জন বিদ্ৰোহীৰ ঘটনাস্থলীতে প্ৰাণ যায় আৰু ১৫ জন আহত বিদ্ৰোহী বিনা চিকিৎসাত দুদিনৰ পাছত মৃত্যুবৰণ কৰে। চৰকাৰী পৰিসংখ্যা অনুসৰি ছিংগাৰৰ হত্যাকাণ্ডৰ বাবে মুঠতে ৪১ জন লোকক গ্ৰেপ্তাৰ কৰা হয়। তাৰে তিনিজনক নগাঁৱৰ কাৰাগাৰত ফাঁচি দিয়া হয়। ফাঁচি দিয়া কেইগৰাকী হ'ল— ক) লক্ষ্মণসিং ডেকা, খ) ৰংবৰ ডেকা আৰু গ) চাংবৰ লালুং। হেবেলা লালুং, নৰচিং লালুং, চিপচিং লালুং, ৰূপচিং লালুং, বাহু কৈৱৰ্তকে আদি কৰি মুঠ আঠজনক কলীয়াপানীলৈ নিৰ্বাসন দিয়া হয়। বিদ্ৰোহৰ ইমানতেই অন্ত হয় যদিও ইমানতেই ক্ষান্ত নাথাকি বৃটিছসকলে পৰবৰ্তী বহু দিনলৈ ফুলগুৰিত শিবিৰ পাতি নিৰীহ প্ৰজাৰ ওপৰত অত্যাচাৰ কৰি গৈ থাকিল। বিদ্ৰোহীসকলৰ পুত্ৰ-

পৰিবাৰ, ইষ্ট-কুটুম আদিবোৰক বিনা বিচাৰে ধৰি আনি তিনিজোপা আঁহতৰ তলত বাঁহৰ গঁৰাল সাজি নিৰ্মম অত্যাচাৰ কৰি নৃশংসভাৱে হত্যা কৰিছিল। ইফালে আকৌ মৃতদেহবোৰ আঁতৰোৱাৰ ব্যৱস্থা নকৰাত শবোৰ গেলি-পচি যাবলৈ ধৰে। পৰিয়ালৰ লোকসকলে লুকাই-চুৰকৈ শবোৰ আনি কলঙৰ দক্ষিণ পাৰৰ ফুলগুৰিৰ পৰা এমাইল আঁতৰত হাবিৰ মাজত থকা বিল এখনৰ কাষত সমূহীয়াকৈ সৎকাৰ কৰে। সেইবাবে এই বিলখন 'মানুহ পোৰা বিল' নামেৰে জনাজাত।

অতি দুৰ্ভাগ্যজনক কথা যে এই বিলখন বৰ্তমান এক অৱহেলিত অঞ্চল হৈ পৰিছে।

এই নিৰ্মম কাণ্ডৰ স্মৃতি মাথোঁ বৈ আছে বিদ্ৰোহৰ ছহিদ লোকসকলৰ কৰুণ স্মৃতিত ৰচিত হোৱা কিছু বেদনাদায়ক গীতৰ মাজেৰে—

অ' আইটি
হেৰ ধান দুদুলা
অ' আইটি
ফুলগুৰি ধেৰাখান
অ' আইটি
কেনেকৈ লাগিলে
অ' আইটি
তিনি যুগি আঁহতৰ তলত
অ' আইটি
ধেৰাখান লাগিলে ৰূপচিং চিপচিং বাহুবনমালী
হেৰ' মণিৰাম ফুলগুৰি ধেৰাখান
হেৰ' মণিৰাম কেনেকৈ লাগিলে। ❖

## নিবন্ধ

# সবৰমতী নদী আৰু সবৰমতী আশ্ৰম

■ চন্দনা মেধি চৌধুৰী



ভাৰতৰ দক্ষিণ-পশ্চিম দিশত অৱস্থিত গুজৰাট ৰাজ্যৰ এখন গুৰুত্বপূৰ্ণ নদী হৈছে সবৰমতী নদী। নদীখনৰ উৎপত্তিস্থল ৰাজস্থানৰ উদয়পুৰ জিলাৰ আৰাৱলী পৰ্বত। ৰাজস্থান আৰু গুজৰাট ৰাজ্যৰ মাজেৰে বৈ গৈ নদীখন আৰব সাগৰৰ খাম্ভাট উপসাগৰত পৰিছে। নদীখনৰ সৰ্বমুঠ দৈৰ্ঘ্য ৩৭১ কিমি.; ৰাজস্থানত ৪৮ কিমি. আৰু গুজৰাটত ৩২৩ কিমি.। ৰাজস্থানৰ উদয়পুৰ, গুজৰাটৰ সাবৰকাণ্ঠা, আহমেদাবাদ, গান্ধীনগৰ, আনন্দ আদি ঠাই নদীখনৰ পাৰত অৱস্থিত। নদীখনৰ পূবফালে থকা উপনদীসমূহ হ'ল—ৱাকল, হৰনৱ, হাথমতী, ৱাট্ৰক ইত্যাদি আৰু পশ্চিমফালে থকা উপনদীসমূহ হ'ল—সেই, সিৰী, ঘমনী আদি।

উল্লেখযোগ্য যে নদীখনৰ নাম উচ্চাৰণ কৰাৰ লগে লগে প্ৰতিগৰাকী ভাৰতীয়ৰ মনত নৈখনৰ পাৰত থকা সবৰমতী আশ্ৰমৰ কথাই দোলা দি যায়।

জাতিৰ পিতা মহাত্মা গান্ধীয়ে দক্ষিণ আফ্ৰিকাৰ পৰা আহি গুজৰাটত থাকিবলৈ মন কৰিছিল। তেওঁৰ এগৰাকী বিশ্বস্ত বন্ধু জীৱন লাল দেশাইয়ে ১৯১৫ চনত আহমেদাবাদৰ কোচৰব নামে ঠাইত থকা তেওঁৰ বাসগৃহটোত গান্ধীক থাকিবলৈ দিছিল। এই কোচৰবতেই

গান্ধীয়ে ‘সত্যাগ্ৰহ আশ্ৰম’ স্থাপন কৰিছিল। ১৯১৭ চনত এই আশ্ৰমখন সবৰমতী নদীৰ পাৰলৈ স্থানান্তৰ কৰি প্ৰায় ৩৬ একৰ মাটিত ‘সবৰমতী আশ্ৰম’ নামেৰে নকৈ নামকৰণ কৰিছিল। আশ্ৰমখন স্থানান্তৰ কৰাৰ মুখ্য উদ্দেশ্য আছিল খেতি-বাতি, পশুপালন আৰু খাদী বস্ত্ৰ উৎপাদন। প্ৰায় ১৩ বছৰমানলৈ এই আশ্ৰমখন গান্ধীজীৰ ঘৰৰ দৰে আছিল। আশ্ৰমখনৰ এফালে শ্মশান আৰু আনফালে কেন্দ্ৰীয় কাৰাগাৰ আছে। গান্ধীজীৰ আশ্ৰমৰ ভিতৰত এখন ভিন্নধৰ্মী আৰু স্বকীয় গুণেৰে বিভূষিত বিদ্যালয়ো স্থাপন কৰা হৈছিল, য'ত শিক্ষাৰ্থীক আনুষ্ঠানিক শিক্ষাৰ লগতে গ্ৰামোদ্যোগ, আত্মনিৰ্ভৰশীলতা, আৰু মানৱ শ্ৰমৰ মহত্ত্ব সম্পৰ্কে পাঠদান কৰা হৈছিল। শিক্ষাৰ্থীসকলক খাদী বস্ত্ৰ উৎপাদন সম্পৰ্কেও শিক্ষাদান কৰা হৈছিল।

ইয়াৰ পৰাই গান্ধীজীয়ে বৃটিছৰ দ্বাৰা প্ৰৱৰ্তিত লোণ আইনৰ বিৰুদ্ধে দাণ্ডী যাত্ৰা আৰম্ভ কৰিছিল। ১৯৩০ চনৰ ২ মাৰ্চত তেওঁ তদানীন্তন ভাইচৰয়ক চিঠি লিখি জনাইছিল যে তেওঁ ৯ দিনৰ ভিতৰত আইন অমান্য আন্দোলন আৰম্ভ কৰিব। সেই মৰ্মে তেওঁ ১২ মাৰ্চ তাৰিখে আশ্ৰমৰ পৰা ২৪৯ কিমি. দূৰত্বত থকা সাগৰৰ পাৰৰ দাণ্ডী নামৰ চহৰলৈ ৭৮ জন ব্যক্তিৰ সৈতে ইতিহাসপ্ৰসিদ্ধ দাণ্ডী যাত্ৰা আৰম্ভ কৰিছিল। সমদলটোত আৰম্ভণিতে ৭৮ জন ব্যক্তিয়ে যোগদান কৰিছিল যদিও পাছলৈ লক্ষাধিক লোকৰ সমাগম হৈছিল। যাত্ৰা সম্পূৰ্ণ হ'বলৈ সময় লাগিছিল মুঠ ২৪ দিন। এই বৃহৎ সমদলটো দেখি বৃটিছ শাসকসকল কম্পিত হৈ পৰিছিল। এই আন্দোলনৰ বাবে ৬০,০০০ সহযোগীৰ সৈতে তেওঁক গ্ৰেপ্তাৰ কৰা হৈছিল। ভাৰতবাসীক স্বাধীনতা উপহাৰ স্বৰূপে দিব পাৰিলেহে গান্ধীজীয়ে আশ্ৰমলৈ পুনৰ উভতি যাব বুলি প্ৰতিশ্ৰুতি দিছিল যদিও দুখৰ বিষয় তেওঁ কেতিয়াও আশ্ৰমলৈ উভতি যাব পৰা নাছিল।

গান্ধীজীয়ে এই আশ্ৰমখনতেই স্বাধীনতা তথা সত্যাগ্ৰহ আন্দোলনৰ পৰিকল্পনা কৰিছিল বাবে পাছলৈ বৃটিছ চৰকাৰে আশ্ৰমখন নিজৰ নিয়ন্ত্ৰণলৈ লৈ গৈছিল। গান্ধীজীয়ে অনুৰোধ কৰা সত্ত্বেও কিন্তু বৃটিছে আশ্ৰমৰ পৰা নিয়ন্ত্ৰণ উঠাই লোৱা নাছিল আৰু তেওঁক ওভতায়ো দিয়া নাছিল। আনকি ইংৰাজ চৰকাৰে ১৯৩৩ চনৰ ২২ জুলাইত আশ্ৰমখন ভাঙি দিয়াৰো পৰিকল্পনা কৰিছিল। স্বৰাজোত্তৰ কালত ১৯৬৩ চনত পণ্ডিত জৱাহৰলাল নেহৰুৰ তত্ত্বাৱধানত ভাৰতৰ স্বাধীনতা আন্দোলনত দাণ্ডী যাত্ৰাৰ মহত্ত্বপূৰ্ণ প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি এই আশ্ৰমখনক ৰাষ্ট্ৰীয় স্মাৰকৰ ৰূপত পুনৰ্নিৰ্মাণ কৰি সংৰক্ষণৰ ব্যৱস্থা কৰা হয়।

আশ্ৰমখনত বৰ্তমান গান্ধী স্মাৰক সংগ্ৰহালয়, গান্ধীজীৰ হৃদয়কুঞ্জ নামৰ বাসগৃহ, নন্দিনী নামৰ অতিথিশালা, বিনোৱা কুটীৰ বা মীৰা কুটীৰ, উপাসনা মন্দিৰ, মগন নিবাস, পুথিভঁৰাল, চিত্ৰবিথীকা, আৰ্কাইভ, শিক্ষক গৃহ, উদ্যোগ মন্দিৰ আদি বিভিন্ন ধৰণৰ অংশ আছে।

‘My life is my message’ নামৰ চিত্ৰ বিথীকাটোত প্ৰায় ২৬০ খন গান্ধীজীৰ লগত সম্পৰ্কিত চিত্ৰ সংৰক্ষণ কৰা আছে। পুথিভঁৰালটো গান্ধীজীৰ জীৱন, কাম আৰু স্বাধীনতা আন্দোলনৰ সৈতে জড়িত বিষয়ক কেন্দ্ৰ কৰি ৰচিত ৩৫,০০০খন কিতাপেৰে সমৃদ্ধ। ইয়াত ৮০ খনতকৈও অধিক বাতৰিকাকত আৰু আলোচনী সংৰক্ষণ কৰা আছে। আৰ্কাইভটোত প্ৰায় ৩৪,১১৭ খন গান্ধীজীলৈ আন ব্যক্তিয়ে প্ৰেৰণ কৰা আৰু গান্ধীজীয়ে আনলৈ বুলি লিখা চিঠিৰ মূল বা প্ৰতিলিপি সংগৃহীত হৈ আছে। তদুপৰি ইয়াত হৰিজন, হৰিজনসেৱক আৰু হৰিজন বন্ধু কাকতত গান্ধীজীয়ে নিজ হাতে লিখা কেইবাটাও প্ৰবন্ধৰ প্ৰায় ৮,৭৮১ পৃষ্ঠাৰ পাণ্ডুলিপি আৰু গান্ধীজী আৰু তেওঁৰ অনুগামীসকলৰ প্ৰায় ৬,০০০ মান ফটো আছে।

হৃদয় কুঞ্জ নামৰ কুটীৰত গান্ধীয়ে ব্যৱহাৰ কৰা বিভিন্ন ধৰণৰ সামগ্ৰী সংৰক্ষণ কৰা হৈছে।

আশ্ৰমৰ ভিতৰত গান্ধীৰ স্মৃতি জড়িত কিতাপ বিক্ৰী কেন্দ্ৰ এটাও আছে। এবছৰত আশ্ৰমখনলৈ বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় ৭ লাখ ভ্ৰমণকাৰী আহে। বিভিন্ন সময়ত গান্ধীৰ আদৰ্শ আৰু দৰ্শনৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে আশ্ৰমত বিভিন্ন ধৰণৰ কাৰ্য্যসূচীও লোৱা হয়। ❖

## কুইজ

■ দীপাংকৰ কৌশিক

১। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে কোনখন বিখ্যাত ঠাইত আমাৰ দেশৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিছিল?

২। কেৰালাৰ অলৰাউণ্ডাৰ জলজ ছাক্সেনাই অলপতে কোনটো কৃতিত্বৰ অধিকাৰী হৈ চৰ্চালৈ আহিছিল?

৩। আমেৰিকাৰ বিখ্যাত 'টাইম' আলোচনীৰ বেটুপাতত স্থান পোৱা প্ৰথমজন অভিনেতা কোন?

৪। অনুপম শইকীয়া কি ক্ষেত্ৰত প্ৰথম অসমীয়া বাৰু?

৫। মাছৰ এটা জাকক ইংৰাজীত যি বুলি কোৱা হয় সেই নামটো আহিছে ডাচ্চ ভাষাত 'troop' বুজোৱা শব্দৰপৰা। শব্দটো কি বাৰু?

৬। কৰ্ণাটক আৰু তামিলনাডুৰ মাজেৰে বৈ যোৱা নদীখনৰ নামটো আহিছে সংকেথি ভাষাত নদী বুজোৱা শব্দৰপৰা। প্ৰাচীন তামিল সাহিত্যত নদীখনৰ নাম আছিল পোন্নি। ইয়াত কোনখন পৱিত্ৰ নদীৰ কথা কোৱা হৈছে?

৭। ১৯৫৪ চনত যোৰহাটত আৰু ১৯৯১ চনত দুধনৈত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশন দুখনৰ বিশেষত্ব কি বাৰু?

৮। অনন্ত পাই নামৰ মানুহজন পাই খুৰা নামেৰেও পৰিচিত। ১৯৮০ চনৰপৰা ২০১০ চনলৈ তেওঁ কোনখন জনপ্ৰিয় আলোচনীৰ সম্পাদক পদত আছিল?

৯। দ্য ভেজিটেৰিয়ান—এইখন উপন্যাসৰ বাবে ২০১৬ চনত আন্তঃৰাষ্ট্ৰীয় বুকাৰ বঁটা লাভ কৰা সাহিত্যিকগৰাকীয়ে শেহতীয়াকৈ কোনটো বিশিষ্ট বঁটা লাভ কৰিছে?

১০। শালভড়িকা আৰু অন্যান্য কবিতা—এই কবিতাপুথিখনৰ কবিগৰাকী এখন ৰাজ্যৰ নতুন মুখ্য নিৰ্বাচনী বিষয়া হিচাপে নিযুক্ত হৈছে। কোন বাৰু এইগৰাকী অসমীয়া?

১১। গোপীচান্দ থোটাকুৰা—কি ক্ষেত্ৰত প্ৰথমজন ভাৰতীয়ৰূপে অলপতে পৰিগণিত হৈছে?

১২। ইৰফান পাঠান আৰু যছপ্ৰীত বুমৰাহ এক বিশেষ ক্ষেত্ৰত সফলতা লাভ কৰা দ্বিতীয় আৰু তৃতীয়গৰাকী ভাৰতীয়। প্ৰথমজন কোন? সফলতাটো কি?

১৩। এগৰাকী লেক্সিকোগ্ৰাফাৰে (lexicographer) কি বিষয়ৰ গৱেষণা কৰে?


১৪। প্ৰতিবছৰে ৪ জানুৱাৰী দিনটো বিশ্ব ব্ৰেইল দিৱসৰূপে পালন কৰা হয়। কিহৰ লগত সংগতি ৰাখি এই দিৱস পালন কৰা হয়?

১৫। আমাৰ দেশৰ ৰাষ্ট্ৰপতি ভৱনৰ অশোক হলৰ নতুন নাম ৰখা হৈছে অশোক মণ্ডপ। দৰবাৰ হলৰ নতুন নামটো কি?

১৬। ঐছন জনম গোৱাই—জ্যেষ্ঠ সাংবাদিক পুলিন কলিতাৰ এখন গ্ৰন্থ। কোনগৰাকী প্ৰসিদ্ধ অসমীয়াৰ জীৱনৰ আধাৰত ৰচিত গ্ৰন্থ এইখন?

**চিত্ৰ সংকেত**

১৭। কোন বাৰু এইগৰাকী বিখ্যাত ভাৰতীয়? ❖



## তোমালোকৰ বাবে প্ৰশ্ন, ডিচেম্বৰ, ২০২৪

১। আমাৰ দেশত ৰাষ্ট্ৰীয় দুগ্ধ দিৱস (২৬ নৱেম্বৰত) কি বিশেষ কাৰণত পালন কৰা হয়?

২। বগলী বগা ফোঁট দি যা—ড° বীৰেন্দ্ৰ নাথ দত্তৰ এটা চিৰসেউজ অসমীয়া গান। কোনগৰাকী প্ৰসিদ্ধ অসমীয়াই এই গানটো লিখিছিল?


৩। মাৰ্টিন ক্ৰ' আৰু গ্ৰাহাম থ'ৰ্পৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই কোন দুখন দেশৰ মাজত অনুষ্ঠিত টেষ্ট ছিৰিজৰ ট্ৰফীৰ নামকৰণ কৰা হৈছে?

৪। বিগ ফেট নয়জ, ষ্টাৰফিশ্ব নামেৰে গঠন হোৱা বিখ্যাত মিউজিক বেণ্ডটোৰ বৰ্তমানৰ নামটো কি?

৫। ব'হাগ বিহুৰ সময়ত কোনটো জনগোষ্ঠীয়ে গিৰকায় নৃত্য পৰিৱেশন কৰে? ❖

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**




# ৰঙা আৰু নীলা পেঞ্চিল দুডাল

আজি তোমালোকক এটি আকৰ্ষণীয় কাহিনী ক'বলৈ ওলাইছোঁ। এখন ষ্টেছনাৰী দোকানৰ শ্ব'কেছত এডাল ৰঙা আৰু এডাল নীলা ৰঙৰ পেঞ্চিল আছিল। কাৰোবাৰ হাতত বিক্ৰী হোৱাৰ অধীৰ অপেক্ষাত থকা পেঞ্চিল দুডালে নিজৰ ভৱিষ্যতনো কেনে হ'ব তাৰে গুণা-গঁথা কৰি আছিল।

এদিন ৰঙা পেঞ্চিলডাল ক্ৰয় কৰিলে সেনাবাহিনীৰ এজন জোৱানে। জোৱানজনে পেঞ্চিলডাল তেওঁৰ অফিচলৈ লৈ গ'ল। তেওঁ মেজৰ ওপৰত এখন মানচিত্ৰ মেলি লৈ বোমা বৰ্ষণৰ বাবে কেইটামান অৱস্থানত পেঞ্চিলডালেৰে দাগ দিলে। দুদিন পাছতে কেইটামান এলেকাত বোমা বৰ্ষণ কৰা হ'ল। বহুত লোক এই বোমা বৰ্ষণত নিহত হ'ল। এই ঘটনাত পেঞ্চিলডালৰ মনত বৰ দুখ লাগিল। ৰঙা পেঞ্চিলডালৰ ব্যৱহাৰ যিমানেই বেছি হয় সিমানেই ৰক্তপাতৰ নৈখন দীঘল হৈ গৈ থাকে। সময় বাগৰাৰ লগে লগে ৰঙা পেঞ্চিলডাল চুটি হৈ আহিল। ইফালে নীলা পেঞ্চিলডাল ক্ৰয় কৰিলে এখন সৰু গাঁৱৰ নম্ৰ আৰু মৰমিয়াল শিক্ষয়িত্ৰী এগৰাকীয়ে। তেওঁ নীলা পেঞ্চিলডালেৰে ছাত্ৰ-ছাত্ৰীসকলে টোকাবহীত কৰা ভুলবোৰ শুধৰাই গ'ল। এদিন শিক্ষয়িত্ৰীগৰাকীয়ে মন কৰিলে কেইগৰাকীমান ছাত্ৰ-ছাত্ৰী বৰ দুখ মনেৰে আছে। তেওঁ জানিব পাৰিলে যে সেইকেইজন ছাত্ৰ-ছাত্ৰীৰ মাক-দেউতাক যুদ্ধত নোহোৱা হৈছে। নীলা পেঞ্চিলডালেৰে তেওঁ সেইকেইজন ছাত্ৰ-ছাত্ৰীলৈ এখন চিঠি লিখিলে—"দুখ নকৰিবা, তোমালোকে যদি মনপুতি পঢ়া-শুনা কৰা, তোমালোকৰ মা-দেউতা য'তে আছে তাতে সুখেৰে থাকিব।" চিঠিখনে ছাত্ৰ-ছাত্ৰীকেইগৰাকীৰ অন্তৰ স্পৰ্শ কৰিলে। সিহঁতৰ অন্তৰৰ দুখ মচি নিবলৈ শিক্ষয়িত্ৰীগৰাকীয়ে নীলা পেঞ্চিলডাল ব্যৱহাৰ কৰা কথাটোৱে পেঞ্চিলডালকো সুখী কৰিলে।

এদিন নীলা পেঞ্চিলডালো চুটি হৈ আহিল। নীলা আৰু ৰঙা দুয়োডাল পেঞ্চিল ইমানেই চুটি হৈ পৰিল যে সিহঁতক আৰু হাতেৰে ধৰিব নোৱৰা অৱস্থা হ'ল। কিন্তু ভাগ্যৰ জোৰত দুয়োডাল আহি পৰিল আৱৰ্জনাৰ একেটা দ'মত। ইডালে সিডালক দেখি আচৰিত হ'ল আৰু দুয়োৱে নিজৰ জীৱনৰ কথা ক'বলৈ ধৰিলে। ৰঙা পেঞ্চিলডালে চকুৰ লোতক বোৱাই নিজৰ অন্তৰত কঢ়িয়াই লৈ ফুৰা বেদনাৰ বোজাৰ কথা ক'বলৈ ধৰিলে। আনহাতে মুখত প্ৰশান্তিৰ হাঁহি এটা লৈ নীলা পেঞ্চিলডালে নিজৰ জীৱনৰ সন্তুষ্টিভৰা কাহিনী ক'বলৈ ধৰিলে। গভীৰ উপলব্ধিৰে ৰঙা পেঞ্চিলডালে তেতিয়া ক'লে—"আমাৰ আনন্দ আৰু বেদনা থাকে আমাক ব্যৱহাৰ কৰাজনৰ হাতৰ মুঠিত। একে হৈও আমি যে কিমান বেলেগ।"

এই আকৰ্ষণীয় কাহিনীটো আছে 'ৰঙা আৰু নীলা পেঞ্চিল দুডাল' নামৰ কিতাপখনত। মূল ইংৰাজী ভাষাত মিষ্টুনী চৌধুৰীয়ে লিখা 'Red and Blue Pencils' নামৰ কিতাপখন অসমীয়ালৈ অনুবাদ কৰিছে দীপ শইকীয়াই। ❖

# প্ৰাচীন নগৰ : কুৰুক্ষেত্ৰ



কুৰুক্ষেত্ৰ নামটো শুনিলেই এখন বিখ্যাত মহাসমৰলৈ আমাৰ মনত পৰে। মহাভাৰত খ্যাত কৌৰৱ আৰু পাণ্ডৱৰ মাজৰ বিখ্যাত ৰণখন এই কুৰুক্ষেত্ৰতেই সংঘটিত হৈছিল। ১৮ দিন ধৰি চলা এই যুদ্ধত আত্মীয়-স্বজনৰ ৰক্তপাত আৰু মৃত্যুৰ আশংকা কৰি তৃতীয় পাণ্ডৱ অৰ্জুনে যুদ্ধ নকৰাৰ বাবে যেতিয়া সিদ্ধান্ত লৈছিল, তেতিয়া ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক বুজনি দি এক নাতিদীৰ্ঘ ভাষণ দিছিল। শ্ৰীকৃষ্ণৰ এই উপদেশেই জন্ম দিয়ে প্ৰসিদ্ধ 'গীতা' গ্ৰন্থৰ। গীতাৰ উদ্ভৱস্থল বুলিও কুৰুক্ষেত্ৰক হিন্দুসকলে পবিত্ৰ তীৰ্থৰূপে গণ্য কৰি আহিছে।

ভাৰতৰ হাৰিয়ানা ৰাজ্যত অৱস্থিত ঐতিহাসিক কুৰুক্ষেত্ৰ নগৰক লৈ বহুতো জনবিশ্বাস প্ৰচলিত হৈ আছে। কুৰুক্ষেত্ৰত মৃত্যু হ'লে আত্মাই মোক্ষ লাভ কৰে বুলি বিশ্বাস কৰা হয়। ব্ৰহ্মাকে ধৰি বহু হিন্দু দেৱ-দেৱীয়ে এই কুৰুক্ষেত্ৰত বসতি কৰিছিল বুলি লোকপ্ৰবাদ আছে। মনুৱেও এই কুৰুক্ষেত্ৰতে 'মনুস্মৃতি' ৰচনা কৰিছিল বুলি জনশ্ৰুতি শুনিবলৈ পোৱা যায়। কৌৰৱ আৰু পাণ্ডৱৰ আদিপুৰুষ কুৰুৰ নামেৰে এই ঠাইৰ নাম কুৰুক্ষেত্ৰ হোৱা বুলি জানিবলৈ পোৱা যায়। কুৰুৱে ইয়াতেই প্ৰায় ১৫ কিল'মিটাৰ দীঘল এটি সৰোবৰ খন্দোৱাইছিল বুলি জনা যায়। এই সৰোবৰৰ নাম ব্ৰহ্ম সৰোবৰ। সূৰ্য্যগ্ৰহণৰ সময়ত ব্ৰহ্ম সৰোবৰত স্নান কৰিবৰ বাবে বহু ভক্তৰ সমাগম হয়। কুৰুক্ষেত্ৰত থকা আন কেতবোৰ পৰ্য্যটনস্থলী হ'ল মোগল আমোলৰ এটা দুৰ্গ, শ্বেখ চিল্লি জালালাৰ কবৰ, শ্বেত মাৰ্বলেৰে নিৰ্মাণ কৰা এটা অষ্টভুজাকাৰ প্ৰাসাদ, শ্ৰীকৃষ্ণ মিউজিয়াম আদি।

বৰ্তমানৰ হাৰিয়ানা ৰাজ্যৰ এখন গুৰুত্বপূৰ্ণ জিলা হিচাপে পৰিচিত কুৰুক্ষেত্ৰত প্ৰায় ১০ লাখ লোকে বসবাস কৰে। ই এক কৃষি প্ৰধান কেন্দ্ৰ। ইয়াত ধান, ঘেঁহু, চুপাৰিৰ দৰে শস্য উৎপাদন কৰা হয়। হিন্দী, পাঞ্জাবী আৰু হাৰিয়ানবী ইয়াৰ প্ৰধান ভাষা। হাৰিয়ানাৰ উত্তৰ অংশত অৱস্থিত কুৰুক্ষেত্ৰত উচ্চ শিক্ষাৰ ভালেমান প্ৰতিষ্ঠান আছে। চহৰখনত বিস্তৃত কাৰ্য্যসূচীৰে কুৰুক্ষেত্ৰ উৎসৱ, গীতা জয়ন্তী, মহাভাৰত উৎসৱ আদি উদ্‌যাপন কৰা হয়।

কুৰুক্ষেত্ৰত ইতিহাস, আধ্যাত্মিকতা আৰু সংস্কৃতিৰ মিশ্ৰণ ঘটিছে, যাৰ ফলত ই পৰ্য্যটক আৰু তীৰ্থযাত্ৰীৰ বাবে আকৰ্ষণীয় গন্তব্যস্থান হৈ পৰিছে। ❖

# ভাৰতৰ বিভিন্ন ৰাজ্যৰ জাতীয় গছ



**নাহৰ গছ (ইংৰাজী :** Indian ironwood), বৈজ্ঞানিক নাম : *Mesua ferrea*। নাহৰ গছ হৈছে কেল'ফাইলেচিয়া (Calophyllaceae) পৰিয়ালৰ অন্তৰ্গত এক প্ৰকাৰৰ চিৰসেউজ বৃক্ষ।ই ভাৰতবৰ্ষৰ মিজোৰামৰ জাতীয় গছ। সমগ্ৰ দক্ষিণ আৰু দক্ষিণ-পূব এছিয়াত নাহৰ গছ প্ৰচুৰ পৰিমাণে হোৱা দেখা যায়। সাগৰপৃষ্ঠৰ ১০০০ৰ পৰা ১৫০০ মিটাৰ উচ্চতালৈ এই গছ গজিব পাৰে। নাহৰ গছৰ কাঠ বৰ টান হয়। কাঠৰ ৰং ৰঙা। ই ধীৰ গতিত ডাঙৰ হয়। নাহৰ শোভাবৰ্ধক গছ। ইয়াৰ পাত আৰু ফুল উভয়েই সুন্দৰ। সাধাৰণতে নাহৰ ফুল বসন্ত ঋতুত ফুলে। পাতবোৰ সৰু আৰু বল্লম আকৃতিৰ। গোটেই বছৰ নতুন পাত গজা এই গছৰ অন্যতম বৈশিষ্ট্য। সাপে খুঁটিলে নাহৰৰ পাত আৰু ফুল খাব লাগে। নাহৰৰ পাত পিহি সাপে খোঁটা ঠাইত লগালে উপশম হয়। ভাৰত, মালয়েছিয়া ইত্যাদি দেশত জৈৱিক ঔষধি ৰূপত ইয়াক ব্যৱহাৰ কৰাৰ উপৰি সুগন্ধি ধূপকাঠী তৈয়াৰ কৰিবলৈও ব্যৱহাৰ কৰা হয়। নাহৰ গছৰ ছালৰ ৰস গ্ৰহণ কৰিলে কেঁচুমূৰীয়া ৰোগৰ পৰা পৰিত্ৰাণ পাব পাৰি। ❖



**বেল গছ (ইংৰাজী :** Wood apple, Bael tree), বৈজ্ঞানিক নাম *Aegle marmeloes*। আমাৰ সকলোৰে পৰিচিত বেল গছ ৰুটেচিয়া (Rutaceae) পৰিয়ালৰ অন্তৰ্গত এবিধ ঘূৰণীয়া আকৃতিৰ ফল দিয়া গছ। এই গছৰ ফল কেঁচা অৱস্থাত সেউজীয়া বৰণৰ হয় আৰু পকিলে হালধীয়া বৰণ ধৰে। বেল গছ জোপোহা সদৃশ। বেল গছ পুডুচেৰীৰ জাতীয় গছ। এইবিধ গছ ভাৰতীয় উপমহাদেশ আৰু দক্ষিণ-পূব এছিয়াত স্থানীয়ভাৱে পোৱা যায়। বেল গছৰ ফলত যথেষ্ট পৰিমাণে প্ৰ'টিন, আঁহজাতীয় পদাৰ্থ, চৰ্বী, কেলছিয়াম, ভিটামিন আদি পোৱা যায়। এই ফল যথেষ্ট সুস্বাদু আৰু পুষ্টিকৰ। বেল গছৰ বহুতো ঔষধি গুণ আছে। হৃদযন্ত্ৰৰ দুৰ্বলতা, গ্ৰহণী, ডায়েৰিয়া, হুপিং কাহ আদিত বেল গছৰ বিভিন্ন অংশ ব্যৱহাৰ কৰিলে যথেষ্ট সুফল পোৱা যায়। বেল গছৰ চৰবত এক শীতলীকৰণ পানীয়ৰূপে ব্যৱহাৰ কৰিব পাৰি। বেল গছৰ প্ৰায় সকলো অংশই আমাৰ বাবে অতি মূল্যবান। মাংগলিক অনুষ্ঠানত বেল গছৰ পাত এক অপৰিহাৰ্য্য অংগ। ❖

## শুৱলা ভাষা

শিক্ষাৰ্থীসকল, অসমীয়া ভাষাত কিছুমান এনে শব্দ আছে যিবোৰৰ উচ্চাৰণগত দিশত বিশেষ পাৰ্থক্য নাথাকিলেও শব্দবোৰৰ অৰ্থৰ পাৰ্থক্য থাকে। তেনে কেতবোৰ শব্দ হ'ল—

| শব্দ | অৰ্থ | প্ৰায়োগিক বাক্য |
|---|---|---|
| আঁটা | শেষ কৰা বা জোৰা মৰা | কামখিনি আঁটাই আমাৰ ফালে পাক এটা মাৰিবা। |
| আঁতা | পৰিষ্কাৰ কৰা বা চাফা কৰা | আলহী আহি পোৱাৰ আগতেই ঘৰখন আঁতাচোন। |
| পছোৱা | পশ্চিমৰ পৰা পূৱলৈ বলা বেগী বতাহ | ফাগুনৰ পছোৱা বতাহজাকে গাটো শাঁত পেলাইছে। |
| পচোৱা | মুকলিত ৰাখি বা পানীত বুৰাই থৈ কোমল কৰা কাৰ্য্য | ৰামৰ দেউতাকে অভিজ্ঞ ব্যক্তিজনৰ হতুৱাই শাকৰ পুলিকেইটা পচোৱাইছে। ❖ |

## মানৱ অধিকাৰ দিৱস

প্ৰতি বছৰৰ ১০ ডিচেম্বৰ তাৰিখে সমগ্ৰ বিশ্বতে মানৱ অধিকাৰ দিৱস পালন কৰা হয়। দুখনকৈ ৰক্তক্ষয়ী মহাসমৰে সমগ্ৰ বিশ্বক জোকাৰি যোৱাৰ পাছত ৰাষ্ট্ৰসংঘই বিশ্বৰ সকলো ঠাইতে গ্ৰহণযোগ্য হ'ব পৰা মানৱ অধিকাৰ সন্নিবিষ্ট 'ইন্টাৰনেছনেল বিল অব্ ৰাইটছ' (International Bill of Rights) শীৰ্ষক এখন ঘোষণা-পত্ৰ প্ৰস্তুত কৰে। ১৯৪৮ চনৰ ১০ ডিচেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই এই ঘোষণা পত্ৰত অনুমোদন জনায়। ৰাষ্ট্ৰসংঘই এই মানৱ অধিকাৰ ঘোষণা পত্ৰৰ জৰিয়তে সমগ্ৰ বিশ্বৰ মানুহৰ সুস্থ, স্বাভাৱিক আৰু শোষণমুক্ত জীৱন যাপনৰ বাবে অধিকাৰৰ কথা প্ৰকাশ কৰিছে। ইয়াৰ বাবে কেতবোৰ নীতি নিৰ্ধাৰণ কৰা হৈছে।

১৯৫০ চনত ৰাষ্ট্ৰসংঘই মানৱ অধিকাৰৰ বিষয়ে চৰ্চা কৰিবলৈ ১০ ডিচেম্বৰৰ দিনটো মানৱ অধিকাৰ দিৱস হিচাপে উদ্‌যাপন কৰিবলৈ আহ্বান জনায়। সেই মৰ্মে ১৯৫০ চনৰ পৰা এই দিৱস পালন কৰি অহা হৈছে। মানৱ অধিকাৰৰ উদ্দেশ্য হৈছে সমগ্ৰ বিশ্বৰ লোকসকলক মানৱ অধিকাৰৰ গুৰুত্বৰ বিষয়ে সজাগ কৰা। মানৱ অধিকাৰৰ ভিতৰত আছে নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ তথা সামাজিক-সাংস্কৃতিক আৰু অৰ্থনৈতিক অধিকাৰ। শিক্ষাৰ অধিকাৰ, মত প্ৰকাশৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, কাম কৰাৰ অধিকাৰ আদিও মানৱ অধিকাৰৰ ভিতৰুৱা। ❖

# ফকৰা-যোজনা

## কেৰ্কেটুৱাই তামোল খায়, নেউলক বান্ধি কিলায়



কেৰ্কেটুৱা আৰু নেউল দেখাত প্ৰায় একেই। সেয়েহে মানুহে কেৰ্কেটুৱা আৰু নেউলৰ মাজৰ পাৰ্থক্য সহজে ধৰিব নোৱাৰে। কেৰ্কেটুৱাই তামোল গছৰ ওপৰত উঠি কুমলীয়া তামোলবোৰ খাই গৃহস্থৰ অনিষ্ট কৰে। মানুহে নেউলকে কেৰ্কেটুৱা বুলি ভাবি ধৰি-বান্ধি শাস্তি দিয়ে। অৰ্থাৎ এজনৰ দোষৰ বাবে সাদৃশ্য থকা আন এজনে কেতিয়াবা শাস্তি পাবলগীয়া হয়।

আমাৰ সমাজত মাজে-সময়ে এনে ঘটনা ঘটা দেখা যায়। এজন নিৰ্দোষী লোকেও কেতিয়াবা চেহেৰাৰ সাদৃশ্যৰ বাবে বা অন্য কোনো সাদৃশ্যৰ বাবে শাস্তি ভোগ কৰিবলগীয়া হয়, এনে অৰ্থতেই যোজনাফাকিৰ ব্যৱহাৰ কৰা হয়।

**প্ৰায়োগিক বাক্য :** বিমলৰ লগত ঘূৰা-পকা কৰি বৰ ভুল কৰিলোঁ—মিছাতেই তাৰ দোষত মইহে শাস্তি ভুগিব লগা হ'ল—ইয়াকেই কয় বোলে কেৰ্কেটুৱাই তামোল খায়, নেউলক বান্ধি কিলায়। ❖

## গছত গৰু উঠা, হোলোঙাৰে কাণ বিন্ধোৱা



গছত গৰু উঠাটো সম্ভৱ নহয়। ঠিক একেদৰে কঠীয়া বা ধানৰ ডাঙৰি কঢ়িয়াবলৈ ব্যৱহাৰ কৰা গোটা বাঁহৰ কানমাৰি এডাল অৰ্থাৎ হোলোঙাৰে কাণ খজুৱাটোও সম্ভৱ নহয়। এই অসম্ভৱ কামৰ উল্লেখ থকা যোজনাটোৰ প্ৰকৃত অৰ্থ হ'ল অসম্ভৱ বা নোহোৱা-নোপজা কাম কৰিবলৈ চেষ্টা কৰা। কিছু লোকে এনে কিছুমান কাম কৰাৰ পৰিকল্পনা লয় যিবোৰ গছত গৰু উঠা, হোলোঙাৰে কাণ বিন্ধোৱাৰ নিচিনা। এনে কাৰ্য্য বাস্তৱত সম্পন্ন কৰাটো অসম্ভৱ।

**প্ৰায়োগিক বাক্য :** হেৰ', তই যিবোৰহে সপোন দেখিছ, সেইবোৰ গছত গৰু উঠা, হোলোঙাৰে কাণ বিন্ধোৱাৰ নিচিনা কথাহে দেই; সেইবোৰ সপোন ফলিয়াব বুলি মিছা আশা নকৰিবি। ❖

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

### শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

### প্ৰশাসনীয় পৰিভাষা

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| প্ৰস্তাৱনা | preamble | প্ৰাথমিক, প্ৰাৰম্ভিক | primary |
| মূল্যবান | precious | আদিম | primitive |
| সাৱধানতা, সতৰ্কতা | precaution | মুখ্য, অধ্যক্ষ | principal |
| পূৰ্বৱৰ্তী ব্যক্তি বা |  | নীতি-নিয়ম | principle |
| পূৰ্বপুৰুষ | predecessor, | জেল, ফাটেক, কাৰাগাৰ | prison |
|  | ancestor | বিশেষাধিকাৰ, |  |
| অগ্ৰাধিকাৰ | preference | বিশেষ সুবিধা | privilege |
| প্ৰাগৈতিহাসিক | pre-historic | কাৰ্য্যপ্ৰণালী | procedure |
| পূৰ্বধাৰণা | prejudice | কাৰ্য্যবিৱৰণী | proceedings |
| সংৰক্ষণ | preservation | শোভাযাত্ৰা, সমদল | procession |
| সভাপতিত্ব কৰা | preside | উৎপাদনক্ষম | productive |
| উপক্ৰমণিকা | prelude | আনুষ্ঠানিক ঘোষণা | proclamation |
| ৰাষ্ট্ৰপতি, সভাপতি | president | অধ্যাপক | professor |
| উপ-ৰাষ্ট্ৰপতি, |  | নিষেধাজ্ঞা | prohibition |
| উপ-সভাপতি | vice-president | সৰ্বনাম | pronoun |
| নিবাৰণ | prevention | পদোন্নতি | promotion |
| ভাও জোৰা | pretend | গভীৰ, মননশীল | profound ❖ |

*(উৎস : অসম চৰকাৰৰ ৰাজনৈতিক বিভাগে প্ৰকাশ কৰা প্ৰশাসনীয় পৰিভাষা)*

# চুড’কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড’কু ২১৪ (সমাধান)

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 8 | 7 | 4 | 1 | 2 | 3 | 9 | 6 | 5 |
| 6 | 3 | 5 | 9 | 7 | 8 | 4 | 2 | 1 |
| 2 | 1 | 9 | 4 | 6 | 5 | 3 | 7 | 8 |
| 4 | 8 | 2 | 3 | 5 | 9 | 7 | 1 | 6 |
| 1 | 6 | 7 | 8 | 4 | 2 | 5 | 9 | 3 |
| 9 | 5 | 3 | 6 | 1 | 7 | 2 | 8 | 4 |
| 7 | 9 | 6 | 5 | 8 | 4 | 1 | 3 | 2 |
| 3 | 4 | 8 | 2 | 9 | 1 | 6 | 5 | 7 |
| 5 | 2 | 1 | 7 | 3 | 6 | 8 | 4 | 9 |

## চুড’কু ২১৫

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | | | 9 | | | 8 | |
| 3 | | | | | 6 | | | |
| | 5 | | | | | | 7 | |
| | | | | | | 9 | | 1 |
| | | | | | 2 | | | 6 |
| | 8 | | | 4 | | | | |
| 6 | | | | | | | | 3 |
| | | | 7 | 8 | | | | |
| | | | | 5 | | | | |

### তোমালোকে জানানে?

## বাৰেচহৰীয়া ভাওনা

উত্তৰ অসমৰ জামুগুৰিহাটত প্ৰতি পাঁচ বছৰৰ অন্তৰে অন্তৰে মহা সমাৰোহেৰে আয়োজিত এক বিশেষ ভাওনা অনুষ্ঠান বাৰেচহৰীয়া ভাওনা নামে জনাজাত। ‘বাৰ’ মানে অনেক আৰু ‘চহৰীয়া’ মানে ৰাইজ। অৰ্থাৎ, অনেক গাঁৱৰ ৰাইজ একগোট হৈ যি ভাওনা উদ্‌যাপন কৰে, সেয়ে বাৰেচহৰীয়া ভাওনা। এই অনুষ্ঠান চ’ত মাহৰ পূৰ্ণিমাত আৰম্ভ হৈ তিনি-চাৰি দিন ধৰি চলে। সাধাৰণতে, প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে বাৰেচহৰীয়া ভাওনা অনুষ্ঠিত হয়। অসমৰ সাংস্কৃতিক ইতিহাস মতে আনুমানিক ১৭৯৭-৯৮ চনত ইয়াৰ শুভাৰম্ভ হয়। অৱশ্যে কুৰি শতিকাৰ আগভাগৰ পৰাহে ইয়াৰ লিখিত তথ্য পোৱা যায়। বাৰেচহৰীয়া ভাওনাৰ পুনৰ প্ৰতিষ্ঠাপক হৈছে শোণিত কোঁৱৰ গজেন বৰুৱা। ১৯৪৯ চনৰ পৰা এই বিশাল সাংস্কৃতিক অনুষ্ঠানটোৱে সৰ্বভাৰতীয় পৰ্য্যায়ত প্ৰচাৰ লাভ কৰে। চালে চকুৰোৱাকৈ খেৰ, বাঁহ, কাঠ, বেত, ছোৱাগছ, তামোল গছ আদিৰে পদুমৰ চকাৰ আৰ্হিত বাৰেচহৰীয়া ভাওনাৰ মণ্ডপ সজা হয়। মণ্ডপটোৰ কেন্দ্ৰবিন্দুত অস্থায়ী সিংহাসন পাতি তাত ভাগৱত প্ৰতিষ্ঠা কৰে। মূল মণ্ডপৰ চাৰিওফালে পদুমৰ পাহিৰ আৰ্হিত ২১ৰ পৰা ২৫ খন অভিনয় মঞ্চ বা ‘খলা’ সজা হয়। ভাগৱতৰ ঠিক পশ্চিমৰ খলাখনক প্ৰথম খলাৰূপে ধৰি ক্ৰমে সোঁহাতৰ খলাসমূহৰ ক্ৰম অনুসৰি নামকৰণ কৰে। একেদৰে প্ৰতিখন খলাকে গছ, লতা, ফুলেৰে সুদৃশ্য কৰি তাৰ সন্মুখত চকুত লগাকৈ একোখন বাটচ’ৰা সজা হয়। প্ৰায় পাঁচ লাখ লোকে গোটেই মঞ্চৰ ভাওনা একেলগে উপভোগ কৰিব পাৰে। ইয়াৰ প্ৰতিখন খলাতে সুকীয়া সুকীয়া ভাওনা চলে। প্ৰতিখন ভাওনাৰ খলাতে গায়ন-বায়ন, সূত্ৰধাৰ আৰু নাটকো বেলেগ বেলেগ। তথাপি দৰ্শকে অভিনয় উপভোগ কৰাত কোনো অসুবিধা নাপায়। এই বাৰেচহৰীয়া ভাওনা জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উত্তৰ দিশৰ পথাৰত অনুষ্ঠিত হয়। ❖

*উৎস : শান্তনু কৌশিক বৰুৱাৰ কি কিয় ক’ত কেনেকৈ?*

# The Wizard of Oz

■ Neha Bora




The Wizard of Oz, published on 17th May, 1900 in the United States, is one of the highest selling books published by George M. Hill Company. The Wizard of Oz is the first installment of the Oz series of books, written by L.Frank Baum and illustrated by W.W.Denslow. This novel is the best-known stories in the American literature, and the Library of Congress declared it the work to be "America's greatest and best-loved homegrown fairytales."

The novel features many exciting characters: ***Dorothy Gale**, the protagonist of the novel, is a young girl who was swept away by the cyclone from her home and ends up in a magical land. **Toto**, Dorothy's pet dog, who was swept along with her by the cyclone and accompanies her throughout her adventures. **Aunt Em,** Dorothy's aunt and **Uncle Henry,** Dorothy's Uncle. **The Good Witch of North:** A good witch who gifts Dorothy with the silver shoes. **Tin Woodman:** A rusted tin whom Dorothy finds in the woods and befriends, whose axe is a useful tool during their journey. **Scarecrow:** A wise scarecrow who is Dorothy's trusted advisor. **Cowardly Lion:** A lion who is supposed to be the "King of the Beast" but his fear makes him inadequate but become brave throughout the journey. **Wicked Witch of the East:** The ruler of Munchkin Country. **Wicked Witch of West:** The Witch who rules Winkie Country and wants to obtain Dorothy's silver shoes. **Glanda, the Good Witch of South:** The good witch who helps Dorothy to reach her home. **Soldier with Green Whiskers:** The Head Guard of Royal Army of Oz.*

The story begins with Dorothy living on a farm with her Aunt Em and Uncle Henry with her dog Toto in Kansas Pairie. One day, a mysterious cyclone hits their farm and the next instance, Dorothy and her dog Toto are into Munchkin Country in the Land of Oz, along with their farmhouse. The Munchkin Country is ruled by the Wicked Witch of the East, went to inspect the farmhouse but the falling farmhouse kills her hence freeing everyone living in Munchkin Country from this evil ruler. Next, the Good Witch of the North arrives there with three grateful Munchkins and gives Dorothy a pair of magical silver shoes and tells Dorothy that the only way to return home to Kansas is to follow the yellow brick road to the Emerald City where they can seek the help of the great and powerful Wizard of Oz. On her way they meet the Good Witch of the North who kisses Dorothy on her forehead for magical protection from all harm. The next day on her journey, she found a Scarecrow who was hanging on a pole whom she frees and applies oil from an oil can but turns out to be Tin Woodman and later met Cowardly Lion. The Scarecrow wants a brain, the Tin Woodman wants a heart and the Cowardly Lion wants courage. Dorothy asks the three of them to join with her and Toto to the Emerald City.

*Contd.*

## Did You Know

# Birds need gravity to swallow

■ **Gopen Barman**



Food is the basic need of all living beings. All living beings need food for survival. But eating food and getting it into the stomach for digestion is a complex process. Animals and humans have an organ called esophagus that carries food to the stomach.

In the esophagus a series of contraction and relaxation take place. This activity pushes food towards stomach. This process is known as peristalsis. We know that animals and humans chew their food which makes it easier to move towards stomach. But birds can't chew their food. Instead, they use a muscular pouch called the gizzard to crush down food. To swallow birds use gravity to push food from the throat through their esophagus. Waves of peristalsis then push the food into the stomach. So, if animals and humans can survive in zero gravity, birds will die of hunger.❖

# Your skin sheds

We all know that snakes shed their skin from time to time. They do so to accomodate growth of their outer layer. Now imagine yourself as a skinless person. How would you look like! Yuck! Actually you did not know that humans also shed skin. Humans shed skin from time to time for growth and development. Your current skin will be gone in a month. Our skin sheds around 40,000 skin cells each day. Then why we are not skinless. The reason is that our skin rejuvenates just as quickly as it deteriorates. Therefore, we do not realise that we are losing our skin. There are always new skin to replace the old one. Regular exfoliation twice a week helps get rid of lingering skin cells to make room for fresh layer. In fact, 100 of those cells probably flaked off while you were reading this 'Did You Know'. ❖

## ‘তোমালোকৰ বাবে প্ৰশ্ন’ৰ উত্তৰ, নৱেম্বৰ, ২০২৪

১। ২০ নৱেম্বৰ   ২। নেলছন মেণ্ডেলা   ৩। পেৰালিম্পিক   ৪। টেলিগ্ৰাম   ৫। বেনহুৰ ❖

**শুধৰণি**

নৱেম্বৰ মাহৰ ‘অন্বেষণ’ত প্ৰকাশিত ‘ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা আৰু অসমীয়া ভাষা’ শীৰ্ষক লেখাটোত ৬ অক্ট’বৰ তাৰিখে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা লাভ কৰা বুলি প্ৰকাশ পাইছিল। প্ৰকৃততে ৩ অক্ট’বৰ তাৰিখেহে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা লাভ কৰাৰ কথাটো ঘোষণা কৰা হৈছিল।

**নিবন্ধ**

# খৃষ্টমাছ

■ অপৰ্ণা দেৱী

শিক্ষাৰ্থীসকল, তোমালোকে জানাই যে পৃথিৱীত খৃষ্টিয়ান বা খৃষ্টান ধৰ্মৰ লোক সৰ্বাধিক। খৃষ্টান ধৰ্মৰ অনুগামী লোকৰ সংখ্যা ২৪০ কোটি বুলি অনুমান কৰা হৈছে। তোমালোকে খৃষ্ট ধৰ্মগুৰু যীশুখৃষ্টৰ বিষয়ে কম-বেছি পৰিমাণে সকলোৱে জানা। যীশুখৃষ্টৰ জন্মদিনৰ লগত সংগতি ৰাখি পৃথিৱীৰ কোটি কোটি মানুহে প্ৰত্যেক বছৰে ২৫ ডিচেম্বৰ তাৰিখে খৃষ্টমাছ পালন কৰে। খৃষ্টমাছক এক্স মাছ (X-Mas) বুলিও কয়। আমি আকৌ খৃষ্টমাছক বৰদিন বুলি কওঁ। সমগ্ৰ পৃথিৱীত ২৫ ডিচেম্বৰৰ দিনটোতহে অফিচ-কাছাৰী, স্কুল-কলেজ আদি বন্ধ থাকে যদিও ২৫ ডিচেম্বৰৰ আগদিনাৰ পৰাই খৃষ্টমাছ উৎসৱৰ উদ্‌যাপন আৰম্ভ হয়। খৃষ্টমাছৰ আগদিনাক খৃষ্টমাছ ইভ বুলি কোৱা হয়।



খৃষ্টমাছত ধৰ্মীয় ৰীতি-নীতি পালন কৰাৰ লগতে আজিকালি সাংস্কৃতিক কাৰ্য্যসূচীও হাতত লোৱা হয়।

খৃষ্টমাছৰ ইতিহাস বিচাৰি চালে পাওঁ যে খৃষ্টানধৰ্মী লোকসকলে পালন কৰা এটি শীতকালীন উৎসৱ খৃষ্টমাছ। যীশুৰ জন্মদিনৰ লগত সংগতি ৰাখি খৃষ্টমাছ পালন কৰা হয়। পোপ প্ৰথম জুলিয়াছে ২৫ ডিচেম্বৰত খৃষ্টমাছ পালনৰ দিন নিৰ্ধাৰণ কৰিছিল। তেতিয়া কেৱল (খৃষ্টানসকলে পৰিবেশন কৰা গীত), ভোজ-ভাত আৰু উপহাৰৰ আদান-প্ৰদানতেই খৃষ্টমাছৰ পৰম্পৰা সীমিত আছিল। আধুনিক পৃথিৱীত খৃষ্টমাছ বিভিন্ন ৰূপত, বিভিন্ন ধৰণে পালন কৰা দেখা যায়। খৃষ্টমাছৰ লগত কেইটিমান বিশেষ কথা জড়িত হৈ থাকে। উদাহৰণস্বৰূপে, খৃষ্টমাছৰ লগত আধ্যাত্মিক চিন্তাৰ ভাব জড়িত হৈ থাকে। সেই বিশেষ দিনত বিভিন্ন কাৰ্য্যসূচীৰ মাজেৰে আধ্যাত্মিক চিন্তা জাগ্ৰত কৰাৰো এক প্ৰচেষ্টা চলোৱা হয়। খৃষ্টমাছৰ জৰিয়তে পৰিয়ালৰ সদস্যসমূহৰ মিলন, পুনৰ মিলন হোৱাৰ এক সুযোগ আহে। সমূহীয়া ভোজ-ভাত এই উৎসৱৰ এক অংগ। প্ৰত্যেক খৃষ্টধৰ্মী লোকে গীৰ্জালৈ (Church) গৈ কেৱল গোৱাৰ উপৰি যীশুৰ পৰা দয়া প্ৰাৰ্থনা কৰে। দুখীয়াক দান দিয়া কাৰ্য্যও খৃষ্টমাছ পালনৰ এটি কাৰ্য্যসূচীৰ ভিতৰত পৰে।

খৃষ্টমাছ ইভৰ দিনা বহু ঠাইত পদযাত্ৰা, শোভাযাত্ৰা আদি উলিওৱা হয়। সেই সময়ত ঘৰ, ৰাস্তা আৰু ৰাজহুৱা স্থানত উজ্জ্বল পোহৰৰ ব্যৱস্থা কৰা হয়। খৃষ্টমাছ ট্ৰী খৃষ্টমাছৰ এক অপৰিহাৰ্য্য অংগ। বিভিন্ন আলোকসজ্জাৰে খৃষ্টমাছ ট্ৰী সজাই-পৰাই লোৱা হয়।

খৃষ্টমাছৰ লগত ছাণ্টাক্লজো সাঙোৰ খাই থাকে। ছাণ্টাক্লজৰ আচল নাম ছেইণ্ট নিক'লাছ। তেওঁ আছিল যীশুখৃষ্টৰ বাস্তৱ জীৱনৰ ঐতিহাসিক অনুগামী। ছেইণ্ট নিক'লাছে দুখীয়া আৰু আৰ্তজনক সহায়ৰ বাবে নিজৰ সকলো ধন-সম্পত্তি দান কৰি এজন সাধু বা সন্ত হৈছিল। ছেইণ্ট নিক'লাছৰ সেই পৰম্পৰা ৰক্ষা কৰি বহু লোকে খৃষ্টমাছৰ সময়ত ছাণ্টাক্লজৰ বেশভূষা পৰিধান কৰি শিশুসকলক নানা উপহাৰ দিয়ে। সেয়ে ছাণ্টাক্লজ শিশুসকলৰ মাজত বৰ জনপ্ৰিয়।

খৃষ্টানধৰ্মী লোকসকলে গভীৰ প্ৰত্যয়েৰে মৰম, ভালপোৱা আৰু আনন্দ বিলাবৰ বাবে যীশুখৃষ্ট পৃথিৱীলৈ আহিছিল বুলি বিশ্বাস কৰে। সেই বাৰ্তা অপৰিবৰ্তনীয় হৈ চিৰদিন থাকিব। ❖

# ফ্লেমিংগ' চৰাই

■ হিমাশ্ৰী ডেকা

ফ্লেমিংগ' এবিধ অতি আকৰ্ষণীয় পক্ষী। এই চৰাইবিধৰ বৈশিষ্ট্য হ'ল ইয়াৰ উজ্জ্বল গোলাপী ৰং, দীঘল ঠেং আৰু বেঁকা ঠোঁট। দেহৰ গুলপীয়া ৰঙে ইহঁতক অন্য চৰাইবোৰৰ পৰা পৃথক কৰি তোলে। এই গোলাপী ৰঙৰ প্ৰধান কাৰণ হ'ল 'বিটা-কেৰ'টিন' নামৰ এবিধ ৰঞ্জক পদাৰ্থ। এই পদাৰ্থবিধ ফ্লেমিংগ' চৰায়ে বিশেষ কিছুমান উদ্ভিদ আৰু কেঁকোৰা খাদ্য হিচাপে গ্ৰহণ কৰাৰ ফলত লাভ কৰে। এই পদাৰ্থ সিহঁতৰ শৰীৰত জমা হৈ ইহঁতক গোলাপী ৰং দিয়ে। সৰু সৰু জলজ উদ্ভিদ আৰু কেঁকোৰাই ইহঁতৰ প্ৰধান খাদ্য। ইহঁতৰ দীঘল আৰু বেঁকা ঠোঁটটো বিশেষকৈ পানীৰ তলৰ পৰা খাদ্য সংগ্ৰহৰ বাবে উপযোগী। ঠোঁটৰ ভিতৰ অংশত থকা ৰন্ধ্ৰই পানী পৰিশ্ৰাৱণ হোৱাত সহায় কৰে আৰু মৰা কেঁকোৰা, সৰু মাছ আদি ধৰিবলৈ সহায় কৰে।



ফ্লেমিংগ' চৰাই বিশ্বৰ বিভিন্ন ঠাইত পোৱা যায়। যেনে—দক্ষিণ আমেৰিকা, উত্তৰ আমেৰিকা, আফ্ৰিকা, আৰ্জেণ্টিনা আদিৰ লগতে ভাৰতৰ বিভিন্ন অঞ্চলত ফ্লেমিংগ' চৰাই পোৱা যায়। ভাৰতৰ গুজৰাটৰ কচ্ছ অঞ্চলক 'ভাৰতৰ ফ্লেমিংগ' চহৰ' বুলি কোৱা হয়। এই অঞ্চলত ফ্লেমিংগ'ৰ সৰ্বাধিক প্ৰজাতি দেখিবলৈ পোৱা যায়। ইয়াৰ লগতে উড়িষাৰ চিল্কা হ্ৰদতো ফ্লেমিংগ' চৰাই দেখিবলৈ পোৱা যায়। অসমত সাধাৰণতে ফ্লেমিংগ' চৰাই পোৱা নাযায়। কিন্তু সময়ে সময়ে শীতকালত প্ৰব্ৰজনকাৰী পক্ষী হিচাপে দুই-এটা অসমতো দেখা যায়।

এই চৰাইবিধ সাধাৰণতে দলবদ্ধ হৈ থাকে। দলবদ্ধ অৱস্থাত ইহঁতক বৰ সুন্দৰ লাগে। ইহঁতৰ একোটা দলত হাজাৰ হাজাৰ চৰাই থাকে, যাৰ বাবে ইহঁতে দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰে। দলগতভাৱে খাদ্য সংগ্ৰহ কৰা, বিশ্ৰাম আৰু ভ্ৰমণ কৰাৰ বাবে ফ্লেমিংগ' বহুলভাৱে পৰিচিত।

ফ্লেমিংগ'ই এবাৰত এটা কণী পাৰে। ২৭ৰ পৰা ৩১ দিনৰ ভিতৰত সেই কণীৰ পৰা পোৱালি জগে। কণীৰ পৰা ওলোৱাৰ পাছতে ইহঁতে পোৱালিটোক 'ক্ৰপ মিল্ক' (crop milk) নামৰ এবিধ গাখীৰ সদৃশ পদাৰ্থ খুৱায়, এই পদাৰ্থবিধ ইহঁতৰ গাৰ পৰা উৎপন্ন হয়। এই পদাৰ্থই পোৱালিটোৰ দ্ৰুত বিকাশত সহায় কৰে।

ফ্লেমিংগ'বোৰৰ জীৱনশৈলী আৰু বিশেষত্বই ইহঁতক এক অনন্য আৰু আকৰ্ষণীয় পক্ষী ৰূপে গঢ় দিছে। ফ্লেমিংগ' প্ৰকৃতিৰ এক বিশেষ সৃষ্টি।

'ফ্লেমিংগ' মহোৎসৱ' ভাৰতত উদ্‌যাপন কৰা এক অনন্য উৎসৱ। ভাৰতৰ পশ্চিম অংশত অৱস্থিত গুজৰাট ৰাজ্যত অনুষ্ঠিত হোৱা এই উৎসৱ পৰিৱেশ প্ৰেমীসকলৰ বাবে এক বিশেষ আকৰ্ষণ। ফ্লেমিংগ' উৎসৱৰ মূল উদ্দেশ্য হৈছে প্ৰকৃতিৰ সংৰক্ষণ আৰু পক্ষীৰ (বিশেষকৈ ফ্লেমিংগ') প্ৰতি জনসাধাৰণৰ সজাগতা বৃদ্ধি কৰা। ইয়াৰ লগতে পৰ্য্যটন ক্ষেত্ৰতো এই উৎসৱৰ গুৰুত্ব আছে। গুজৰাটৰ কচ্ছ অঞ্চলত প্ৰতি বছৰে জানুৱাৰী মাহত এই উৎসৱ অনুষ্ঠিত হয়। ইয়াৰ লগতে অন্ধ্ৰপ্ৰদেশৰ পুলিকট হ্ৰদ আৰু নেলাপাট্টু পক্ষী অভয়াৰণ্যতো এই উৎসৱ উদ্‌যাপন কৰা হয়। ফ্লেমিংগ' উৎসৱৰ সময়ত বহু পৰিভ্ৰমী চৰাই এই ঠাইসমূহলৈ আহে। ইয়াৰে বেছিভাগ ফ্লেমিংগ' পক্ষী। এই পক্ষীবোৰ দক্ষিণ আমেৰিকা, আফ্ৰিকা আৰু ইউৰোপৰ বিভিন্ন অঞ্চলৰ পৰা আহে।


ফ্লেমিংগ' উৎসৱ গুজৰাটৰ পৰ্য্যটন ক্ষেত্ৰৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে পৰিগণিত হৈছে। ইয়াত দেশ-বিদেশৰ বহু পৰ্য্যটকে অংশগ্ৰহণ কৰে। এই উৎসৱে গুজৰাট তথা সমগ্ৰ ভাৰতৰ পৰ্য্যটন ক্ষেত্ৰখনক এক নতুন মাত্ৰা দিছে। ❖

# মানসিক সামৰ্থ্য বিকাশ


■ ৰবীন্দ্ৰ বৰ্মন

1. নিৰ্দেশনা : তলৰ প্ৰশ্নসমূহত চাৰিটাকৈ সমস্যা চিত্ৰ দিয়া আছে আৰু পঞ্চমটোত এটা প্ৰশ্নবোধক চিহ্ন দিয়া আছে। সমস্যা চিত্ৰসমূহৰ অনুক্ৰমত কিবা এটা সম্বন্ধ আছে। উত্তৰ চিত্ৰসমূহৰ পৰা এটা চিত্ৰ নিৰ্বাচন কৰা যাতে প্ৰশ্নবোধক চিহ্নৰ ঠাইত বহুৱাব পৰা যায়।

1. সমস্যা চিত্ৰ :





উত্তৰ চিত্ৰ :




(a) (b) (c) (d) (e)

2. সমস্যা চিত্ৰ :





উত্তৰ চিত্ৰ :




(a) (b) (c) (d) (e)

3. সমস্যা চিত্ৰ :





উত্তৰ চিত্ৰ :




(a) (b) (c) (d) (e)

4. সমস্যা চিত্ৰ :




উত্তৰ চিত্ৰ :



(a) (b) (c) (d) (e)

উত্তৰসমূহ : 1. (d) 2. (d) 3 (a) 4 (c)

# টোপনি

■ নিভা ৰাণী ৰায়

টোপনি বা নিদ্ৰা হৈছে মানুহ বা অন্যান্য প্ৰাণীয়ে জিৰণি লোৱাৰ এটি স্বাভাৱিক প্ৰক্ৰিয়া। টোপনি যোৱাৰ সময়ত জীৱৰ সচেতন ক্ৰিয়া-প্ৰতিক্ৰিয়া সাধাৰণতে নিষ্ক্ৰিয় হৈ থাকে। সকলো ধৰণৰ স্তন্যপায়ী প্ৰাণীৰ লগতে আন বহু প্ৰাণীয়ে জিৰণিৰ বাবে নিদ্ৰাৰ আশ্ৰয় লয়। আমাৰ শৰীৰক আহাৰৰ যিদৰে প্ৰয়োজন, সমানেই প্ৰয়োজন টোপনিৰো। সকলো মানুহৰে বাবে টোপনি বা নিদ্ৰা অত্যন্ত প্ৰয়োজনীয়। টোপনি শৰীৰৰ বাবে যিদৰে এক স্বাভাৱিক ক্ৰিয়া, ঠিক সেইদৰে অপৰিহাৰ্য্যও। শাৰীৰিক-মানসিক ক্লান্তি অথবা ভাগৰ আঁতৰাই শৰীৰটোক পুনৰ কামৰ বাবে সাজু কৰিবলৈ বা মগজুটোক চিন্তা কৰাৰ শক্তি যোগাবলৈ টোপনি লাগিবই। এজন প্ৰাপ্তবয়স্ক লোকৰ তুলনাত শিশু আৰু তোমালোকৰ বয়সৰ অৰ্থাৎ বিদ্যালয় পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰীক টোপনিৰ প্ৰয়োজন অধিক। পৰ্য্যাপ্ত টোপনিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ সামগ্ৰিক স্বাস্থ্য আৰু মানসিক বিকাশৰ ক্ষেত্ৰত প্ৰভূত অৰিহণা যোগায়। নিশাৰ ভাগত সঠিক পৰিমাণৰ সময় টোপনি আহিলেহে তোমালোকে পাছদিনা শ্ৰেণীত মনোযোগী হৈ থাকিব পাৰিবা, অন্যথা শাৰীৰিক দুৰ্বলতা, চকুৰ ভাগৰ আদিয়ে মনোযোগ ব্যাহত কৰিব। ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক পাৰদৰ্শিতা বৃদ্ধিৰ বাবে সঠিক টোপনি সেইবাবেই দৰকাৰী।



"যিসকল লোকৰ শোৱা অভ্যাস বেয়া, তেওঁলোকৰ তেজত কলেষ্টেৰলৰ মাত্ৰা বৃদ্ধি পোৱাৰ লগতে মেদবহুলতাৰ সমস্যাতো আক্ৰান্ত হোৱাৰ আশংকা অধিক। তদুপৰি এনে লোকসকলৰ ভালদৰে টোপনি মৰা লোকৰ তুলনাত ষ্ট্ৰ'ক, হৃদযন্ত্ৰৰ ৰোগত আক্ৰান্ত হোৱাৰ সম্ভাৱনা বেছি হোৱাৰ লগতে তেওঁলোক অন্যান্য বহুতো শাৰীৰিক সমস্যাত ভুগিব পাৰে।" যোৱা আগষ্ট মাহৰ তৃতীয় সপ্তাহত আমেৰিকা যুক্তৰাষ্ট্ৰৰ অৰেগন হেল্‌থ এণ্ড ছায়েন্স ইউনিভাৰ্ছিটিৰ এক অধ্যয়নত এই কথা প্ৰকাশ পাইছে। বিশ্ববিদ্যালয়খনৰ এদল টোপনি বিশেষজ্ঞৰ দ্বাৰা সম্পন্ন হোৱা অধ্যয়নটোৰ মতে সদায় নিশা সময়মতে শোৱা, শোৱাৰ পূৰ্বে ম'বাইল, টিভি আদি নোচোৱাকৈ থকা, চাহ-কফি সেৱন নকৰা আদিৰ দৰে টোপনিৰ সৈতে জড়িত সুঅভ্যাসে এজন মানুহক সুস্বাস্থ্যৰ অধিকাৰী কৰি তোলে। দ্য জাৰ্নাল অব ক্লিনিকেল এণ্ডক্ৰাইন'লজি এণ্ড মেটাবলিজমত (The journal of clinical endocrinology and metabolism) প্ৰকাশিত গৱেষণাপত্ৰত এই কথা উল্লেখ কৰা হৈছে।

নিদ্ৰা বিশেষজ্ঞ তথা স্নায়ুৰোগ বিশেষজ্ঞ মেৰিল মিটলাৰে কৈছে—টোপনিয়ে আমাৰ শৰীৰটোৰ শক্তিৰ সমতা ৰক্ষাৰ পৰা বৌদ্ধিক কাৰ্য্যক্ষমতা, আবেগ-অনুভূতি, সজাগতা আদি সকলো দিশ নিয়ন্ত্ৰণ কৰে। ভাগৰুৱা হৈ থাকিলে মানুহৰ কাৰ্য্যদক্ষতা হ্ৰাস পায়। চিন্তা-শক্তিতো ব্যাঘাত জন্মে। গভীৰ টোপনিয়ে আমাৰ শৰীৰৰ অংগ-প্ৰত্যংগসমূহৰ লগতে মগজুৰ কাৰ্য্যক্ষমতা বৃদ্ধি কৰে। মুঠতে সুস্থ হৈ থাকিবলৈ হ'লে টোপনিৰ বিকল্প নাই। এজন প্ৰাপ্তবয়স্ক লোকে প্ৰতি নিশা অন্ততঃ ৭ ঘণ্টা শোৱা উচিত। শিশুৱে ১৮ৰ পৰা ২০ ঘণ্টা পৰ্য্যন্ত শুব পাৰে। অলপ ডাঙৰ হোৱাৰ লগে লগে বা বিদ্যালয়ত নামভৰ্তি কৰোৱাৰ পৰা শিশুসকলৰ শোৱা সময় কমি আহিবলৈ ধৰে যদিও কম-বয়সীয়া ছাত্ৰ-ছাত্ৰীসকলে ১০-১১ ঘণ্টা শোৱাটো অতি প্ৰয়োজনীয় বুলি চিকিৎসকসকলে কয়।

শৰীৰৰ ক্ষতিপূৰণ আৰু শক্তি সঞ্চয়ৰ এটি উপায় টোপনি। টোপনি কম হ'লে সেয়েহে শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা নষ্ট হয়। অনিয়মিত টোপনিয়ে বিভিন্ন ধৰণৰ শাৰীৰিক সমস্যাৰ সৃষ্টি কৰিব পাৰে। যেনে—

● পৰ্য্যাপ্ত টোপনি নহ'লে বা কম হ'লে উচ্চ ৰক্তচাপৰ সমস্যা বৃদ্ধি পায়। চিকিৎসাবিজ্ঞানৰ মতে টোপনিৰ ভাৰসাম্যহীনতাই শৰীৰত হ'ৰমনৰ ভাৰসাম্য নষ্ট কৰে।

● টোপনি ভাল নহ'লে মানুহ হৃদৰোগৰ সমস্যাতো আক্ৰান্ত হয়। কাৰণ নিদ্ৰাৰত অৱস্থাত মানুহৰ হৃদপিণ্ডই জিৰণি পায়। সেয়ে দীৰ্ঘদিন টোপনি কম হৈ থাকিলে হৃদযন্ত্ৰজনিত সমস্যা বৃদ্ধি পায়।

● সঠিকভাৱে টোপনি নহ'লে ব্যক্তিৰ দেহত মধুমেহ ৰোগে দেখা দিয়াৰ সম্ভাৱনা থাকে। কাৰণ নিশা পৰ্য্যাপ্ত পৰিমাণে টোপনি নহা বা কম সময় শোৱাৰ ফলত শৰীৰত ইনছুলিনৰ উৎপাদন ব্যাহত হয়। ফলত মধুমেহ ৰোগৰ আশংকা বৃদ্ধি পায়।

● কম পৰিমাণৰ টোপনিয়ে মানুহৰ পাচন প্ৰক্ৰিয়াতো ব্যাঘাত জন্মায়। টোপনি নাহিলে শৰীৰৰ পাচন ক্ৰিয়াত সহায় কৰা অংগ-প্ৰত্যংগসমূহে সঠিকভাৱে কাম কৰিব নোৱাৰে। ফলত খাদ্য হজম কৰাত সহায়ক পাচক ৰসসমূহ উপযুক্ত মাত্ৰাত নিঃসৰণত বাধা পায়।

● আমাৰ মগজুত অ'ৰেক্সিন নামৰ এবিধ নিউৰ'ট্ৰান্সমিটাৰ অৰ্থাৎ একপ্ৰকাৰৰ ৰাসায়নিক বাৰ্তাবাহক আছে, যিয়ে এটা স্নায়ুকোষৰ পৰা আন এটালৈ সংকেত প্ৰেৰণ, সংকেত পৰিবৰ্ধন বা সংকেত নিয়ন্ত্ৰণ কৰে। প্ৰতিদিনে পৰ্য্যাপ্ত টোপনি নহ'লে অ'ৰেক্সিন উৎপাদনৰ গতি মন্থৰ হৈ যায়।

নিশাৰ গভীৰ টোপনি আমাৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ বাবে যে অত্যন্ত গুৰুত্বপূৰ্ণ সেই কথা বিভিন্ন গৱেষণাত প্ৰমাণিত হৈছে। আমেৰিকান শ্লীপ এছ'চিয়েছনৰ দ্বাৰা প্ৰকাশিত এখন জাৰ্নালত টোপনিৰ বিষয়ে এনেদৰে কোৱা হৈছে, "টোপনি ক্ষতিৰ ফলত মানুহৰ যুক্তি দৰ্শোৱা ক্ষমতা, সমস্যা সমাধানৰ দক্ষতা আৰু সম্পূৰ্ণ মনোযোগ দিয়াৰ ক্ষমতা হ্ৰাস পায়।" ডাং মাইকেল টুৱেৰী নামৰ নিদ্ৰা বিশেষজ্ঞগৰাকীয়ে এটা প্ৰবন্ধত লিখিছে যে নিদ্ৰাহীনতাই আমাৰ শৰীৰৰ প্ৰায় প্ৰতিটো কোষৰ ক্ষতিসাধন কৰে।

আজিৰ যুগত বেছিভাগ লোকৰেই নিশা পলমকৈ শোৱা অভ্যাস। কিন্তু এনে অভ্যাস অতি বিপদজনক। কাৰণ নিদ্ৰাহীনতাৰ ফলত শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা হ্ৰাস পায়।

কেতিয়াবা বিভিন্ন শাৰীৰিক তথা মানসিক সমস্যাৰ বাবেও টোপনি ব্যাহত হ'ব পাৰে। মানসিক চাপ, হতাশা, উদ্বিগ্নতা আদিৰ বাবেও টোপনি নহা দেখা যায়। এনে সমস্যাসমূহৰ পৰা হাত সৰাৰ উপায়ো পাছে টোপনিয়েই। সেয়ে ভাল টোপনি আহিবলৈ কিছুমান কথা মানি চলাটো দৰকাৰ। তোমালোকেও এনেবোৰ কথাত গুৰুত্ব দিবা—

● শোৱা আৰু শুই উঠাৰ এটা নিৰ্দিষ্ট সময়ৰ দৰকাৰ। প্ৰতিদিনে এটা নিৰ্দিষ্ট সময়ত বিছনালৈ যাব লাগে আৰু এটা নিৰ্দিষ্ট সময়তে শুই উঠাৰ অভ্যাস কৰিব লাগে।

● সুন্দৰ টোপনিৰ বাবে শাৰীৰিক পৰিশ্ৰমৰ প্ৰয়োজন।

● নিশা শুবলৈ যোৱাৰ আগতে টিভি চোৱা, কম্পিউটাৰত কাম কৰা, ম'বাইল চোৱা, ভিডিঅ' গেম খেলা আদি কাম কৰিব নালাগে।


● ভাল টোপনিৰ বাবে নিয়মিত যোগাভ্যাস, ব্যায়াম, ধ্যান, প্ৰাণায়াম আদি কৰা উচিত। বেগাই খোজ কঢ়া, সাঁতোৰা, চাইকেল চলোৱা, দৌৰা আদি যিকোনো ধৰণৰ শাৰীৰিক কামে সুন্দৰ টোপনি অহাত সহায় কৰে।

সুন্দৰ টোপনিয়েহে আমাক নিৰোগী, সুস্থ-সবল শৰীৰ এটাৰ অধিকাৰী কৰিব। আমাৰ মানসিক সুস্থতাৰ বাবেও সমানেই প্ৰয়োজন টোপনিৰ। মুঠতে সুখী আৰু সন্তুলিত জীৱন-যাপনৰ বাবে আমাক সুনিদ্ৰা লাগিবই। হয়তো মানুহৰ জীৱনত টোপনিৰ গুৰুত্ব বুজাবলৈকে ইংৰাজীত কোৱা হয়—Early to bed and early to rise, makes a man healthy, wealthy and wise. অৰ্থাৎ নিশা সোনকালে শোৱা আৰু পুৱা সোনকালে উঠা মানুহ স্বাস্থ্যৱান, সম্পদশালী আৰু জ্ঞানী হ'ব পাৰে। ❖

# ব্ৰাউনীয় গতি

■ উদয়া ফুকন

জীৱবিজ্ঞান অধ্যয়নৰ এক প্ৰধান আহিলা হ'ল অণুবীক্ষণ। অণুবীক্ষণৰ আৱিষ্কাৰ আৰু ইয়াৰ প্ৰয়োগেৰে বিজ্ঞানীসকলে বহুতো তথ্য উদ্‌ঘাটন কৰিবলৈ সমৰ্থ হৈছে। জীৱকোষৰ আৱিষ্কাৰৰ পৰৱৰ্তী সময়ত অণুবীক্ষণক উন্নীত কৰি কোষৰ অভ্যন্তৰ পৰ্য্যবেক্ষণৰ প্ৰচেষ্টা অব্যাহত ৰখা হৈছিল। ৰবাৰ্ট ব্ৰাউন নামৰ এজন বিজ্ঞানীয়ে পোনপ্ৰথমে কোষৰ ভিতৰত থকা কোষকেন্দ্ৰ আৱিষ্কাৰ কৰে। ৰবাৰ্ট ব্ৰাউন স্কটলেণ্ডৰ বাসিন্দা আছিল। তেওঁৰ জন্ম হৈছিল ১৭৭৩ চনত স্কটলেণ্ডৰ মনট্ৰ'জ (Montrose) নামৰ ঠাইত। উচ্চ শিক্ষাৰ বাবে তেওঁ এডিনবাৰ্গ বিশ্ববিদ্যালয়ৰ (University of Edinburgh) মেডিচিন বিভাগত নামভৰ্তি কৰিছিল। তেওঁৰ অৱশ্যে উদ্ভিদবিজ্ঞান বিষয়টোৰ প্ৰতিহে গভীৰ ধাউতি আছিল। উদ্ভিদবিজ্ঞান বিষয়টো অধ্যয়নত তেওঁ ইমান গভীৰভাৱে সোমাই পৰিছিল যে বিভিন্ন প্ৰকাৰৰ নমুনা আদিৰ অধ্যয়ন, পৰ্য্যবেক্ষণৰ দ্বাৰা তৃণজাতীয় উদ্ভিদৰ নতুন প্ৰজাতিও আৱিষ্কাৰ কৰিবলৈ সমৰ্থ হৈছিল। তেওঁ বিখ্যাত 'ৰয়েল ছ'চাইটি'ৰ ফেল' হিচাপেও নিৰ্বাচিত হৈছিল। তেওঁ উদ্ভিদৰ পৰাগৰেণুৰ বিষয়ে অধ্যয়ন কৰি 'ব্ৰাউনীয় চলন' নামৰ এক পৰিঘটনা আৱিষ্কাৰ কৰে। এই স্কটিছ বিজ্ঞানীগৰাকীয়ে ১৯ শতিকাৰ আৰম্ভণিতে কৰা এই যুগান্তকাৰী পৰ্য্যবেক্ষণে উদ্ভিদবিজ্ঞান আৰু পদাৰ্থবিজ্ঞান, এই দুয়ো ক্ষেত্ৰতে গভীৰ প্ৰভাৱ পেলাইছিল।



ৰবাৰ্ট ব্ৰাউনে ১৮২৭ চনত অণুবীক্ষণৰ সহায়ত পানীত ওপঙি থকা পৰাগৰেণু পৰ্য্যবেক্ষণ কৰি দেখা পাইছিল যে পৰাগৰেণুৰ ভিতৰত থকা কণিকাবোৰে নিৰন্তৰভাৱে এক অস্বাভাৱিক গতি কৰি থাকে। এই কণিকাবোৰৰ এই চলনক তেওঁ জীৱৰ বৈশিষ্ট্য বুলি ভাবি লৈছিল। প্ৰকৃত সত্য উদ্‌ঘাটনৰ বাবে তেওঁ অধিক পৰীক্ষা-নিৰীক্ষাত ব্যস্ত হৈছিল। কণিকাবোৰৰ এনে চলনক 'ব্ৰাউনীয় চলন' বুলি আখ্যা দিয়া হৈছিল। ফুলৰ পৰাগযোগৰ পাছত পৰাগৰেণুৰ অংকুৰণত ব্ৰাউনীয় চলনৰ এক বিশেষ গুৰুত্ব আছে। গৰ্ভকেশৰৰ গৰ্ভমুণ্ডত পৰাগৰেণু অৱস্থান কৰাৰ পাছত গৰ্ভমুণ্ডৰ পৰা নিঃসৰণ ঘটা এবিধ পদাৰ্থ শোষণ কৰি ই ফুলি উঠে। তেনে ক্ষেত্ৰত পৰাগৰেণুৰ ভিতৰৰ কণিকাবোৰে ব্ৰাউনীয় চলন দেখুৱায়। ইয়াৰ ফলত পৰাগৰেণু অংকুৰণৰ বাবে প্ৰয়োজনীয় প্ৰ'টিন আৰু আন পদাৰ্থসমূহ মুকলি হয়। ব্ৰাউনীয় চলনত অণুবোৰৰ যাদৃচ্ছিক গতি হয়, ফলস্বৰূপে অণুবোৰ সকলো ফালে সমভাৱে বিয়পি পৰে। এনে হোৱাৰ ফলত পৰাগৰেণুৰ অংকুৰণ ঘটি পৰাগ নলীকাৰ সৃষ্টি হৈ বৃদ্ধি ঘটে।

ব্ৰাউনে অধিক পৰীক্ষা-নিৰীক্ষা কৰি এক সিদ্ধান্তত উপনীত হৈছিল যে কিছুমান নিৰ্জীৱ কণিকাইও এনে আচৰণ দেখুৱায় অৰ্থাৎ ব্ৰাউনীয় গতি বা চলন কৰে।

'ব্ৰাউনীয় চলন'ৰ আৱিষ্কাৰে গেছৰ অণুবোৰৰ গতিৰ তত্ত্ব বুজাত সহায় কৰিছিল আৰু আণৱিক তত্ত্বৰ বিকাশত অৰিহণা যোগাইছিল। 'ব্ৰাউনীয় চলনে' কোনো তৰলত নিমজ্জিত কণাৰ যাদৃচ্ছিক গতিক বুজায়। তৰলৰ অণুবোৰৰ গতিশক্তিৰ বাবে ইয়াত নিমজ্জিত কণাবোৰৰ ওপৰত প্ৰভাৱ পৰে, যাৰ ফলত অণুবোৰৰ চলন ঘটে। তৰল বা গেছীয় পদাৰ্থত ভাহি থকা কণিকাৰ লগত আন অণুবোৰৰ সংঘৰ্ষৰ ফলত অণুবোৰৰ যাদৃচ্ছিক গতি হয়। তৰল পদাৰ্থ অসংখ্য অণুৰে গঠিত। তৰলৰ উষ্ণতা বঢ়াৰ লগে লগে অণুবোৰৰ গতিশক্তি বাঢ়ে। তৰলত ভাহি থকা কণাৰ ওপৰত ইয়াৰ চাৰিওফালৰ অণুবোৰৰ সংঘৰ্ষ হয় ফলত কণাবোৰে বেলেগ বেলেগ দিশত গতি কৰে।

কণাবোৰৰ আকাৰ সৰু হ'লে এই গতি তীব্ৰতৰ হয়। কাৰণ এনে অণুবোৰ আণৱিক সংঘৰ্ষৰ দ্বাৰা সহজে প্ৰভাৱিত হয়।

উদ্ভিদ কোষৰ কোষ প্ৰৰসত অসংখ্য অণুৰ চলন ঘটি থাকে। এই চলন অতি আৰশ্যকীয়। কোষত থকা নানা পুষ্টিদ্ৰব্য, উৎসেচক আদি পদাৰ্থৰ অন্তঃকোষীয় চলনৰ দ্বাৰা বিতৰণ ঘটি বিভিন্ন বিপাকীয় ক্ৰিয়াবোৰ চলি থাকে। ব্ৰাউনীয় চলনে কোষপ্ৰৰসৰ সৰু সৰু অণুবোৰৰ স্থানান্তৰ সহজ কৰি তোলে, যাৰ ফলত বিভিন্ন প্ৰয়োজনীয় অণুবোৰ প্ৰয়োজনীয় স্থানত সহজে উপলব্ধ হয়।

মাটিৰ পৰিৱেশতন্ত্ৰৰ ওপৰতো ব্ৰাউনীয় চলনৰ এক প্ৰভাৱ আছে। ব্ৰাউনীয় চলনৰ বিষয়ে থকা স্পষ্ট জ্ঞানে মাটিৰ অণুজীৱৰ পৰিৱেশ আৰু এইবোৰৰ মাজৰ আন্তঃক্ৰিয়াৰ বিষয়ে অধ্যয়ন কৰাত সহায় কৰে। মাটিৰ অণু আৰু অণুজীৱৰ যাদৃচ্ছিক গতিয়ে গছৰ শিপাক প্ৰয়োজনীয় পুষ্টি আহৰণত সহায় কৰে। নাইট্ৰ'জেন স্থিৰীকৰণ বেক্টেৰিয়া আৰু মাইক'ৰাইজাই মাটিৰ গুণাগুণ বৃদ্ধি কৰে। ব্ৰাউনীয় চলনে এই কাৰ্য্যত সহায় কৰে। ইয়াৰ ফলত শস্যৰ উৎপাদন বাঢ়ে। সেইবাবে অধিক উৎপাদন আৰু শস্যৰ বহনক্ষম ব্যৱস্থাপনাৰ ক্ষেত্ৰত ব্ৰাউনীয় চলনৰ প্ৰায়োগিক ব্যৱস্থা উন্নত কৰি শস্যৰ উৎপাদন বঢ়াব পৰা যায়। ব্ৰাউনীয় চলনৰ নীতি প্ৰয়োগেৰে জৈৱ কীটনাশক আৰু জৈৱিক সাৰৰ মান উন্নত কৰা হয়। এই পদাৰ্থবোৰত উপকাৰী অণুজীৱ বা কিছুমান সক্ৰিয় যৌগ থাকে। এইবোৰ মাটিত সমভাৱে বিতৰণ হোৱা দৰকাৰ। কণিকাবোৰৰ যাদৃচ্ছিক গতিৰ সহায় লৈ বিজ্ঞানীসকলে এনে আৰ্হি প্ৰস্তুত কৰিব পাৰে যিয়ে এই পদাৰ্থসমূহৰ কাৰ্য্যকাৰিতা নিশ্চিত কৰাত ফলপ্ৰসূ হয়। বৰ্তমান উদ্ভিদবিজ্ঞানৰ নানান ক্ষেত্ৰত নেন' প্ৰযুক্তি ব্যৱহাৰ কৰা হয়। নেন' কণিকাবোৰ ব্ৰাউনীয় চলনৰ দ্বাৰা বহু পৰিমাণে প্ৰভাৱিত হয়। ব্ৰাউনীয় চলনৰ আধাৰত নেন'কণাৰ আৰ্হি প্ৰস্তুত কৰি উদ্ভিদক নিৰ্দিষ্ট পুষ্টিকাৰক পদাৰ্থ, কীটনাশক পদাৰ্থ বা জিন যোগান ধৰি কাৰ্য্যক্ষমতা উন্নত কৰিব পাৰি।

এলবাৰ্ট আইনষ্টাইনে ১৯০৫ চনত ব্ৰাউনীয় চলনৰ এক গাণিতিক ব্যাখ্যা আগ বঢ়াইছিল। আইনষ্টাইনৰ মতে পদাৰ্থ এবিধৰ উষ্ণতা ইয়াৰ অণুবোৰৰ গড় গতিশক্তিৰ সমানুপাতিক। পদাৰ্থৰ অণুবোৰ অতি ক্ষুদ্ৰ, ব্ৰাউনীয় চলনে এইবোৰৰ অস্তিত্ব নিশ্চিত কৰাত সহায় কৰে। কণিকাবোৰে কৰা ব্ৰাউনীয় চলনৰ দ্বাৰা পৰমাণুৰ আকাৰ নিৰূপণ কৰিব পাৰি। আইনষ্টাইনে পৰমাণুৰ আকাৰ নিৰ্ণয় কৰাত ব্ৰাউনীয় চলনৰ নীতি ব্যৱহাৰ কৰিছিল। ই কোৱাণ্টাম ফিজিক্সৰ ক্ষেত্ৰখনতো প্ৰভাৱ পেলাইছিল। ব্ৰাউনীয় চলন আপাতদৃষ্টিত সহজ যেন লাগিলেও আচলতে এটা জটিল পৰিঘটনা। সেইবাবে ই বিভিন্ন ক্ষেত্ৰৰ গৱেষকসকলক অনুপ্ৰাণিত কৰি আহিছে। এই চলনৰ অধ্যয়নে প্ৰাকৃতিক জগতখনক বুজি পোৱাত এক বিশেষ অৰিহণা যোগাইছে। ❖

## চুড'কুৰ শুদ্ধ উত্তৰ দিয়া শিক্ষাৰ্থীৰ নাম, নৱেম্বৰ, ২০২৪

অৰিন্দম বৰা (নৱম ক), নিয়ৰজ্যোতি ডেকা (নৱম ক), ময়ূৰী তালুকদাৰ (ষষ্ঠ ক), পল ভৰালী (ষষ্ঠ গ), ধ্ৰুৱজিৎ কুমাৰ দাস (অষ্টম ক), কৌশিক দাস (অষ্টম ক), যামিলউদ্দিন আহমেদ (সপ্তম ঘ), দৃষ্টান্ত পাঠক (অষ্টম ক), ময়ংক পাঠক (দশম ঘ)। ❖

## 'তোমালোকৰ বাবে প্ৰশ্ন'ৰ উত্তৰ দিওঁতাসকল, নৱেম্বৰ, ২০২৪

ৰিহান হাজৰিকা (ষষ্ঠ খ), পল ভৰালী (ষষ্ঠ গ), প্ৰিয়াংশু প্ৰীতিশ শৰ্মা (ষষ্ঠ খ), জাহ্নু বিকাশ শৰ্মা (ষষ্ঠ খ), সিদ্ধাৰ্থ দাস (ষষ্ঠ খ), কৌস্তভ নাথ (পঞ্চম খ), প্ৰাযুক্ত সাই পৰাশৰ (পঞ্চম ঘ), অসীম কুমাৰ নাথ (পঞ্চম ঘ)। ❖

# ‘ইলেকট্ৰ’নিক আৱৰ্জনা’—এক বৰ্ধিত গোলকীয় প্ৰত্যাহ্বান

■ সুজিৎ কুমাৰ নেওগ

দ্ৰুত প্ৰযুক্তিগত উন্নতিৰ যুগত ইলেক্‌ট্ৰ’নিক যন্ত্ৰ মানৱ জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে। স্মাৰ্টফোন, লেপটপৰ পৰা আৰম্ভ কৰি ঘৰুৱা সঁজুলি আৰু স্মাৰ্ট আহিলালৈকে, ইলেকট্ৰনিকছে সকলো নিয়ন্ত্ৰণ কৰিছে। কিন্তু এই ডিজিটেল বিপ্লৱৰ সমান্তৰালভাৱে এক নতুন সমস্যায়ো গা-কৰি উঠিছে। সেয়া হ’ল—ইলেকট্ৰ’নিক আৱৰ্জনা বা ই-আৱৰ্জনাৰ ঘাতীয় (exponential) বৃদ্ধি। ই-আৱৰ্জনাত পুৰণি কম্পিউটাৰ, ম’বাইল ফোন আদিৰ পৰা আৰম্ভ কৰি ফ্ৰীজ, টেলিভিছন, বেটাৰী ইত্যাদি সকলো ধৰণৰ পেলনীয়া বৈদ্যুতিক বা ইলেকট্ৰ’নিক যন্ত্ৰপাতিক সামৰি লোৱা হৈছে।

বিশ্বজুৰি বৃদ্ধি পোৱা আৱৰ্জনাসমূহৰ সৰহভাগেই ইলেকট্ৰ’নিক আৱৰ্জনা। ই পৰিবেশৰ বহন ক্ষমতা, মানৱ-স্বাস্থ্য আৰু সম্পদ ব্যৱস্থাপনাৰ বাবে জটিল প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে।

ই-আৱৰ্জনাৰ ভিতৰত যিকোনো ধৰণৰ পেলনীয়া বৈদ্যুতিক বা বৈদ্যুতিন সঁজুলিক অন্তৰ্ভুক্ত কৰা হয়। গ্ল’বেল ই-ৱেষ্ট মনিটৰ (Global E-waste Monitor) নামৰ বেচৰকাৰী সংস্থাটোৰ মতে ২০১৯ চনত সমগ্ৰ বিশ্বই প্ৰায় চাৰে পাঁচ কোটি মেট্ৰিক টন ই-আৱৰ্জনা সৃষ্টি কৰিছিল। তেওঁলোকে লগতে প্ৰকাশ কৰিছিল যে এই ধাৰা অব্যাহত থাকিলে ২০৩০ চনৰ ভিতৰত এই সংখ্যা চাৰে সাত কোটি মেট্ৰিক টন পৰ্য্যন্ত হ’ব পাৰে।

ই-আৱৰ্জনাৰ সাধাৰণ শ্ৰেণী বিভাজন এনে ধৰণৰ—

ক) সৰু যোগাযোগৰ মাধ্যম—ম’বাইল ফোন, ব্যক্তিগত কম্পিউটাৰ, প্ৰিন্টাৰ, টেবলেট আদি।

খ) বৃহৎ ঘৰুৱা সঁজুলি—ফ্ৰীজ, ৱাশ্বিং মেচিন, এয়াৰ কণ্ডিছনাৰ ইত্যাদি।

গ) গ্ৰাহক সঁজুলি—টিভি, অডিঅ’ ছিষ্টেম, কেমেৰা ইত্যাদি।

ঘ) পোহৰৰ সঁজুলি—ফ্ল’ৰেচেণ্ট টিউব (fluorescent tube), এলইডি বাল্ব ইত্যাদি।

ঙ) অন্য বৈদ্যুতিক সঁজুলি—ড্ৰিল মেচিন, ইলেক্‌ট্ৰ’নিক টুথব্ৰাছ ইত্যাদি।

চ) চিকিৎসা সঁজুলি—বিভিন্ন ধৰণৰ ইমেজিং (imaging) সঁজুলি, ডায়েলাইছিছ মেচিন, পেছমেকাৰ ইত্যাদি।

ছ) বেটাৰী—সৰু সৰু বহনযোগ্য বেটাৰীৰ পৰা আৰম্ভ কৰি ডাঙৰ ঔদ্যোগিক বেটাৰীলৈকে।

ই-আৱৰ্জনাৰ দ্ৰুত বৃদ্ধিত কেইবাটাও কাৰকে অৰিহণা যোগাইছে। প্ৰযুক্তিগত উদ্ভাৱনৰ বাবে যন্ত্ৰসমূহৰ জীৱন চক্ৰও চুটি হৈ পৰে। প্ৰযুক্তিৰ দ্ৰুত উন্নতিৰ ফলত ইলেকট্ৰ’নিক যন্ত্ৰবোৰ কম সময়তে পুৰণি হৈ অচল হৈ পৰে। উন্নত বৈশিষ্ট্যযুক্ত নতুন মডেল অহৰহ উদ্ভাৱন হৈ থাকে, যাৰ ফলত বিক্ৰেতা কোম্পানীসমূহে গ্ৰাহকক সঘনাই প্ৰলোভিত কৰে। বিশেষকৈ ম’বাইল আৰু কম্পিউটাৰৰ ক্ষেত্ৰত হোৱা উদ্ভাৱনৰ হাৰে ‘সলনি কৰি আগৰটো পেলাই দিয়া’ৰ দৰে এক নিৰন্তৰ চক্ৰৰ সৃষ্টি কৰিছে।

তদুপৰি ইলেকট্ৰ’নিক সামগ্ৰীৰ ব্যাপক উপলব্ধতা আৰু ক্ৰয়-ব্যয় হ্ৰাস পোৱাৰ ফলত বিশ্বৰ জনসংখ্যাৰ এক বৃহৎ অংশৰ বাবে ই সুলভ হৈ পৰিছে। বিশেষকৈ উন্নয়নশীল দেশসমূহত ক্ৰমাৎ বৃদ্ধি পোৱা মধ্যবিত্ত শ্ৰেণীয়ে ইলেকট্ৰ’নিক সামগ্ৰীৰ চাহিদা বৃদ্ধি কৰিছে। আয়ৰ সমান্তৰালভাৱে বৃদ্ধি পোৱা এই চাহিদাৰ ফলতে ই-আৱৰ্জনাৰ বৃদ্ধি ঘটিছে।

বহু নিৰ্মাতাই গ্ৰাহকক সঘনাই নতুন মডেল ক্ৰয় কৰিবলৈ উৎসাহিত কৰে আৰু সীমিত আয়ুসৰ সামগ্ৰী ডিজাইন কৰে। মেৰামতিৰ খৰচ বেছি হোৱাৰ লগতে অতিৰিক্ত অংশৰ সহজ উপলব্ধতা নথকাৰ বাবে ভঙা যন্ত্ৰ এটা মেৰামতি নকৰি নতুন এটা ক্ৰয় কৰাটো গ্ৰাহকৰ

বাবে লাভজনক বুলি বিবেচিত হয়। তদুপৰি বৰ্তমানৰ ইলেকট্ৰ'নিকছ যন্ত্ৰবোৰত কম আয়ুৰ অংশ তথা পৃথক কৰিব নোৱৰা বেটাৰী ব্যৱহাৰ কৰা ফলত এবাৰ বিজুতি ঘটা বা পুৰণি হৈ যোৱা অংশ সহজে সলনি কৰিব নোৱাৰি। এনে ধৰণৰ প্ৰথাক পৰিকল্পিত অচলতা (planned obsolescence) বোলা হয়। এয়া ই-আৱৰ্জনাৰ বৰ্ধিত উত্থানৰ অন্যতম কাৰক।

যেতিয়া ই-আৱৰ্জনাসমূহ মুকলি ঠাইত অনুচিতভাৱে নিষ্কাসিত কৰা হয় তেতিয়া সীহ, কেডমিয়াম, পাৰাৰ দৰে বিষাক্ত পদাৰ্থ মাটিত মিহলি হৈ মাটি দূষিত কৰে। ইয়াৰ ফলত মাটিৰ গুণাগুণ কমি কৃষিৰ উৎপাদনশীলতা হ্ৰাস পায়।

ই-আৱৰ্জনাৰ পৰা গধুৰ ধাতু, ক্ল'ৰ'ফ্ল'ৰ' কাৰ্বন (CFC), পলিভিনাইল ক্ল'ৰাইড (PVC) আদিৰ দৰে বিষাক্ত ৰাসায়নিক পদাৰ্থৰ অন্তঃস্ৰৱণ ঘটি সহজে ভূগৰ্ভৰ পানীৰ লগত মিহলি হৈ পৰে। ইয়ে খোৱা পানীৰ উৎস তথা জলজ পৰিবেশতন্ত্ৰক প্ৰদূষিত কৰে।

উন্নয়নশীল দেশসমূহত নিষ্কাসিত ই-আৱৰ্জনাৰ পৰা তাম আৰু সোণৰ দৰে মূল্যবান ধাতু আহৰণ কৰাৰ বাবে যন্ত্ৰসমূহ মুকলিকৈ জ্বলোৱা হয়। এই প্ৰক্ৰিয়াই বিষাক্ত ধোঁৱা আৰু কণাবোৰ বায়ুলৈ নিৰ্গত কৰে। ই-আৱৰ্জনাত থকা প্লাষ্টিক জ্বলোৱাৰ ফলত ডাই অক্সিন আৰু ফুৰানৰ দৰে কৰ্কট ৰোগ সৃষ্টিকাৰী কণিকাও মুকলি হয়।

ফ্ৰীজ, এয়াৰ কণ্ডিছনাৰ আৰু অন্যান্য শীতলীকৰণ যন্ত্ৰত চিএফচি আৰু হাইড্ৰ'ক্ল'ৰ'ফ্ল'ৰ' কাৰ্বন (HCFC) থাকে, এইবোৰ শক্তিশালী সেউজ গৃহ গেছ। যেতিয়া এই সঁজুলিবোৰ ভাঙি পেলোৱা হয় বা ভাঙি যায়, তেতিয়া এই গেছবোৰো বায়ুমণ্ডললৈ নিৰ্গত হৈ গোলকীয় উষ্ণতা বৃদ্ধি আৰু অ'জন স্তৰৰ অৱক্ষয়ত অৰিহণা যোগায়।

ই-আৱৰ্জনাৰ নিষ্কাসনৰ লগত বিভিন্ন স্বাস্থ্যজনিত সমস্যাও জড়িত হৈ আছে। এইবিলাক মুকলিকৈ জ্বলোৱাৰ ফলত নিৰ্গত হোৱা বিষাক্ত ধোঁৱা আৰু কণা উশাহত দেহৰ ভিতৰলৈ গৈ হাঁপানী, ব্ৰংকাইটিছ, দীৰ্ঘদিনীয়া হাঁওফাঁওৰ ৰোগকে ধৰি শ্বাস-প্ৰশ্বাসজনিত সমস্যাৰ সৃষ্টি কৰিব পাৰে। সীহ আৰু পাৰাৰ দৰে গধুৰ ধাতুৰ সংস্পৰ্শই শিশুৰ ক্ষেত্ৰত গুৰুতৰ স্নায়ুজনিত সমস্যা, যেনে—অক্ষমতা, পলম বিকাশ, স্মৃতিশক্তি হেৰুওৱা আদিৰ সৃষ্টি কৰিব পাৰে। ই-আৱৰ্জনাৰ পৰা নিৰ্গত কিছুমান পদাৰ্থই মানুহৰ অন্তঃস্ৰাৱী কাৰ্য্যত ব্যাঘাত জন্মাব পাৰে, যাৰ ফলত হৰম'নৰ ভাৰসাম্যহীনতাই দেখা দিয়ে। ই প্ৰজননৰ ক্ষেত্ৰতো বিৰূপ প্ৰভাৱ পেলাব পাৰে।

ই-আৱৰ্জনাই সৃষ্টি কৰা পৰিবেশ আৰু স্বাস্থ্যজনিত বিপদৰ প্ৰতি লক্ষ্য ৰাখি ইয়াক ফলপ্ৰসূভাৱে নিষ্কাসন কৰাটো অতি গুৰুত্বপূৰ্ণ। ই-আৱৰ্জনাৰ প্ৰত্যাহ্বানৰ সমাধান হিচাপে বৰ্তমানে কেইবাটাও পদ্ধতি কৌশল ব্যৱহাৰ কৰা হৈছে। তাৰে অন্যতম হৈছে—বৰ্ধিত উৎপাদক দায়িত্ব (extended producer responsibility)। এই নীতি অনুসৰি ইলেকট্ৰ'নিকছ সামগ্ৰীৰ নিৰ্মাতাসকল সামগ্ৰীসমূহৰ সমগ্ৰ জীৱনচক্ৰৰ বাবে দায়িত্বশীল হ'ব লাগিব। এই নিয়মৰ অধীনত উৎপাদকসকলে নিজে পুৰণি সামগ্ৰীসমূহ গ্ৰাহকৰ পৰা ঘূৰাই লৈ পুনঃ ব্যৱহাৰ আৰু পৰিবেশৰ প্ৰতি দায়বদ্ধভাৱে নিষ্কাসিত কৰাটো নিশ্চিত কৰিব লাগিব। পুৰণি আৰু অচল সামগ্ৰীসমূহৰ পৰা সোণ, ৰূপ, তাম আদি ধাতুৰ নিষ্কাসনে নতুন খননৰ প্ৰয়োজনীয়তাও হ্ৰাস কৰে। ফলত প্ৰাকৃতিক সম্পদৰ সংৰক্ষণ হয়। তদুপৰি 'চক্ৰীয় অৰ্থনীতি'ৰ জৰিয়তে নিৰ্মাতাসকলক সামগ্ৰীসমূহৰ আয়ুসকাল দীঘলীয়া কৰিবলৈ, মেৰামতি সেৱা আৰু পুনৰ নিৰ্মাণ কাৰ্য্যসূচীক উৎসাহিত কৰা হয়।

ই-আৱৰ্জনাৰ সমস্যাটো যথেষ্ট গুৰুতৰ যদিও সাধাৰণ মানুহ ইয়াৰ ভয়াবহতা সম্পৰ্কে এতিয়াও বৰ সজাগ নহয়। এই ক্ষেত্ৰত জন-সজাগতাৰ নিতান্তই প্ৰয়োজন। ইলেকট্ৰ'নিকছ সামগ্ৰীৰ সঠিক ব্যৱহাৰ, পুনঃ ব্যৱহাৰ তথা অচল সামগ্ৰীৰ বৈজ্ঞানিক পদ্ধতিৰে নিষ্কাসন অবিহনে ই-আৱৰ্জনাই পৰিবেশৰ লগতে মানুহৰ স্বাস্থ্যজনিত অৱস্থা অনাগত দিনত অধিক শোচনীয় কৰি তুলিব। ❖

*(ইণ্টাৰনেটৰ পৰা সংগৃহীত)*


# শিক্ষাৰ্থীয়ে আঁকা ছবি



প্ৰতীক্ষা শৰ্মা, সপ্তম ক



চয়নিকা পাঠক, নৱম খ



দ্বিজৰাজ ঠাকুৰীয়া, ষষ্ঠ গ




মানস প্ৰতিম শৰ্মা, পঞ্চম খ



ময়ংক বৰা, পঞ্চম গ



প্ৰাচুৰ্য্য কলিতা, চতুৰ্থ গ



ৰূপান্তৰ শৰ্মা, পঞ্চম ঘ

# বিভিন্ন দেশৰ ৰাষ্ট্ৰীয় প্ৰতীক



বেলিজ



চেণ্ট্ৰেল আফ্ৰিকান ৰিপাব্লিক




ইকুৱেট'ৰিয়েল গিনি



জৰ্জিয়া



গ্ৰেনাডা




গিনি-বিচাউ



লাটভিয়া




লাইবেৰিয়া




ছামোৱা




ছিয়েৰা লিঅ'ন




উগাণ্ডা



চেক গণৰাজ্য